### ১৪খন শিশু-উপন্যাসৰ প্ৰতীকী উন্মোচন; বানপীড়িতলৈ ১০ হাজাৰ অনুদান

# প্ৰলয়ংকাৰী বানৰ মাজতে দয় কাও ৰং একাডেমীৰ ১৩ শিশু- সাহিত্যিকৰ দায়বদ্ধতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৫ আগষ্ট ঃ** উজনি অসমৰ ভয়াবহ বান পৰিস্থিতিৰ মাজতে দয়-কাও-ৰং একাডেমীয়ে সাহিত্য আৰু সমাজসেৱাৰ এক অনন্য দৃষ্টান্ত স্থাপন কৰে। একাডেমীয়ে পূৰ্বনিৰ্ধাৰিত আড়ম্বৰপূৰ্ণ গ্ৰন্থ উন্মোচনী অনুষ্ঠান বাতিল কৰি ডিব্ৰুগড়ৰ নগাখেলিয়াস্থিত 'দয়-কাও-ৰং পথ-পুথিভঁৰাল'ৰ সমীপত এক অনাড়ম্বৰ পৰিৱেশত ১৩গৰাকী শিশু-সাহিত্যিকৰ ১৪খন শিশু-উপন্যাসৰ প্ৰতীকী উন্মোচন সম্পন্ন কৰে। উন্মোচিত উপন্যাসসমূহ হ'ল- ইমন বেজবৰুৱাৰ 'সাঁচিপতীয়া পুথিৰ ৰহস্যৰ পম খেদি', কলচুম বিবিৰ 'ৰৈ ৰৈ উৰিবি অ' চিত পখিলী', কাকলি নেওগৰ 'নতুন দিনৰ জলমল পৃথিৱী', কুইলিন কাকতিৰ 'অমনৰ অসম ভ্ৰমণ', গায়ত্ৰী গগৈৰ 'সপোন দেখোঁ আহাঁ', মন্দিৰা চুতীয়াৰ 'এন্ধাৰ আঁতৰি যায়' আৰু 'ঋষিৰ ডিবৰু ভ্ৰমণ', মীনাক্ষী বৰাৰ 'মনোমোহা গহপুৰ ৰূপে-গুণে ভৰপূৰ', মৌচুমী নেওগৰ 'প্ৰতীতি', মৌচুমী বৰঠাকুৰৰ 'জোন আৰু জিলমিলৰ তেজপুৰ দৰ্শন', ৰাজুৰাণী শইকীয়াৰ 'পোহৰৰে চাকিগছি আমি জ্বলামেই এদিন জ্বলাম', ৰীতা কোঁৱৰৰ 'জুন্বা', সংগীতা পাৰে মৰাঙৰ 'বড়াৰ পো'ৰ দেশত জিকমিকৰ এদিন' আৰু সান্ত্বনা চেলেঙৰ 'ৰূপালী দেশৰ সোণালী কথা'। উক্ত উপন্যাস কেইখন নীৰজ, ঋত আৱাহন, ভাস্কৰ, ডিম্পল, নয়ণমণি, ময়ূখ আদি স্থানীয় শিশু-কিশোৰসকলে প্ৰতীকীভাৱে উন্মোচন কৰে। উল্লেখ্য যে, ২৫ জুলাইত ডিব্ৰুগড়ত এই গ্ৰন্থসমূহৰ উন্মোচনী সভা অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু ভয়াবহ বান পৰিস্থিতিৰ বাবে অনুষ্ঠানটো বাতিল কৰা হয়। ইয়াৰ পৰিৱৰ্তে আয়োজক সকলে অনাড়ম্বৰ আৰু প্ৰতীকী উন্মোচনৰ সিদ্ধান্ত গ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলেও অসমৰ বিভিন্ন প্ৰান্তৰ শিশু সাহিত্যিক সকলে ৰাজ্যখনৰ একাংশ লেখকৰ দ্বাৰা গঠিত "যাত্ৰা" হোৱাটছএপ গোটৰ জৰিয়তে বানপীড়িতসকলৰ বাবে ১০ হাজাৰ টকাৰ অনুদান আগবঢ়ায়। সাহিত্যচৰ্চাৰ সমান্তৰালভাৱে সামাজিক দায়বদ্ধতাৰ এই নিৰ্দশনে বহুতৰে দৃষ্টি আকৰ্ষণ কৰে। দয়-কাও-ৰং একাডেমীৰ সঞ্চালক টুনুজ্যোতি গগৈয়ে কয় যে প্ৰাকৃতিক বা সামাজিক সংকটৰ সময়ত সাহিত্যিক সকলৰ ভূমিকা কেৱল সৃষ্টিশীলতাৰ মাজতে আবদ্ধ হৈ নাথাকে; আৰ্তজনৰ কাষত থিয় হোৱাটোও তেওঁলোকৰ এক নৈতিক দায়িত্ব। তেওঁ লগতে কয় যে এই ১৪খন শিশু-উপন্যাস একাডেমিৰ উদ্যোগত আয়োজিত শিশু-সাহিত্য কৰ্মশালাৰ ফচল। অনুষ্ঠানত দয়-কাও-ৰং পথ-পুথিভঁৰালৰ নিয়মীয়া পাঠক-পাঠিকাৰ লগতে মোহনাঘাট অঞ্চলৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

### জিলা প্ৰশাসন আৰু লোকনিৰ্মাণ বিভাগৰ জৰুৰী হস্তক্ষেপ

# মাজুলীৰ ফুটচাং-কান্ধুলীমাৰী সংযোগী পথত প্ৰকাণ্ড গাঁত

অসম বাৰ্তা, উজনী মাজুলী, মাজুলী জিলাৰ উজনি মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত লুইতপৰীয়া গাঁও পঞ্চায়তৰ ফুটচাং-কান্ধুলীমাৰী সংযোগী পথচোৱাত সৃষ্টি হোৱা এক প্ৰকাণ্ড গাঁতে এতিয়া অঞ্চলটোৰ যাতায়াত ব্যৱস্থাৰ বাবে তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। দীৰ্ঘদিন ধৰি পথচোৱাৰ কেইবাটাও অংশত 'ছাইড বাম' খহি যোৱাৰ উপৰিও শেহতীয়াকৈ হোৱা মূষলধাৰ বৰষুণৰ ফলত পেভাৰ ব্লকৰ তলৰ পৰা মাটি উটি গৈ এক বৃহৎ গাঁতৰ সৃষ্টি হৈছে। পথচোৱাৰ অন্তৰ্ভাগলৈকে মাটি খহি যোৱাৰ বাবে বৰ্তমান এই ব্যস্ত পথচোৱা এক অতি বিপদসংকুল স্থানলৈ ৰূপান্তৰিত হৈছে, যিয়ে স্থানীয় ৰাইজ তথা পথচাৰীসকলৰ মাজত তীব্ৰ শংকাৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, জিলাখনৰ লোকনিৰ্মাণ বিভাগে এই সদাব্যস্ত আৰু গুৰুত্বপূৰ্ণ পথচোৱাৰ ভয়ংকৰ অৱস্থা দেখা পাইও সম্পূৰ্ণ নিমাত হৈ আছে। বিশেষকৈ নিশাৰ অন্ধকাৰত এই পথেৰে অহা-যোৱা কৰা বাহন আৰু পথচাৰীৰ কাৰণে যিকোনো মুহূৰ্ততে এক ডাঙৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ পথ সুগম হৈ পৰিছে। দীৰ্ঘদিন ধৰি পথটো মেৰামতিৰ কোনো পদক্ষেপ গ্ৰহণ নকৰাত বিভাগটোৰ দায়িত্বজ্ঞানহীনতাক লৈ সৰ্বত্ৰে তীব্ৰ অসন্তুষ্টি প্ৰকাশ পাইছে। মন কৰিবলগীয়া যে, ২০১৮ বৰ্ষতে ফুটচাং-কান্ধুলীমাৰী সংযোগী পথৰ ছিগা অংশত এখন দলং নিৰ্মাণৰ বাবে 'ৰাজশেখৰ কনষ্ট্ৰাকছন'নামৰ এটি প্ৰতিষ্ঠানক কামৰ আৱণ্টন দিয়া হৈছিল। উক্ত প্ৰতিষ্ঠানটোৱে দলঙৰ দুয়োপাৰে প্ৰায় ১০০ মিটাৰকৈ নিৰ্মাণ কৰা পথ অংশই এতিয়া তলি খহি মৰণফান্দত পৰিণত হৈছে। নিম্নমানৰ নিৰ্মাণকাৰ্যৰ বাবেই অতি কম সময়ৰ ভিতৰতে পথচোৱাৰ এনে অৱস্থা হৈছে বুলিও স্থানীয় লোকসকলে ক্ষোভ প্ৰকাশ কৰে। উল্লেখযোগ্য যে, উজনি মাজুলীৰ মুখ্য ব্যৱসায়িক কেন্দ্ৰ নতুন বজাৰলৈ সংযোগ স্থাপন কৰা এইটোৱেই হ'ল প্ৰধান পথ। অঞ্চলটোৰ কান্ধুলীমাৰী, টেঙাপনীয়া, কপাহতলী, লাচন চাপৰি, লাচন গাঁও, বনৰীয়া চাপৰি, ধনাই চাপৰি, গোঁসাইবাৰী, আৰু ভকতিদুৱাৰ আদি প্ৰায় কুৰিৰো অধিক গাঁৱৰ হাজাৰ হাজাৰ জনসাধাৰণে দৈনিক ব্যৱসায়-বাণিজ্য, শিক্ষা, তথা চিকিৎসা সেৱাৰ বাবে এই পথেৰেই যাতায়াত কৰে। তাৰ উপৰিও বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু জৰুৰীকালীন ৰোগী কঢ়িয়াওৱা বাহনৰ বাবেও পথটো অত্যন্ত গুৰুত্বপূৰ্ণ। এনে এক গুৰুত্বপূৰ্ণ পথত লোকনিৰ্মাণ বিভাগৰ চৰম অৱহেলা আৰু দুৰ্বল নীতিৰ বাবেই গাঁতটোৱে এতিয়া 'মৃত্যুদূত'ৰ ৰূপ ধাৰণ কৰা বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। অনাকাংক্ষিতভাৱে ডাঙৰ দুৰ্ঘটনা সংঘটিত হৈ কাৰোবাৰ অমূল্য জীৱন হেৰুওৱাৰ আগতেই, উক্ত মৰণফান্দ সদৃশ গাঁতটো ক্ষিপ্ৰতাৰে মেৰামতি কৰাৰ বাবে মাজুলী জিলা প্ৰশাসন তথা লোকনিৰ্মাণ বিভাগক স্থানীয় ৰাইজে জনপ্ৰতিনিধি আৰু বিভাগীয় কৰ্তৃপক্ষৰ জৰুৰী হস্তক্ষেপ দাবী জনাইছে।

# মাকুম আৰক্ষীৰ জালত চাৰি চোৰ

**অসম বাৰ্তা, মাকুম, ৫ আগষ্ট ঃ** দীৰ্ঘদিন ধৰি মাকুম অঞ্চলত ইটোৰ পিছত সিটো চুৰিকাণ্ড সংঘটিত কৰি সন্ত্ৰাস সৃষ্টি কৰি থকা চাৰি অভিযুক্ত চোৰক আজি মাকুম আৰক্ষীয়ে অৱশেষত আটক কৰিবলৈ সক্ষম হয়। আটকাধীন চোৰ কেইটা ক্ৰমে মাকুম লোহাৰী পট্টিৰ মণ্টু শৰ্মা (৩০) চিকৰাজান গাঁৱৰ ৰক্তিম দাস (৩০) মাকুম জ্যোতি নগৰৰ ৰাজা প্ৰধান (৩৪) আৰু মাকুম সুন্দৰ নগৰৰ নিৰজ সিং (২৭)। গোপন তথ্য আৰু ধাৰাবাহিক তদন্তৰ ভিত্তিত অভিযান চলাই মাকুম সমজিলা অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি টেৰণ আৰু মাকুম আৰক্ষী থানাৰ পৰিদৰ্শক পুলক কুমাৰৰ নেতৃত্বত চাৰি অভিযুক্তক আটক কৰে। মাকুম আৰক্ষীয়ে ৩৭/২০২৬/ ইউ/এচ ৩৩১(৪)/৩০৫(এ) বি এন এচ, ২০২৩-ৰ অধীনত গোচৰ ৰুজো কৰি ধৃত চুৰ কেইটাক জেল হাজোতলৈ প্ৰেৰণ কৰে। আৰক্ষীৰ তথ্য অনুসৰি আটকাধীন চোৰ আটাইকেইটা নিষিদ্ধ নিচা জাতীয় দ্ৰব্য আদি সেৱনকাৰী, নিষিদ্ধ নিচা জাতীয় দ্ৰব্য সেৱন কৰিবলৈ ধনৰ অভাৱ হ'লে এনেধৰণৰ চুৰি কাণ্ড সংঘটিত কৰি সন্ত্ৰাসৰ সৃষ্টি কৰে।

# টংলাত উপেন্দ্ৰনাথ দাস আৰু পদ্ম ৰাম চৌধুৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৫ আগষ্ট ঃ** টংলা ক্ৰীড়া সন্থাৰ উদোগত অনুষ্ঠিত অৱসৰপ্ৰাপ্ত অধ্যক্ষ স্বৰ্গীয় উপেন্দ্ৰনাথ দাস আৰু স্বৰ্গীয় পদ্ম ৰাম চৌধুৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা আজিৰ পৰা শুভাৰম্ভ হয়। উদ্বোধনী খেলত অংশগ্ৰহণ কৰে কদমগুৰি ইউনিয়ন ফুটবল ক্লাব বনাম হাতীবান্ধা নিউ উইথ ফুটবল ক্লাব। খেল অনুষ্ঠিত হোৱাৰ প্ৰাক মুহূৰ্তত টংলা ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বড়া(জিন্না) ই পতাকা উত্তোলন কৰি খেলখন উদ্বোধন কৰে। টংলা ষ্টেডিয়ামত আজি অনুষ্ঠিত খেলত কদমগুৰি ইউনিয়ন ফুটবল ক্লাবক হাতীবান্ধা নিউ উইথ ফুটবল ক্লাবে ১-০ গলত পৰাজিত কৰি জয়লাভ কৰে। বিয়ায়ী হাতীবান্ধা নিউ উইথ ফুটবল ক্লাবৰ মনচুমা বড়োৱে একমাত্ৰ গ'লটো দিবলৈ সক্ষম হয়। কাইলৈৰ খেলখন নাচনশালী এফ চি বনাম ভেটোৱাণ মাষ্টাৰ্ছ ওদালগুৰি এফ চিৰ মাজত অনুষ্ঠিত হ'ব।

# ডিব্ৰুগড়ত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় পৰিদৰ্শন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৫ আগষ্ট ঃ** অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে ডিব্ৰুগড়ত আজি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে। এই উপলক্ষে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় ভৱনত অনুষ্ঠিত এখন সভাত মন্ত্ৰী গৰাকীয়ে বিশ্ববিদ্যালয়খনৰ বৰ্তমানৰ পাঠ্যক্ৰম, অন্তঃগাঁথনি আৰু বিভিন্ন সমস্যাৰাজিৰ বিষয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষ লগত আলোচনা কৰে। বিশ্ববিদ্যালয়খনে দীৰ্ঘদিনৰ পৰা আবেদন কৰি অহা বিভিন্ন সমস্যা যেনে-শিক্ষক নিযুক্তি, বিষয়া, কৰ্মচাৰী নিযুক্তি আদি সম্পৰ্কীয় কাম বিলাক অতি শীঘ্ৰে কৰিবলৈ মন্ত্ৰীগৰাকীয়ে ক্ৰীড়া বিভাগৰ বিশেষ সচিবক নিৰ্দেশনা দিয়ে। বিশ্ববিদ্যালয়খনে সন্মুখীন হৈ অহা অন্যান্য সমস্যাৰাজিৰ বিষয়ে লগতে বিশ্ববিদ্যালয়খনৰ উন্নতিৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰীৰ লগতো আলোচনা কৰিব বুলি তেখেতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক প্ৰতিশ্ৰুতি প্ৰদান কৰে। আলোচনাৰ সময়ত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য হীৰেন্দ্ৰ নাথ শৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰকে প্ৰমুখ্য কৰি বহুতো বিষয়া কৰ্মচাৰী উপস্থিত থাকে। বিশ্ববিদ্যালয়খনৰ উন্নতিৰ বাবে এইবাৰ দৃঢ়ভাৱে পদক্ষেপ গ্ৰহণ কৰি বিশ্ববিদ্যালয়খনক উন্নতিৰ দিশত আগবঢ়াই নিব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰে।

# বুঢ়াপাহাৰত ভয়ংকৰ ভূমিস্খলন



**অসম বাৰ্তা, কলিয়াবৰ, ৫ আগষ্ট ঃ** নিশা প্ৰায় ২ বজাত ৭১৫ নং ৰাষ্ট্ৰীয় ঘাই পথটো নেৰানেপেৰা বৰষুণৰ ফলত বুঢ়া পাহাৰৰ পাহাৰৰ প্ৰকাণ্ড শিল, গছ আৰু মাটি খহি আহি ৰাষ্ট্ৰীয় পথটোৰ ওপৰত পৰে। ফলত কেইবাঘণ্টা ধৰি উজনি নামনিৰ যান-বাহনৰ যাতায়ত ব্যাহত হৈ পৰে। ৰাষ্ট্ৰীয় পথ কৰ্তৃপক্ষ, SDRF আৰু বনবিভাগৰ যুটীয়া প্ৰচেষ্টাত পুৱা প্ৰায় ৭ বজাত পথটোৰ এটা অংশ মুকলি কৰি যান-বাহন সমূহ যাতায়তৰ বাবে সুচল কৰি দিয়ে। জানিব পৰা মতে পথটো সম্পূৰ্ণ মুকলি হবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব।

# তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত "লোক কল্যাণ দিৱস-২০২৬" উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ আগষ্ট ঃ** অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী, ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু দিৱস উপলক্ষে সমগ্ৰ ৰাজ্যৰ লগতে তিনিচুকীয়া জিলাতো আজি তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত "লোক কল্যাণ দিৱস" জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উদ্‌যাপন কৰা হয়। লোক কল্যাণ দিৱসৰ কাৰ্যসূচীৰ আৰম্ভণিতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। "লোক কল্যাণ দিৱস"ৰ কাৰ্য্যসূচীত তিনিচুকীয়া জিলাৰ জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমানে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অৱদান শ্ৰদ্ধাৰে স্মৰণ কৰি তেখেতৰ আদৰ্শ আৰু চিন্তাধাৰা বৰ্তমানৰ সমাজ জীৱনৰ বাবে প্ৰেৰণাদায়ক বুলি উল্লেখ কৰাৰ লগতে ৰাজ্যখনৰ প্ৰতিগৰাকী ব্যক্তি তথা নৱপ্ৰজন্মৰ বাবে অনুকৰণীয় বুলি মন্তব্য আগবঢ়ায়। জিলা উন্নয়ন আয়ুক্তই অসম চৰকাৰে কৰ্মদক্ষ, নিষ্ঠাৱান তথা সৎ বিষয়া- কৰ্মচাৰীসকলক লোকসেৱাৰ পুৰস্কাৰেৰে পুৰস্কৃত কৰাৰ এই পদক্ষেপে অন্যান্য কৰ্মচাৰীসকলকো পৰৱৰ্তী সময়ত নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰাত যথেষ্ট উৎসাহিত কৰিব বুলি কয়। প্ৰতিগৰাকী চৰকাৰী কৰ্মচাৰীকে নতুনত্বক আদৰি পৰিৱৰ্তিত কৰ্মসংস্কৃতিৰ সৈতে নিজক খাপ খুৱাই সততা আৰু নিষ্ঠাসহকাৰে ৰাইজৰ সেৱাত ব্ৰতী হ'বলৈয়ো জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে আহ্বান জনায়। আজিৰ লোককল্যাণ দিৱসৰ কাৰ্যসূচীত নিষ্ঠা আৰু সততাৰে কৰ্ম সম্পাদন কৰা তিনিচুকীয়া জিলাৰ শদিয়া সমজিলা আয়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক যতীন সোণোৱাল, শদিয়া সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ জিলা প্ৰশাসনিক মুখ্য সহায়িকা জোনামণি কলিতা আৰু ২৬ অসম বেটেলিয়ন এনচিচি, ডিগবৈৰ কনিষ্ঠ সহায়ক খুপমিন গুইটক অসম চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা "লোকসেৱা-২০২৬"ৰ পুৰস্কাৰ প্ৰদান কৰা হয়। আজিৰ সভাত অতিৰিক্ত জিলা আয়ুক্ত খুচী ক'ৰেনীয়া, অতিৰিক্ত জিলা আয়ুক্ত জগমীৰ ৰংফাৰপি, ডিগবৈ সমজিলা আয়ুক্ত ফিলিচ ভি.এল.এইচ হ্ৰংচাল, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ মিনাক্ষী হাজৰিকা প্ৰমুখ্যে বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়া তথা কৰ্মচাৰী আৰু জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

### ■ বুজ ল'লে অঞ্চলটোৰ বানপীড়িত ৰাইজৰ ■

# বামুণপুখুৰী ১৩ বছৰীয়া ৰিদিপ পানিকাৰ পৰিয়ালৰ কাষত মুখ্যমন্ত্ৰী



**অসম বাৰ্তা, নামতি, ৫ আগষ্ট ঃ** বান বিধ্বস্ত নাজিৰা বামুণপুখুৰীত আজি উপস্থিত হয়হি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোঁহাই, মন্ত্ৰী পীয়ুষ হাজৰিকা, বিধায়ক তৰংগ গগৈ সহ মুখ্যমন্ত্ৰী জনে বামুণপুখুৰী আৰু টেঙাহোলা অঞ্চলৰ বান বিধ্বস্ত পৰিস্থিতিৰ বুজ লোৱাৰ লগতে নিজৰ মৰমৰ কুকুৰটো বচাবলৈ গৈ বানত উটি যোৱা ৰিদিপ পানিকাৰ পৰিয়ালক সাক্ষাৎ কৰি ৫ লাখ টকাৰ চেক প্ৰদান কৰে। ৰিদিপ পানিকাৰ পিতৃ মাতৃক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী জনে এই অনাহুত ঘটনাৰ বাবে দুখ প্ৰকাশ কৰাৰ লগতে পৰিয়ালটোক সৰ্বতোপ্ৰকাৰে চৰকাৰে সহায় কৰাৰ আশ্বাস দিয়ে। অৱশ্যে মুখ্যমন্ত্ৰী জনে ক্ষতিপূৰণৰ ব্যৱস্থা চৰকাৰে কৰিব যদিও 'বেটাটোটো ঘূৰাই দিব নোৱাৰো' বুলি আক্ষেপ প্ৰকাশ কৰি অনাগত সময়ত অঞ্চলটো বানৰ কবলত নপৰাৰ বাবে সকলো ব্যৱস্থা কৰা হব বুলি আশ্বাস প্ৰদান কৰে। ইয়াৰোপৰি মুখ্যমন্ত্ৰী জনে বামুণপুখুৰী বিস্তীৰ্ণ এলেকাৰ লগত বামুণপুখুৰী চাহ বাগিচা এলেকাৰ সকলো ৰাইজক চৰকাৰে যথোপযুক্ত সহায় কৰা হব বুলি আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে নাজিৰাত বানত সৰ্বাধিক ক্ষতি হোৱা অঞ্চলসমূহৰ ভিতৰত বামুণপুখুৰী আৰু টেঙাহোলা আছিল অন্যতম।


NAME CORRECTION

My true and correct name is NAMITA DEVI which is recorded in my all relevant documents including my Aadhaar Vide No.- 4373 6146 4734 and Voter Id Vide No.- DBG3037534 etc. But the same has been wrongly recorded in the ASSAM GRAMIN VIKASH BANK, Branch-LAKHIGANJ Account No-71500100074 as NOMITA NATH instead of NAMITA DEVI. And my husband true and correct name is NISHIKANTA NATH which is recorded in my all relevant documents including my Aadhaar Vide No.- 2515 4340 9591 and Voter Id Vide No.- DBG3037523 etc. But the same has been wrongly recorded in the ASSAM GRAMIN VIKASH BANK, Branch-LAKHIGANJ Account No- 7150010006839, IFSC Code- PUNBORRBAGB (7150) as NISHI NATH instead of NISHIKAN. NISHI NATH and NISHIKANTA NATH both are one and same person i.e. my Husband and I hereby declare that, NAMITA DEVI and NOMITA NATH are one and same person i.e. myself.

Sd/
NAMITA DEVI
NISHIKANTA NATH
VILL: Udmari Pt.III,
PO: Lakhiganj Bazar,
Sub District: Bilasipara,
District: Dhubri,
State: Assam,
PIN Code: 783345

AB-114/2026


# জাঁজী ফুলপানীচিগাৰ মাজুমেলীয়াত সমূহীয়া কঠীয়া সিঁচাৰ শুভাৰম্ভ

**অসম বাৰ্তা, জাঁজী, ৫ আগষ্ট ঃ** যোৱা ১৯ জুলাইত অহা বিধ্বংসী বানপানীয়ে শিৱসাগৰ জিলাৰ ফুলপানীচিগা অঞ্চলকে ধৰি বিস্তীৰ্ণ এলেকাৰ কৃষিভূমি, ঘৰ-দুৱাৰ আৰু জীৱিকাৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। বহু কৃষকৰ কঠীয়া, শস্য আৰু খেতিপথাৰ সম্পূৰ্ণৰূপে নষ্ট হোৱাত তেওঁলোকৰ মাজত হতাশাৰ সৃষ্টি হৈছিল। এনে সংকটময় সময়ত বানাক্ৰান্ত কৃষকসকলক পুনৰ কৃষিকাৰ্যলৈ ঘূৰাই অনাৰ লক্ষ্যৰে আজি জাঁজী ফুলপানীচিগাৰ মাজুমেলীয়া গাঁৱৰ বটানি খেল পথাৰত সমূহীয়া কঠীয়া সিঁচাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত মৰাবজাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী পৰীস্মিতা নেওগ, কৃষি উন্নয়ন বিষয়া, গাঁওবুঢ়া, ৱাৰ্ড সদস্যা গীতাঞ্জলি গগৈকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। তেওঁলোকে কৃষকসকলক সাহস যোগোৱাৰ লগতে কৃষি পুনৰুদ্ধাৰৰ ক্ষেত্ৰত সকলোৰে সমন্বিত সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই কাৰ্যসূচীত সমাজকৰ্মী অম্বৰিস গগৈ, সমাজসেৱক মনোজ গগৈ আৰু মাজুমেলীয়া গাঁৱৰ যুৱকসকলে স্বেচ্ছাসেৱক হিচাপে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি কঠীয়া সিঁচাৰ কামত সহায় আগবঢ়ায়। বানৰ দুৰ্যোগৰ পিছতো একেলগে কাম কৰি কৃষকসকলৰ মুখত পুনৰ হাঁহি বিৰিঙাবলৈ তেওঁলোকৰ এই পদক্ষেপক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰে। স্থানীয় কৃষকসকলে কয় যে, সমূহীয়া উদ্যোগ, পঞ্চায়ত, কৃষি বিভাগ আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সহযোগিতাই তেওঁলোকক নতুনকৈ খেতিকাৰ্য আৰম্ভ কৰাৰ সাহস যোগাইছে। সময়মতে কঠীয়া সিঁচা সম্পন্ন হ'লে চলিত বৰ্ষতো উৎপাদন কিছু পৰিমাণে উদ্ধাৰ কৰিব পৰা যাব বুলি আশা প্ৰকাশ কৰে। বানৰ বিভীষিকাৰ মাজতো এই সমূহীয়া কঠীয়া সিঁচাৰ শুভাৰম্ভে কৃষিজীৱী ৰাইজৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰাৰ লগতে ঐক্য, সহযোগিতা আৰু সামাজিক দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে।

### দুৰ্ঘটনাত নিহত এক, আহত এক

# ডিমাকুছিৰ শুক্লাইত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৫ আগষ্ট ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত শুক্লাইত মঙ্গলবাৰে আবেলি ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। মৃত্যু দূতত পৰিণত হৈ পৰিছে ওদালগুৰি-তামোলপুৰ সংযোগী পথ। মঙ্গলবাৰে ওদালগুৰি-তামোলপৰ পথৰ ডিমাকুছিৰ শুক্লাইত এ.এছ- ১৬- এ.চি-৩৯৮৬ নম্বৰৰ এন.এছ. পালছাৰ বাইক আৰু এ.এছ-০১- জি.পি-০৪৩৬ নম্বৰৰ কেঁচা চাহপাত কঢ়িওৱা ডিআই বাহনৰ সৈতে সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনাতো। দুৰ্ঘটনাত থিতাতে নিহত এজন, আনহাতে আন এজন যুৱক আহত হয়। বাতৰি সংগ্ৰহ কৰা সময়লৈকে নিহত যুৱকজনৰ সম্পূৰ্ণ তথ্য পোৱা নাই যদিও ডিব্ৰুগড়ৰ সুনীল দাস বুলি জানিব পৰা গৈছে। আনহাতে ভয়ংকৰ পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত নালাপাৰাৰ ৰবিন্দ্ৰ কলিতাৰ কনিষ্ঠ পুত্ৰ ৰক্তিম কলিতা গুৰুত্বৰ ভাৱে আহত হয়। ঘটনাস্থলীত ডিমাকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হীৰক জ্যোতি দাসৰ সৈতে যোৱা আৰক্ষীয়ে নিহত যুৱকজনক উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে গুৰুতৰভাৱে আহত ৰক্তিম কলিতাক সংকটজনক অৱস্থাত চিকিৎসালৈ প্ৰেৰণ কৰে।

### অইল কৰ্তৃপক্ষই কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ

# মাকুম বাৰেকুৰিৰ মৎস্য খেতিলৈ ক্ৰুড অইলে কঢ়িয়াই আনিছে ভাবুকি

**অসম বাৰ্তা, মাকুম, ৫ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ মাকুম অঞ্চলৰ বাৰেকুৰি গাঁৱৰ নিবাসী তথা মহিলা মৎস্য খেতিয়ক জিনামনি চেতিয়াৰ চাৰি বিঘা মাটিৰে আৱৰি থকা তেওঁৰ পুখুৰীত ক্ৰুড অইল মিহলি হোৱাৰ ফলত মাছবোৰ ক্ৰমান্বয়ে মৃত্যু হ'বলৈ ধৰিছে। অভিযোগ অনুসৰি, বাৰেকুৰি ডেংকাত অৱস্থিত পুখুৰীটোৰ পৰা প্ৰায় ৩০০ মিটাৰ আঁতৰৰ দ্ৰুত উৎপাদন ছেটআপ (QPS) টোৰ পৰা কিছুদিন ধৰি ধাৰাসাৰ বৰষুণৰ ফলত নিৰ্গত হোৱা ক্ৰুড অইল পুখুৰীটোলৈ বৈ অহাত পানী দূষিত হৈ পৰে। ইয়াৰ ফলত পুখুৰীত পালন কৰা মূল্যৱান মাছসমূহৰ জীৱন সংকটত পৰিছে। মৎস্য পালনৰ জৰিয়তে জীৱিকা নিৰ্বাহ কৰা জিনামনি চেতিয়াই এই পুখুৰীৰ পৰা উন্নত উৎপাদনৰ আশা কৰিছিল যদিও ক্ৰুড অইলৰ প্ৰদূষণে তেওঁৰ সেই সপোন যেন আধৰুৱা কৰি পেলোৱাৰ উপক্ৰম হৈছে। ইতিমধ্যে বহু মাছৰ মৃত্যু হোৱাৰ ফলত তেওঁ ব্যাপক আৰ্থিক লোকচানৰ আশংকা প্ৰকাশ কৰি দুখ প্ৰকাশ কৰে। তদুপৰি এই দ্ৰুত উৎপাদন ছেটআপ (QPS) স্থাপন কৰাৰ আৰম্ভণি দিনৰ পৰাই শব্দ আদি প্ৰদূষণে স্থানীয় ৰাইজৰ মাজত অশান্তিময় পৰিৱেশে বিৰাজ কৰি আহিছে বুলি মহিলা গৰাকীয়ে অভিযোগ উত্থাপন কৰে। এই সমস্যা সমূহৰ সন্দৰ্ভত জিনামনি চেতিয়াই অইল ইণ্ডিয়া লিমিটেডৰ কৰ্তৃপক্ষক লিখিত অভিযোগ দিছিল যদিও বিভাগীয় কৰ্তৃপক্ষৰ তৰফৰ পৰা কোনো ধৰণৰ সঁহাৰি নোপোৱাত মহিলা গৰাকীয়ে উপায় বিহীন হৈ সংবাদ মাধ্যমৰ কাষ চাপি পুনৰবাৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ ব্যৱস্থা আৰু ক্ষতিপূৰণ প্ৰদানৰ বাবে সংশ্লিষ্ট বিভাগ আৰু তেল কোম্পানী কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

# চেলেংহাটত টীয়ক নদীৰ প্ৰলয়ংকাৰী বান

**অসম বাৰ্তা, চেলেংহাট, ৫ আগষ্ট ঃ** যোৰহাট জিলাৰ চেলেংহাট অঞ্চলৰ অন্যতম কৃষি প্ৰধান এলেকা লেফেৰা, হালোৱা পথাৰ, খনিকৰ আদি বৃহত্তৰ অঞ্চলত টীয়ক নদীৰ বানে সৃষ্টি কৰিছে হাহাকাৰ পৰিস্থিতি। নদীখনত কোনো ধৰণৰ সুদৃঢ় মথাউৰি নথকাৰ বাবে সামান্য বৰষুণতেই টীয়ক নদীৰ পানী উফন্দি পৰি সমগ্ৰ কৃষিভূমি আৰু জনবসতি অঞ্চল প্লাবিত কৰি পেলায়। বিগত এটা মাহৰ ভিতৰতে প্ৰায় ৫ বাৰকৈ টিয়ক নদীৰ পানীয়ে লেফেৰা, খনিকৰ আৰু ইয়াৰ কাষৰীয়া গাঁওসমূহৰ ঘৰ-দুৱাৰ তথা খেতি-পথাৰ সম্পূৰ্ণৰূপে বুৰাই পেলাইছে। শেহতীয়াকৈ কালিৰে পৰা পুনৰ পানীৰ স্তৰ বঢ়াৰ ফলত লেফেৰা গাঁৱৰ প্ৰায় সমূহ পৰিয়ালৰ ঘৰ বৰ্তমান পানীৰ তলত। উপায়হীন হৈ গাঁওবাসীয়ে বৰ্তমান পথৰ ওপৰত আশ্ৰয় লৈ দিন নিয়াবলগীয়া হৈছে। ভুক্তভোগী ৰাইজৰ অভিযোগ মতে, চৰকাৰে ঘোষণা কৰা ১৫, ০০০ টকাৰ বিশেষ সাহায্য বা অন্যান্য কোনোধৰণৰ চৰকাৰী সাহায্য বৰ্তমানলৈকে তেওঁলোকে লাভ কৰা নাই। আনকি খোৱাপানী এটুপিৰ পৰাও বঞ্চিত হৈ পৰিছে অঞ্চলটো। খোৱাপানী যোগান ব্যৱস্থা নথকাৰ বাবে অঞ্চলটোৰ ৰাইজে ১২ মাহেই পুখুৰীৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। কিন্তু বানৰ পানীয়ে পুখুৰীবোৰ একাকাৰ কৰি পেলোৱাত এতিয়া খোৱাপানীৰ বাবে তীব্ৰ হাহাকাৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে কাষৰীয়া গাঁওসমূহ আৰু বানৰ পৰা ৰক্ষা পোৱা দুই-এঘৰ মানুহৰ সহযোগত খাদ্য-সামগ্ৰী সংগ্ৰহ কৰি আছে বুলি জানিবলৈ দিয়ে। অঞ্চলটোৰ স্থানীয় গাঁওবুঢ়াই বান সমস্যাটোক কোনো গুৰুত্ব নিদিয়াৰ গুৰুতৰ অভিযোগ তুলিছে ৰাইজে। অনতিপলমে জিলা প্ৰশাসন আৰু চৰকাৰে গাঁওখনত খাদ্য-সামগ্ৰী, বিশুদ্ধ খোৱাপানী আৰু জৰুৰী সাহায্য মুকলি কৰি দিয়াৰ দাবী উত্থাপন কৰিছে বানাক্ৰান্ত ৰাইজে।

১৪খন শিশু-উপন্যাসৰ প্ৰতীকী উন্মোচন; বানপীড়িতলৈ ১০ হাজাৰ অনুদান

# প্ৰলয়ংকাৰী বানৰ মাজতে দয় কাও ৰং একাডেমীৰ ১৩ শিশু- সাহিত্যিকৰ দায়বদ্ধতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৫ আগষ্ট ঃ** উজনি অসমৰ ভয়াৱহ বান পৰিস্থিতিৰ মাজতে দয়-কাও-ৰং একাডেমীয়ে সাহিত্য আৰু সমাজসেৱাৰ এক অনন্য দৃষ্টান্ত স্থাপন কৰে। একাডেমীয়ে পূৰ্বনিৰ্ধাৰিত আড়ম্বৰপূৰ্ণ গ্ৰন্থ উন্মোচনী অনুষ্ঠান বাতিল কৰি ডিব্ৰুগড়ৰ নগাখেলিয়াস্থিত 'দয়-কাও-ৰং পথ-পুথিভঁৰাল'ৰ সমীপত এক অনাড়ম্বৰ পৰিৱেশত ১৩গৰাকী শিশু-সাহিত্যিকৰ ১৪খন শিশু-উপন্যাসৰ প্ৰতীকী উন্মোচন সম্পন্ন কৰে। উন্মোচিত উপন্যাসসমূহ হ'ল- ইমন বেজবৰুৱাৰ 'সাঁচিপতীয়া পুথিৰ ৰহস্যৰ পম খেদি', কলচুম বিবিৰ 'ৰৈ ৰৈ উৰিবি অ' চিত পখিলী', কাকলি নেওগৰ 'নতুন দিনৰ জলমল পৃথিৱী', কুইলিন কাকতিৰ 'অমনৰ অসম ভ্ৰমণ', গায়ত্ৰী গগৈৰ 'সপোন দেখোঁ আহাঁ', মন্দিৰা চুতীয়াৰ 'এন্ধাৰ আঁতৰি যায়' আৰু 'ঋষিৰ ডিবৰু ভ্ৰমণ', মীনাক্ষী বৰাৰ 'মনোমোহা গহপুৰ ৰূপে-গুণে ভৰপুৰ', মৌচুমী নেওগৰ 'প্ৰতীতি', মৌচুমী বৰঠাকুৰৰ 'জোন আৰু জিলমিলৰ তেজপুৰ দৰ্শন', ৰাজুৰাণী শইকীয়াৰ 'পোহৰৰে চাকিগছি আমি জ্বলামেই এদিন জ্বলাম', ৰীতা কোঁৱৰৰ 'জুন্বা', সংগীতা পাৰে মৰাঙৰ 'বড়াৰ পো'ৰ দেশত জিকমিকৰ এদিন' আৰু সান্ত্বনা চেলেঙৰ 'ৰূপালী দেশৰ সোণালী কথা'। উক্ত উপন্যাস কেইখন নীৰজ, ঋত আৱাহন, ভাস্কৰ, ডিম্পল, নয়নমণি, ময়ূখ আদি স্থানীয় শিশু-কিশোৰসকলে প্ৰতীকীভাৱে উন্মোচন কৰে। উল্লেখ্য যে, ২৫ জুলাইত ডিব্ৰুগড়ত এই গ্ৰন্থসমূহৰ উন্মোচনী সভা অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু ভয়াবহ বান পৰিস্থিতিৰ বাবে অনুষ্ঠানটো বাতিল কৰা হয়। ইয়াৰ পৰিৱৰ্তে আয়োজক সকলে অনাড়ম্বৰ আৰু প্ৰতীকী উন্মোচনৰ সিদ্ধান্ত গ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলেও অসমৰ বিভিন্ন প্ৰান্তৰ শিশু সাহিত্যিক সকলে ৰাজ্যখনৰ একাংশ লেখকৰ দ্বাৰা গঠিত "যাত্ৰা" হোৱাটছএপ গোটৰ জৰিয়তে বানপীড়িতসকলৰ বাবে ১০ হাজাৰ টকাৰ অনুদান আগবঢ়ায়। সাহিত্যচৰ্চাৰ সমান্তৰালভাৱে সামাজিক দায়বদ্ধতাৰ এই নিৰ্দশনে বহুতৰে দৃষ্টি আকৰ্ষণ কৰে। দয়-কাও-ৰং একাডেমীৰ সঞ্চালক টুনুজ্যোতি গগৈয়ে কয় যে প্ৰাকৃতিক বা সামাজিক সংকটৰ সময়ত সাহিত্যিক সকলৰ ভূমিকা কেৱল সৃষ্টিশীলতাৰ মাজতে আবদ্ধ হৈ নাথাকে; আৰ্তজনৰ কাষত থিয় হোৱাটোও তেওঁলোকৰ এক নৈতিক দায়িত্ব। তেওঁ লগতে কয় যে এই ১৪খন শিশু-উপন্যাস একাডেমিৰ উদ্যোগত আয়োজিত শিশু-সাহিত্য কৰ্মশালাৰ ফচল। অনুষ্ঠানত দয়-কাও-ৰং পথ-পুথিভঁৰালৰ নিয়মীয়া পাঠক-পাঠিকাৰ লগতে মোহনাঘাট অঞ্চলৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

জিলা প্ৰশাসন আৰু লোকনিৰ্মাণ বিভাগৰ জৰুৰী হস্তক্ষেপ

# মাজুলীৰ ফুটচাং-কান্ধুলীমাৰী সংযোগী পথত প্ৰকাণ্ড গাঁত

অসম বাৰ্তা, উজনী মাজুলী, মাজুলী জিলাৰ উজনি মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত লুইতপৰীয়া গাঁও পঞ্চায়তৰ ফুটচাং-কান্ধুলীমাৰী সংযোগী পথচোৱাত সৃষ্টি হোৱা এক প্ৰকাণ্ড গাঁতে এতিয়া অঞ্চলটোৰ যাতায়াত ব্যৱস্থাৰ বাবে তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। দীৰ্ঘদিন ধৰি পথচোৱাৰ কেইবাটাও অংশত 'ছাইড বাম' খহি যোৱাৰ উপৰিও শেহতীয়াকৈ হোৱা মুষলধাৰ বৰষুণৰ ফলত পেভাৰ ব্লকৰ তলৰ পৰা মাটি উটি গৈ এক বৃহৎ গাঁতৰ সৃষ্টি হৈছে। পথচোৱাৰ অন্তৰ্ভাগলৈকে মাটি খহি যোৱাৰ বাবে বৰ্তমান এই ব্যস্ত পথচোৱা এক অতি বিপদসংকুল স্থানলৈ ৰূপান্তৰিত হৈছে, যিয়ে স্থানীয় ৰাইজ তথা পথচাৰীসকলৰ মাজত তীব্ৰ শংকাৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, জিলাখনৰ লোকনিৰ্মাণ বিভাগে এই সদাব্যস্ত আৰু গুৰুত্বপূৰ্ণ পথচোৱাৰ ভয়ংকৰ অৱস্থা দেখা পাইও সম্পূৰ্ণ নিমাত হৈ আছে। বিশেষকৈ নিশাৰ অন্ধকাৰত এই পথেৰে অহা-যোৱা কৰা বাহন আৰু পথচাৰীৰ কাৰণে যিকোনো মুহূৰ্ততে এক ডাঙৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ পথ সুগম হৈ পৰিছে। দীৰ্ঘদিন ধৰি পথটো মেৰামতিৰ কোনো পদক্ষেপ গ্ৰহণ নকৰাত বিভাগটোৰ দায়িত্বজ্ঞানহীনতাক লৈ সৰ্বত্ৰে তীব্ৰ অসন্তুষ্টি প্ৰকাশ পাইছে। মন কৰিবলগীয়া যে, ২০১৮ বৰ্ষতে ফুটচাং-কান্ধুলীমাৰী সংযোগী পথৰ ছিগা অংশত এখন দলং নিৰ্মাণৰ বাবে 'ৰাজশেখৰ কনষ্ট্ৰাকছন্'নামৰ এটি প্ৰতিষ্ঠানক কামৰ আৱণ্টন দিয়া হৈছিল। উক্ত প্ৰতিষ্ঠানটোৱে দলঙৰ দুয়োপাৰে প্ৰায় ১০০ মিটাৰকৈ নিৰ্মাণ কৰা পথ অংশই এতিয়া তলি খহি মৰণফান্দত পৰিণত হৈছে। নিম্নমানৰ নিৰ্মাণকাৰ্যৰ বাবেই অতি কম সময়ৰ ভিতৰতে পথচোৱাৰ এনে অৱস্থা হৈছে বুলিও স্থানীয় লোকসকলে ক্ষোভ প্ৰকাশ কৰে। উল্লেখযোগ্য যে, উজনি মাজুলীৰ মুখ্য ব্যৱসায়িক কেন্দ্ৰ নতুন বজাৰলৈ সংযোগ স্থাপন কৰা এইটোৱেই হ'ল প্ৰধান পথ। অঞ্চলটোৰ কান্ধুলীমাৰী, টেঙাপনীয়া, কপাহতলী, লাচন চাপৰি, লাচন গাঁও, বনৰীয়া চাপৰি, ধনাই চাপৰি, গোঁসাইবাৰী, আৰু ভকতিদুৱাৰ আদি প্ৰায় কুৰিৰো অধিক গাঁৱৰ হাজাৰ হাজাৰ জনসাধাৰণে দৈনিক ব্যৱসায়-বাণিজ্য, শিক্ষা, তথা চিকিৎসা সেৱাৰ বাবে এই পথেৰেই যাতায়াত কৰে। তাৰ উপৰিও বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু জৰুৰীকালীন ৰোগী কঢ়িয়াওৱা বাহনৰ বাবেও পথটো অত্যন্ত গুৰুত্বপূৰ্ণ। এনে এক গুৰুত্বপূৰ্ণ পথত লোকনিৰ্মাণ বিভাগৰ চৰম অৱহেলা আৰু দুৰ্বল নীতিৰ বাবেই গাঁতটোৱে এতিয়া 'মৃত্যুদূত'ৰ ৰূপ ধাৰণ কৰা বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। অনাকাংক্ষিতভাৱে ডাঙৰ দুৰ্ঘটনা সংঘটিত হৈ কাৰোবাৰ অমূল্য জীৱন হেৰুওৱাৰ আগতেই, উক্ত মৰণফান্দ সদৃশ গাঁতটো ক্ষিপ্ৰতাৰে মেৰামতি কৰাৰ বাবে মাজুলী জিলা প্ৰশাসন তথা লোকনিৰ্মাণ বিভাগক স্থানীয় ৰাইজে জনপ্ৰতিনিধি আৰু বিভাগীয় কৰ্তৃপক্ষৰ জৰুৰী হস্তক্ষেপ দাবী জনাইছে।

# মাকুম আৰক্ষীৰ জালত চাৰি চোৰ

**অসম বাৰ্তা, মাকুম, ৫ আগষ্ট ঃ** দীৰ্ঘদিন ধৰি মাকুম অঞ্চলত ইটোৰ পিছত সিটো চুৰিকাণ্ড সংঘটিত কৰি সন্ত্ৰাস সৃষ্টি কৰি থকা চাৰি অভিযুক্ত চোৰক আজি মাকুম আৰক্ষীয়ে অৱশেষত আটক কৰিবলৈ সক্ষম হয়। আটকাধীন চোৰ কেইটা ক্ৰমে মাকুম লোহাৰী পট্টিৰ মণ্টু শৰ্মা (৩০) চিকৰাজান গাঁৱৰ ৰক্তিম দাস (৩০) মাকুম জ্যোতি নগৰৰ ৰাজা প্ৰধান (৩৪) আৰু মাকুম সুন্দৰ নগৰৰ নিৰজ সিং (২৭)। গোপন তথ্য আৰু ধাৰাবাহিক তদন্তৰ ভিত্তিত অভিযান চলাই মাকুম সমজিলা অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি টেৰণ আৰু মাকুম আৰক্ষী থানাৰ পৰিদৰ্শক পুলক কুমাৰৰ নেতৃত্বত চাৰি অভিযুক্তক আটক কৰে। মাকুম আৰক্ষীয়ে ৩৭/২০২৬/ ইউ/এচ ৩৩১(৪)/৩০৫(এ) বি এন এচ, ২০২৩-ৰ অধীনত গোচৰ ৰুজো কৰি ধৃত চুৰ কেইটাক জেল হাজোতলৈ প্ৰেৰণ কৰে। আৰক্ষীৰ তথ্য অনুসৰি আটকাধীন চোৰ আটাইকেইটা নিষিদ্ধ নিচা জাতীয় দ্ৰব্য আদি সেৱনকাৰী, নিষিদ্ধ নিচা জাতীয় দ্ৰব্য সেৱন কৰিবলৈ ধনৰ অভাৱ হ'লে এনেধৰণৰ চুৰি কাণ্ড সংঘটিত কৰি সন্ত্ৰাসৰ সৃষ্টি কৰে।

# টংলাত উপেন্দ্ৰনাথ দাস আৰু পদ্ম ৰাম চৌধুৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৫ আগষ্ট ঃ** টংলা ক্ৰীড়া সন্থাৰ উদোগত অনুষ্ঠিত অৱসৰপ্ৰাপ্ত অধ্যক্ষ স্বৰ্গীয় উপেন্দ্ৰনাথ দাস আৰু স্বৰ্গীয় পদ্ম ৰাম চৌধুৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা আজিৰ পৰা শুভাৰম্ভ হয়। উদ্বোধনী খেলত অংশগ্ৰহণ কৰে কদমগুৰি ইউনিয়ন ফুটবল ক্লাব বনাম হাতীবান্ধা নিউ উইথ ফুটবল ক্লাব। খেল অনুষ্ঠিত হোৱাৰ প্ৰাক মুহূৰ্তত টংলা ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বড়ো(জিন্না) ই পতাকা উত্তোলন কৰি খেলখন উদ্বোধন কৰে। টংলা ষ্টেডিয়ামত আজি অনুষ্ঠিত খেলত কদমগুৰি ইউনিয়ন ফুটবল ক্লাবক হাতীবান্ধা নিউ উইথ ফুটবল ক্লাবে ১-০ গলত পৰাজিত কৰি জয়লাভ কৰে। বিয়ায়ী হাতীবান্ধা নিউ উইথ ফুটবল ক্লাবৰ মনচুমা বড়োৱে একমাত্ৰ গ'লটো দিবলৈ সক্ষম হয়। কাইলৈৰ খেলখন নাচনশালী এফ চি বনাম ভেটাৰাণ মাষ্টাৰ্ছ ওদালগুৰি এফ চিৰ মাজত অনুষ্ঠিত হ'ব।

# বুঢ়াপাহাৰত ভয়ংকৰ ভূমিস্খলন



**অসম বাৰ্তা, কলিয়াবৰ, ৫ আগষ্ট ঃ** নিশা প্ৰায় ২ বজাত ৭১৫ নং ৰাষ্ট্ৰীয় ঘাই পথটো নেৰানেপেৰা বৰষুণৰ ফলত বুঢ়া পাহাৰৰ পাহাৰৰ প্ৰকাণ্ড শিল, গছ আৰু মাটি খহি আহি ৰাষ্ট্ৰীয় পথটোৰ ওপৰত পৰে। ফলত কেইবাঘণ্টা ধৰি উজনি নামনিৰ যান-বাহনৰ যাতায়ত ব্যাহত হৈ পৰে। ৰাষ্ট্ৰীয় পথ কৰ্তৃপক্ষ, SDRF আৰু বনবিভাগৰ যুটীয়া প্ৰচেষ্টাত পুৱা প্ৰায় ৭ বজাত পথটোৰ এটা অংশ মুকলি কৰি যান-বাহন সমূহ যাতায়তৰ বাবে সুচল কৰি দিয়ে। জানিব পৰা মতে পথটো সম্পূৰ্ণ মুকলি হবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব।

# তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত "লোক কল্যাণ দিৱস-২০২৬" উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ আগষ্ট ঃ** অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী, ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু দিৱস উপলক্ষে সমগ্ৰ ৰাজ্যৰ লগতে তিনিচুকীয়া জিলাতো আজি তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত "লোক কল্যাণ দিৱস" জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উদ্‌যাপন কৰা হয়। লোক কল্যাণ দিৱসৰ কাৰ্যসূচীৰ আৰম্ভণিতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। "লোক কল্যাণ দিৱস"ৰ কাৰ্য্যসূচীত তিনিচুকীয়া জিলাৰ জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমানে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অৱদান শ্ৰদ্ধাৰে স্মৰণ কৰি তেখেতৰ আদৰ্শ আৰু চিন্তাধাৰা বৰ্তমানৰ সমাজ জীৱনৰ বাবে প্ৰেৰণাদায়ক বুলি উল্লেখ কৰাৰ লগতে ৰাজ্যখনৰ প্ৰতিগৰাকী ব্যক্তি তথা নৱপ্ৰজন্মৰ বাবে অনুকৰণীয় বুলি মন্তব্য আগবঢ়ায়। জিলা উন্নয়ন আয়ুক্তই অসম চৰকাৰে কৰ্মদক্ষ, নিষ্ঠাৱান তথা সৎ বিষয়া- কৰ্মচাৰীসকলক লোকসেৱাৰ পুৰস্কাৰেৰে পুৰস্কৃত কৰাৰ এই পদক্ষেপে অন্যান্য কৰ্মচাৰীসকলকো পৰৱৰ্তী সময়ত নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰাত যথেষ্ট উৎসাহিত কৰিব বুলি কয়। প্ৰতিগৰাকী চৰকাৰী কৰ্মচাৰীকে নতুনত্বক আদৰি পৰিৱৰ্তিত কৰ্মসংস্কৃতিৰ সৈতে নিজক খাপ খুৱাই সততা আৰু নিষ্ঠাসহকাৰে ৰাইজৰ সেৱাত ব্ৰতী হ'বলৈয়ো জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে আহ্বান জনায়। আজিৰ লোককল্যাণ দিৱসৰ কাৰ্যসূচীত নিষ্ঠা আৰু সততাৰে কৰ্ম সম্পাদন কৰা তিনিচুকীয়া জিলাৰ শদিয়া সমজিলা আয়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক যতীন সোণোৱাল, শদিয়া সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ জিলা প্ৰশাসনিক মুখ্য সহায়িকা জোনামণি কলিতা আৰু ২৬ অসম বেটেলিয়ন এনচিচি, ডিগবৈৰ কনিষ্ঠ সহায়ক খুপমিন গুইটক অসম চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা "লোকসেৱা-২০২৬"ৰ পুৰস্কাৰ প্ৰদান কৰা হয়। আজিৰ সভাত অতিৰিক্ত জিলা আয়ুক্ত খুচী ক'ৱৈনীয়া, অতিৰিক্ত জিলা আয়ুক্ত জগমীৰ ৰংফাৰপি, ডিগবৈ সমজিলা আয়ুক্ত ফিলিচ ভি.এল.এইচ হুংচাল, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ মিনাক্ষী হাজৰিকা প্ৰমুখ্যে বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়া তথা কৰ্মচাৰী আৰু জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

# ডিব্ৰুগড়ত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় পৰিদৰ্শন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৫ আগষ্ট ঃ** অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে ডিব্ৰুগড়ত আজি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে। এই উপলক্ষে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় ভৱনত অনুষ্ঠিত এখন সভাত মন্ত্ৰী গৰাকীয়ে বিশ্ববিদ্যালয়খনৰ বৰ্তমানৰ পাঠ্যক্ৰম, অন্তঃগাঁথনি আৰু বিভিন্ন সমস্যাৰাজিৰ বিষয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষ লগত আলোচনা কৰে। বিশ্ববিদ্যালয়খনে দীৰ্ঘদিনৰ পৰা আবেদন কৰি অহা বিভিন্ন সমস্যা যেনে-শিক্ষক নিযুক্তি, বিষয়া, কৰ্মচাৰী নিযুক্তি আদি সম্পৰ্কীয় কাম বিলাক অতি শীঘ্ৰে কৰিবলৈ মন্ত্ৰীগৰাকীয়ে ক্ৰীড়া বিভাগৰ বিশেষ সচিবক নিৰ্দেশনা দিয়ে। বিশ্ববিদ্যালয়খনে সন্মুখীন হৈ অহা অন্যান্য সমস্যাৰাজিৰ বিষয়ে লগতে বিশ্ববিদ্যালয়খনৰ উন্নতিৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰীৰ লগতো আলোচনা কৰিব বুলি তেখেতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক প্ৰতিশ্ৰুতি প্ৰদান কৰে। আলোচনাৰ সময়ত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য হীৰেন্দ্ৰ নাথ শৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰকে প্ৰমুখ্য কৰি বহুতো বিষয়া কৰ্মচাৰী উপস্থিত থাকে। বিশ্ববিদ্যালয়খনৰ উন্নতিৰ বাবে এইবাৰ দৃঢ়ভাৱে পদক্ষেপ গ্ৰহণ কৰি বিশ্ববিদ্যালয়খনক উন্নতিৰ দিশত আগবঢ়াই নিব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰে।

■ বুজ ল'লে অঞ্চলটোৰ বানপীড়িত ৰাইজৰ ■

# বামুণপুখুৰী ১৩ বছৰীয়া ৰিদিপ পানিকাৰ পৰিয়ালৰ কাষত মুখ্যমন্ত্ৰী



**অসম বাৰ্তা, নামতি, ৫ আগষ্ট ঃ** বান বিধ্বস্ত নাজিৰা বামুণপুখুৰীত আজি উপস্থিত হয়হি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোঁহাই, মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক তৰংগ গগৈ সহ মুখ্যমন্ত্ৰী জনে বামুণপুখুৰী আৰু টেঙাহোলা অঞ্চলৰ বান বিধ্বস্ত পৰিস্থিতিৰ বুজ লোৱাৰ লগতে নিজৰ মৰমৰ কুকুৰটো বচাবলৈ গৈ বানত উটি যোৱা ৰিদিপ পানিকাৰ পৰিয়ালক সাক্ষাৎ কৰি ৫ লাখ টকাৰ চেক প্ৰদান কৰে। ৰিদিপ পানিকাৰ পিতৃ মাতৃক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী জনে এই অনাহুত ঘটনাৰ বাবে দুখ প্ৰকাশ কৰাৰ লগতে পৰিয়ালটোক সৰ্বতোপ্ৰকাৰে চৰকাৰে সহায় কৰাৰ আশ্বাস দিয়ে। অৱশ্যে মুখ্যমন্ত্ৰী জনে ক্ষতিপূৰণৰ ব্যৱস্থা চৰকাৰে কৰিব যদিও 'বেটাটোটো ঘূৰাই দিব নোৱাৰো' বুলি আক্ষেপ প্ৰকাশ কৰি অনাগত সময়ত অঞ্চলটো বানৰ কবলত নপৰাৰ বাবে সকলো ব্যৱস্থা কৰা হব বুলি আশ্বাস প্ৰদান কৰে। ইয়াৰোপৰি মুখ্যমন্ত্ৰী জনে বামুণপুখুৰী বিস্তীৰ্ণ এলেকাৰ লগত বামুণপুখুৰী চাহ বাগিচা এলেকাৰ সকলো ৰাইজক চৰকাৰে যথোপযুক্ত সহায় কৰা হব বুলি আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে নাজিৰাত বানত সৰ্বাধিক ক্ষতি হোৱা অঞ্চলসমূহৰ ভিতৰত বামুণপুখুৰী আৰু টেঙাহোলা আছিল অন্যতম।


NAME CORRECTION

My true and correct name is NAMITA DEVI which is recorded in my all relevant documents including my Aadhaar Vide No.- 4373 6146 4734 and Voter Id Vide No.- DBG3037534 etc. But the same has been wrongly recorded in the ASSAM GRAMIN VIKASH BANK, Branch- LAKHIGANJ Account No-71500100074 as NOMITA NATH instead of NAMITA DEVI. And my husband true and correct name is NISHIKANTA NATH which is recorded in my all relevant documents including my Aadhaar Vide No.- 2515 4340 9591 and Voter Id Vide No.- DBG3037523 etc. But the same has been wrongly recorded in the ASSAM GRAMIN VIKASH BANK, Branch- LAKHIGANJ Account No- 7150010006839, IFSC Code- PUNBORRBAGB (7150) as NISHI NATH instead of NISHIKAN. NISHI NATH and NISHIKANTA NATH both are one and same person i.e. my Husband and I hereby declare that, NAMITA DEVI and NOMITA NATH are one and same person i.e. myself.

Sd/
NAMITA DEVI
NISHIKANTA NATH
VILL: Udmari Pt.III,
PO: Lakhiganj Bazar,
Sub District: Bilasipara,
District: Dhubri,
State: Assam,
PIN Code: 783345

AB-114/2026


# জাঁজী ফুলপানীচিগাৰ মাজুমেলীয়াত সমূহীয়া কঠীয়া সিঁচাৰ শুভাৰম্ভ

**অসম বাৰ্তা, জাঁজী, ৫ আগষ্ট ঃ** যোৱা ১৯ জুলাইত অহা বিধ্বংসী বানপানীয়ে শিৱসাগৰ জিলাৰ ফুলপানীচিগা অঞ্চলকে ধৰি বিস্তীৰ্ণ এলেকাৰ কৃষিভূমি, ঘৰ-দুৱাৰ আৰু জীৱিকাৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। বহু কৃষকৰ কঠীয়া, শস্য আৰু খেতিপথাৰ সম্পূৰ্ণৰূপে নষ্ট হোৱাত তেওঁলোকৰ মাজত হতাশাৰ সৃষ্টি হৈছিল। এনে সংকটময় সময়ত বানাক্ৰান্ত কৃষকসকলক পুনৰ কৃষিকাৰ্যলৈ ঘূৰাই অনাৰ লক্ষ্যৰে আজি জাঁজী ফুলপানীচিগাৰ মাজুমেলীয়া গাঁৱৰ বটানি খেল পথাৰত সমূহীয়া কঠীয়া সিঁচাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত মৰাবজাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী পৰীস্মিতা নেওগ, কৃষি উন্নয়ন বিষয়া, গাঁওবুঢ়া, ৱাৰ্ড সদস্যা গীতাঞ্জলি গগৈকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। তেওঁলোকে কৃষকসকলক সাহস যোগোৱাৰ লগতে কৃষি পুনৰুদ্ধাৰৰ ক্ষেত্ৰত সকলোৱে সমন্বিত সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই কাৰ্যসূচীত সমাজকৰ্মী অম্বৰিস গগৈ, সমাজসেৱক মনোজ গগৈ আৰু মাজুমেলীয়া গাঁৱৰ যুৱকসকলে স্বেচ্ছাসেৱক হিচাপে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি কঠীয়া সিঁচাৰ কামত সহায় আগবঢ়ায়। বানৰ দুৰ্যোগৰ পিছতো একেলগে কাম কৰি কৃষকসকলৰ মুখত পুনৰ হাঁহি বিৰিঙাবলৈ তেওঁলোকৰ এই পদক্ষেপক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰে। স্থানীয় কৃষকসকলে কয় যে, সমূহীয়া উদ্যোগ, পঞ্চায়ত, কৃষি বিভাগ আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সহযোগিতাই তেওঁলোকক নতুনকৈ খেতিকাৰ্য আৰম্ভ কৰাৰ সাহস যোগাইছে। সময়মতে কঠীয়া সিঁচা সম্পন্ন হ'লে চলিত বৰ্ষতো উৎপাদন কিছু পৰিমাণে উদ্ধাৰ কৰিব পৰা যাব বুলি আশা প্ৰকাশ কৰে। বানৰ বিভীষিকাৰ মাজতো এই সমূহীয়া কঠীয়া সিঁচাৰ শুভাৰম্ভে কৃষিজীৱী ৰাইজৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰাৰ লগতে ঐক্য, সহযোগিতা আৰু সামাজিক দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে।

দুৰ্ঘটনাত নিহত এক, আহত এক

# ডিমাকুছিৰ শুক্লাইত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৫ আগষ্ট ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত শুক্লাইত মঙ্গলবাৰে আবেলি ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। মৃত্যু দূতত পৰিণত হৈ পৰিছে ওদালগুৰি-তামোলপুৰ সংযোগী পথ। মঙ্গলবাৰে ওদালগুৰি-তামোলপৰ পথৰ ডিমাকুছিৰ শুক্লাইত এ.এছ- ১৬-এ.চি-৩৯৮৬ নম্বৰৰ এন.এছ. পালছাৰ বাইক আৰু এ.এছ-০১-জি.পি-০৪৩৬ নম্বৰৰ কেঁচা চাহপাত কঢ়িওৱা ডিআই বাহনৰ সৈতে সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনাতো। দুৰ্ঘটনাত থিতাতে নিহত এজন, আনহাতে আন এজন যুৱক আহত হয়। বাতৰি সংগ্ৰহ কৰা সময়লৈকে নিহত যুৱকজনৰ সম্পূৰ্ণ তথ্য পোৱা নাই যদিও ডিব্ৰুগড়ৰ সুনীল দাস বুলি জানিব পৰা গৈছে। আনহাতে ভয়ংকৰ পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত নালাপাৰাৰ ৰবিন্দ্ৰ কলিতাৰ কনিষ্ঠ পুত্ৰ ৰক্তিম কলিতা গুৰুত্বৰ ভাৱে আহত হয়। ঘটনাস্থলীত ডিমাকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হীৰক জ্যোতি দাসৰ সৈতে যোৱা আৰক্ষীয়ে নিহত যুৱকজনক উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে গুৰুতৰভাৱে আহত ৰক্তিম কলিতাক সংকটজনক অৱস্থাত চিকিৎসালৈ প্ৰেৰণ কৰে।

অইল কৰ্তৃপক্ষই কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ

# মাকুম বাৰেকুৰিৰ মৎস্য খেতিলৈ ক্ৰুড অইলে কঢ়িয়াই আনিছে ভাবুকি

**অসম বাৰ্তা, মাকুম, ৫ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ মাকুম অঞ্চলৰ বাৰেকুৰি গাঁৱৰ নিবাসী তথা মহিলা মৎস্য খেতিয়ক জিনামনি চেতিয়াৰ চাৰি বিঘা মাটিৰে আৱৰি থকা তেওঁৰ পুখুৰীত ক্ৰুড অইল মিহলি হোৱাৰ ফলত মাছবোৰ ক্ৰমান্বয়ে মৃত্যু হ'বলৈ ধৰিছে। অভিযোগ অনুসৰি, বাৰেকুৰি ডেংকাত অৱস্থিত পুখুৰীটোৰ পৰা প্ৰায় ৩০০ মিটাৰ আঁতৰৰ দ্ৰুত উৎপাদন ছেটআপ (QPS) টোৰ পৰা কিছুদিন ধৰি ধাৰাসাৰ বৰষুণৰ ফলত নিৰ্গত হোৱা ক্ৰুড অইল পুখুৰীটোলৈ বৈ অহাত পানী দূষিত হৈ পৰে। ইয়াৰ ফলত পুখুৰীত পালন কৰা মূল্যৱান মাছসমূহৰ জীৱন সংকটত পৰিছে। মৎস্য পালনৰ জৰিয়তে জীৱিকা নিৰ্বাহ কৰা জিনামনি চেতিয়াই এই পুখুৰীৰ পৰা উন্নত উৎপাদনৰ আশা কৰিছিল যদিও ক্ৰুড অইলৰ প্ৰদূষণে তেওঁৰ সেই সপোন যেন আধৰুৱা কৰি পেলোৱাৰ উপক্ৰম হৈছে। ইতিমধ্যে বহু মাছৰ মৃত্যু হোৱাৰ ফলত তেওঁ ব্যাপক আৰ্থিক লোকচানৰ আশংকা প্ৰকাশ কৰি দুখ প্ৰকাশ কৰে। তদুপৰি এই দ্ৰুত উৎপাদন ছেটআপ (QPS) স্থাপন কৰাৰ আৰম্ভণি দিনৰ পৰাই শব্দ আদি প্ৰদূষণে স্থানীয় ৰাইজৰ মাজত অশান্তিময় পৰিৱেশে বিৰাজ কৰি আহিছে বুলি মহিলা গৰাকীয়ে অভিযোগ উত্থাপন কৰে। এই সমস্যা সমূহৰ সন্দৰ্ভত জিনামনি চেতিয়াই অইল ইণ্ডিয়া লিমিটেডৰ কৰ্তৃপক্ষক লিখিত অভিযোগ দিছিল যদিও বিভাগীয় কৰ্তৃপক্ষৰ তৰফৰ পৰা কোনো ধৰণৰ সঁহাৰি নোপোৱাত মহিলা গৰাকীয়ে উপায় বিহীন হৈ সংবাদ মাধ্যমৰ কাষ চাপি পুনৰবাৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ ব্যৱস্থা আৰু ক্ষতিপূৰণ প্ৰদানৰ বাবে সংশ্লিষ্ট বিভাগ আৰু তেল কোম্পানী কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

# চেলেংহাটত টীয়ক নদীৰ প্ৰলয়ংকাৰী বান

**অসম বাৰ্তা, চেলেংহাট, ৫ আগষ্ট ঃ** যোৰহাট জিলাৰ চেলেংহাট অঞ্চলৰ অন্যতম কৃষি প্ৰধান এলেকা লেফেৰা, হালোৱা পথাৰ, খনিকৰ আদি বৃহত্তৰ অঞ্চলত টীয়ক নদীৰ বানে সৃষ্টি কৰিছে হাহাকাৰ পৰিস্থিতি। নদীখনত কোনো ধৰণৰ সুদৃঢ় মথাউৰি নথকাৰ বাবে সামান্য বৰষুণতেই টীয়ক নদীৰ পানী উফন্দি পৰি সমগ্ৰ কৃষিভূমি আৰু জনবসতি অঞ্চল প্লাবিত কৰি পেলায়। বিগত এটা মাহৰ ভিতৰতে প্ৰায় ৫ বাৰকৈ টিয়ক নদীৰ পানীয়ে লেফেৰা, খনিকৰ আৰু ইয়াৰ কাষৰীয়া গাঁওসমূহৰ ঘৰ-দুৱাৰ তথা খেতি-পথাৰ সম্পূৰ্ণৰূপে বুৰাই পেলাইছে। শেহতীয়াকৈ কালিৰে পৰা পুনৰ পানীৰ স্তৰ বঢ়াৰ ফলত লেফেৰা গাঁৱৰ প্ৰায় সমূহ পৰিয়ালৰ ঘৰ বৰ্তমান পানীৰ তলত। উপায়হীন হৈ গাঁওবাসীয়ে বৰ্তমান পথৰ ওপৰত আশ্ৰয় লৈ দিন নিয়াবলগীয়া হৈছে। ভুক্তভোগী ৰাইজৰ অভিযোগ মতে, চৰকাৰে ঘোষণা কৰা ১৫,০০০ টকাৰ বিশেষ সাহায্য বা অন্যান্য কোনোধৰণৰ চৰকাৰী সাহায্য বৰ্তমানলৈকে তেওঁলোকে লাভ কৰা নাই। আনকি খোৱাপানী এটুপিৰ পৰাও বঞ্চিত হৈ পৰিছে অঞ্চলটো। খোৱাপানী যোগান ব্যৱস্থা নথকাৰ বাবে অঞ্চলটোৰ ৰাইজে ১২ মাহেই পুখুৰীৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। কিন্তু বানৰ পানীয়ে পুখুৰীবোৰ একাকাৰ কৰি পেলোৱাত এতিয়া খোৱাপানীৰ বাবে তীব্ৰ হাহাকাৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে কাষৰীয়া গাঁওসমূহ আৰু বানৰ পৰা ৰক্ষা পোৱা দুই-এঘৰ মানুহৰ সহযোগত খাদ্য-সামগ্ৰী সংগ্ৰহ কৰি আছে বুলি জানিবলৈ দিয়ে। অঞ্চলটোৰ স্থানীয় গাঁওবুঢ়াই বান সমস্যাটোক কোনো গুৰুত্ব নিদিয়াৰ গুৰুতৰ অভিযোগ তুলিছে ৰাইজে। অনতিপলমে জিলা প্ৰশাসন আৰু চৰকাৰে গাঁওখনত খাদ্য-সামগ্ৰী, বিশুদ্ধ খোৱাপানী আৰু জৰুৰী সাহায্য মুকলি কৰি দিয়াৰ দাবী উত্থাপন কৰিছে বানাক্ৰান্ত ৰাইজে।

## মাকুম মহাবিদ্যালয়ত বিধায়ক সঞ্জয় কিষাণৰ উপস্থিতিত ‘নিযুত মইনা’ আৰু ‘নিযুত বাবু’ আঁচনিৰ আবেদন-পত্ৰ বিতৰণ



**অসম বাৰ্তা, মাকুম, ৬ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰীৰ ‘নিযুত মইনা আঁচনি’ আৰু ‘নিযুত বাবু আঁচনি’ৰ অধীনত আবেদন-পত্ৰ বিতৰণ কাৰ্যসূচী আজি ৰাজ্যৰ ৪৫২খন শিক্ষানুষ্ঠানত একেলগে অনুষ্ঠিত হয়। এই উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা আভাসিকভাৱে সংযুক্ত হৈ ৰাজ্যবাসী তথা ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আঁচনি দুখনৰ উদ্দেশ্য আৰু উপকাৰিতাৰ বিষয়ে আলোকপাত কৰে। ইয়াৰ সমান্তৰালভাৱে মাকুম মহাবিদ্যালয়তো এক অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মালবিকা ভূঞা ফুকনৰ উপস্থিতিত মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষানে মুখ্য অতিথি হিচাপে উপস্থিত থাকি যোগ্য ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ‘নিযুত মইনা আঁচনি’ আৰু ‘নিযুত বাবু আঁচনি’ৰ আবেদন-পত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। অনুষ্ঠানত বিধায়ক সঞ্জয় কিষানে ‘নিযুত মইনা আঁচনি’ আৰু ‘নিযুত বাবু আঁচনি’ৰ আবেদন-পত্ৰসমূহ চৰকাৰে নিৰ্ধাৰণ কৰা নিয়ম-নীতি অনুসৰি সঠিকভাৱে পূৰণ কৰিবলৈ শিক্ষাৰ্থীসকলক পৰামৰ্শ আগবঢ়ায়। লগতে তেওঁ এই আঁচনি দুখনে ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণ আৰু ভৱিষ্যতৰ কৰ্মসংস্থাপনৰ ক্ষেত্ৰত অধিক উৎসাহিত কৰাৰ লগতে আত্মনিৰ্ভৰশীল হোৱাৰ পথ সুগম কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# উজনি অসমৰ প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত লোকক অসম সত্ৰ মহাসভাৰ সাহায্য সামগ্ৰী বিতৰণ; এঘাৰখন গাড়ীত বৃহৎ সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, উজনী মাজুলী, ৬ আগষ্ট ঃ** অসমৰ অন্যতম জাতীয় অনুষ্ঠান “অসম সত্ৰ মহাসভা”ৰ উদ্যোগত যোৱা ১ আগষ্টৰ পৰা ৩ আগষ্টলৈ উজনি অসমৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। মহাসভাই এঘাৰখন সামগ্ৰী ভৰ্তি গাড়ী লৈ তিনিদিন ধৰি শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিভিন্ন প্ৰান্তত বানপীড়িত ৰাইজক সাক্ষাৎ কৰে আৰু বিভিন্ন সাহায্য সামগ্ৰী বিতৰণ কৰে। উজনি অসমৰ বন্যাৰ্তসকলক সাহায্য প্ৰদান কৰাৰ উদ্দেশ্যে অসম সত্ৰ মহাসভাৰ দলটোৱে ১ আগষ্টত প্ৰথম শিৱসাগৰ জিলাৰ বানপীড়িত ৰাইজক সাক্ষাৎ কৰে। অসম সত্ৰ মহাসভাৰ বৰ্তমানৰ সম্পাদক প্ৰধান মৰিগাঁও জিলাৰ শ্ৰীশ্ৰী কালশিলা সত্ৰৰ সত্ৰাধিকাৰ কুসুম কুমাৰ মহন্তৰ নেতৃত্বত শিৱসাগৰ জিলাৰ চাৰি ঠাইত, চাৰিদিন বান সাহায্য বিতৰণ কৰে। উক্ত, দলটোত উত্তৰ গুৱাহাটী পৰম শিৱম শিৱ মন্দিৰৰ স্বামী কেশৱ দাস মহাৰাজ, অসম যুৱ তীৰ্থ - অসমৰ সভাপতি জানমণি মহন্ত, গুৱাহাটী মহানগৰ জিলা সত্ৰ মহাসভাৰ সভাপতি জীৱনানন্দ হাজৰিকা, সতী ৰাধিকা মহিলা তীৰ্থৰ পত্ৰিকা সম্পাদক দীপান্বিতা গোস্বামী মহন্ত, গুৱাহাটী মহানগৰ জিলা সমিতিৰ উপ-সভাপতি স্বপ্না দত্ত হাজৰিকা, যোৰহাট দীঘলী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ হেমচন্দ্ৰ মহন্তৰ পত্নী পুষ্পাঞ্জলি মহন্ত, পৰীক্ষা পৰিষদৰ বিষয়ববীয়া প্ৰভাত গোস্বামী, বিকাশ শইকীয়াসহ তিনি গৰাকী মহিলা কৰ্মচাৰী, গোলাঘাটৰ সদস্য সুশীল শইকীয়া, ৰাণু হাজৰিকা, মাজুলী চামগুৰি সত্ৰৰ জিতু বৰা, শোণিত বৰুৱা, উত্তৰ গুৱাহাটী গো সন্মান আন্দোলনৰ দুগৰাকী সদস্যাসহ উক্ত সত্ৰ মহাসভাৰ দলটোত উপস্থিত থাকে। দলটোৱে ৩১ জুলাইত সাহায্য সামগ্ৰী লৈ ছয়খন গাড়ীৰে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহি যোৰহাটৰ মুখ্য কাৰ্যালয়ত সমবেত হয়। যিহেতু ডাঙৰ গাড়ী বিধস্ত অঞ্চললৈ যাব নোৱাৰে গতিকে ডাঙৰ গাড়ী ঘূৰাই পঠোৱা হয়। ১ আগষ্টৰ ৰাতি প্ৰথমে সত্ৰ মহাসভাৰ শিৱসাগৰ জিলাৰ সভাপতি সম্পাদকসকলৰ লগত আলোচনা কৰি ঠাই দেখুৱাই দিবলৈ আৰু বিধস্ত অঞ্চললৈ যাবৰ বাবে ব্যৱস্থা কৰি ভাৰপ্ৰাপ্ত সভাপতি সৌৰভ মহন্ত, উপ-সভাপতি উৎসৱানন্দ মহন্ত, সাংগঠনিক সম্পাদক পদ্ম শইকীয়া, বিতোপন মহন্ত, অভিষেক মহন্ত, অভিজ্ঞান মহন্তসহ দলটোৱে সত্ৰ মহাসভাৰ দলটোক বাট দেখুৱাই দুৰ্গত অঞ্চললৈ লৈ যায়। উক্ত, দলটোৱে ২ আগষ্ট তাৰিখে পুৱা প্ৰায় ৯ বজাৰ পৰা গাড়ীৰ ভিৰ ফালি ফালি ১১খন গাড়ীৰে গৈ ১ মান বজাত শিৱসাগৰ বিহুবৰত উপস্থিত হয়গৈ। পুলিচ আৰু সহায়কাৰী মানুহৰ লগত কথা পাতি সত্ৰ মহাসভাৰ দলটোৱে তিনিখন ডাঙৰ চকাৰ গাড়ীৰে ১৭জন মানুহ নেপালী খুটীত উপস্থিত হৈ সাহায্য সামগ্ৰী বিতৰণ কৰে। ইফালে অসম সত্ৰ মহাসভাৰ আহ্বান শুনি বহুলোকে নিজৰ সামৰ্থ অনুসৰি আগবঢ়োৱা ধনেৰে প্ৰায় ২৫০ টোপোলা খাদ্য সামগ্ৰী, ৩৫০খন তুলি, বিভিন্ন ধৰণৰ কাপোৰ, পঢ়ি থকা সকললৈ বহী, কলম, পেঞ্চিল, ব্লিচিং পাওদাৰ, চাৰ্ফ, চাবোন, চাউল, ডাইল, আলু, মাস্ক আদি বিভিন্ন বস্তু ভৰাই ২৫০ টাৰ অধিক টোপোলা তৈয়াৰ কৰা হয়। উক্ত,



সাহায্য সামগ্ৰীত কেশৱ দাস মহাৰাজ স্বামীজীৰ দ্বাৰা আগবঢ়োৱা বিভিন্ন বস্তুৰ লগত ২৫০খন টিৰ্পাল উল্লেখযোগ্য। উক্ত, সাহায্য সামগ্ৰীত জীৱনানন্দ হাজৰিকা দেৱৰ পৰিয়ালৰ তৰফৰ পৰা ১৫০খন আঁঠুৱা, ১৫০টা স্কুল বেগ, বহী, কলম, চাবোন, চাৰ্ফ, ৬০০ মান মাস্ক আদি বিভিন্ন সামগ্ৰীৰ টোপোলা বিতৰণ কৰা হয়। মাজুলীৰ শ্ৰীশ্ৰী প্ৰাচীন চামগুৰি সত্ৰৰ ডেকা সত্ৰীয়া তথা বিশিষ্ট ব্যৱসায়ী হৰেণ মহন্ত আৰু তেওঁৰ পত্নী কুৱঁৰী মহন্তই আগবঢ়োৱা তিনি শতাধিক খাদ্যৰ টোপোলা, ৩০০টা ফেনাইলৰ বটল, তিনি শতাধিক ছেনিটেৰী নেপকিন পেকেট, অসম সত্ৰ মহাসভাৰ মুখপাত্ৰ তথা বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যাপক তাৰানাথ মহন্তই আগবঢ়োৱা ৭৬খন শোৱা তুলি, আৰু অন্যান্য কাপোৰ বিতৰণ কৰা হয়। লগতে, পুষ্পাঞ্জলি মহন্তই আগবঢ়োৱা ৪৫টা ফৰমেল চাৰ্ট, মাজুলীৰ চামগুৰি সত্ৰৰ মহিলা সকলে ১০ টোপোলা বাচন বৰ্তন কেৰাহী, চচপেন, মগ, হেতা, গিলাচ, কটাৰী, চামুচ, নাৰিকল তেলৰ টেমা, চাবোন, চাৰ্ফ, বহু কেইগৰাকী লোকে আগবঢ়োৱা কাপোৰ ইত্যাদি বান বিধস্ত অঞ্চলত বিতৰণ কৰে। সত্ৰ মহাসভাৰ দলটোৱে প্ৰথমে নেপালী খুটীৰ চল্লিশটা পৰিয়ালৰ বাবে ৪০ টাকৈ খাদ্যৰ টোপোলা, ৪০খন তুলি, পিন্ধিবলৈ চোলা, স্কাৰ্ট-টপ্, বাচন বৰ্তন সকলো, ফেনাইল, ছেনিটেৰী নেপকিন সমানে সমানে ভাগ কৰি দিয়া হয়। নেপালী খুটীৰ লগতে লাগি থকা মাজ গাঁৱৰ ৬০ ঘৰ মানুহকো সকলো বস্তু প্ৰদান কৰা হয়। বিহুবৰ অঞ্চলৰ পথৰ দাঁতিত তমবু তৰি থকা বহু কেইটা পৰিয়ালৰ মাজত প্ৰতিটো বস্তুৰ টোপোলা, শোৱা তুলি আদি বিতৰণ কৰা হয়। দলটোৱে লাকোৱা অভিমুখে গৈ থাকোঁতে বাটতে থকা কাঠনি পাৰ সত্ৰৰ ৪২ ঘৰ মানুহক একেদৰে সাহায্য বিতৰণ কৰা হয়। লাকোৱাৰ একেলগে থকা ৩০ ঘৰ মানুহক সাহায্য টোপোলা বিতৰণ কৰি গোমোঠা গাঁৱৰ ৰাইজৰ মাজত সমানে ক্ষতিগ্ৰস্ত হোৱা সত্ৰ মহাসভাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক অজয় বৰুৱা দেৱৰ ঘৰলৈ যোৱা হয় আৰু তেওঁৰ জৰিয়তে সেই অঞ্চলৰ ৩০ ঘৰ মানুহৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। তাৰ পাছত শ্ৰীশ্ৰী কাৰৈমাৰী সত্ৰত উপস্থিত হৈ কেইঘৰমান মানুহৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। উল্লেখযোগ্য যে সেই সত্ৰতে দিনটো ভোকে পিয়াহে জৰ্জড়িত হৈ সাহায্য সামগ্ৰী বিতৰণ কৰি ফুৰা লোক সকলৰ প্ৰায় ৩২জন লোকক লঘু আহাৰ যোগান ধৰে। তাৰপিছত নাওজান অঞ্চলত বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা প্ৰায় ৪০টা পৰিয়ালৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰিবলৈ সত্ৰ মহাসভাৰ সদস্য ৰুবুল মহন্তৰ হাতত সাহায্য সামগ্ৰী জমা দিয়া হয়। পাছত সন্ধিয়া ওচৰতে থকা ঐতিহ্যমণ্ডিত মুখা নিৰ্মাণৰ বাবে খ্যাত শ্ৰীশ্ৰী খাটপাৰ সত্ৰলৈ গৈ তাত সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। অসম সত্ৰ মহাসভাৰ উক্ত দলটোৱে ৩ আগষ্ট তাৰিখে চৰাইদেউ জিলাত বান সাহায্য সামগ্ৰী বিতৰণ কৰে। উক্ত, বান সাহায্য প্ৰদান কৰা সংশ্লিষ্ট সকলো দাতা আৰু সহায়কাৰী সকলোকে অসম সত্ৰ মহাসভাৰ মুখপাত্ৰ তথা বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যাপক তাৰানাথ মহন্তই কৃতজ্ঞতা জ্ঞাপন কৰিছে।

### নেপালীখুঁটিৰ বানবিধ্বস্ত লোকক পুনঃ সংস্থাপনৰ বাবে যাৱতীয় সামগ্ৰী প্ৰদান

## গেলেকীৰ সমাজকৰ্মী যুৱক হেমন্ত গগৈৰ মহানুভৱতা

**অসম বাৰ্তা, গেলেকী, ৫ আগষ্ট ঃ** উজনি অসমত এতিয়াও অব্যাহত আছে বানৰ সংহাৰী ৰূপ। ইয়াৰ ভিতৰত শিৱসাগৰ জিলাৰ নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত নেপালী খুটি অঞ্চলৰ অৱস্থা অত্যন্ত শোচনীয়া। ঘৰ-বাৰী হেৰুৱাই বহু লোক এতিয়াও ৰাষ্ট্ৰীয় ঘাইপথ আৰু অন্যান্য নিৰাপদ স্থানৰ শিবিৰত আশ্ৰয় লৈ থাকিবলগীয়া হৈছে। আপোন ঘৰখন হেৰুৱাই বেজাৰত বিভোৰ হৈ পৰা এই বানাক্ৰান্তসকলৰ কাষত ৰাজ্য চৰকাৰৰ সমান্তৰালকৈ ৰাজ্য তথা দেশৰ বিভিন্ন প্ৰান্তৰ মানৱদৰদী লোকসকল থিয় দিছে। ইফালে, অইনৰ দৰেই বানাক্ৰান্ত ৰাইজৰ দুখ-কষ্ট পাতল কৰিবলৈ দিনে-ৰাতিয়ে আত্মনিয়োগ কৰিছে গেলেকীৰ বিশিষ্ট যুৱ নেতা তথা সমাজসেৱক হেমন্ত গগৈয়ে। গেলেকীৰ বিভিন্ন অঞ্চলত একেৰাহে বানপীড়িত ৰাইজৰ কাষত উপস্থিত হৈ তেওঁ টিনপাত, বস্ত্ৰ, খাদ্য সামগ্ৰীৰ উপৰি পশু-ধনৰ বাবে ঘাঁহ-দানা আৰু অন্যান্য অতি প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰি আহিছে। ইয়াৰে ধাৰাবাহিকতা ৰক্ষা কৰি আজি সমাজকৰ্মী গগৈয়ে নেপালীখুঁটিৰ কেইবাটা বানপীড়িত পৰিয়ালৰ কাষত উপস্থিত হয়। তেওঁ আক্ৰান্ত লোকসকলৰ দুৰ্দশাৰ বুজ লোৱাৰ লগতে তেওঁলোকৰ পুনঃ সংস্থাপনৰ অৰ্থে বাসস্থান সাজিবলৈ টিন পাত আৰু অন্যান্য যাৱতীয় সামগ্ৰী আগবঢ়ায়। এই দুৰ্যোগৰ সময়ত হেমন্ত গগৈয়ে আগবঢ়োৱা এনে মানৱীয় পদক্ষেপক নেপালী খুটিৰ ৰাইজৰ লগতে স্থানীয় সৰ্বসাধাৰণে ভূয়সী প্ৰশংসা কৰিছে।

### শিৱসাগৰ আৰু চৰাইদেও জিলা সমিতিক প্ৰদান কৰা হ'ল অত্যাৱশ্যকীয় ঔষধ সামগ্ৰী

## গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ বানপীড়িত ৰাইজলৈ ঔষধ সাহায্য

**অসম বাৰ্তা, জাঁজী, অসম বাৰ্তা,** যোৱা ১৯ জুলাইত উজনি অসমৰ বিভিন্ন অঞ্চলত সংঘটিত ভয়াবহ বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা হাজাৰ হাজাৰ পৰিয়ালৰ কাষত থিয় দিছে বিভিন্ন স্বেচ্ছাসেৱী সংগঠন, সামাজিক অনুষ্ঠান আৰু ব্যক্তি। এই মানৱীয় প্ৰচেষ্টাৰ অংশ হিচাপে অসমৰ স্বাস্থ্য মন্ত্ৰীৰ গৃহজিলা তথা শোণিতপুৰ জিলাৰ গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা (R.P. Association)-ৰ জিলা সমিতিয়ে বানপীড়িত লোকসকলৰ বাবে কেইবাটাও কাৰ্টুন অত্যাৱশ্যকীয় ঔষধ, ফেনাইল, জীৱাণুনাশক সামগ্ৰী তথা বিভিন্ন প্ৰয়োজনীয় চিকিৎসা সামগ্ৰী শিৱসাগৰ জিলা সমিতি আৰু চৰাইদেও জিলা সমিতিৰ হাতত আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। সংস্থাৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়ে যে, বানৰ পিছত বিভিন্ন পানীজনিত আৰু সংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱৰ আশংকা বৃদ্ধি পায়। এনে পৰিস্থিতিত প্ৰয়োজনীয় ঔষধ আৰু স্বাস্থ্য সুৰক্ষাৰ সামগ্ৰী সময়মতে যোগান ধৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। সেই উদ্দেশ্য আগত ৰাখিয়েই এই সাহায্য আগবঢ়োৱা হৈছে। আনহাতে, গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থাৰ শিৱসাগৰ জিলা সমিতিয়েও বিগত কেইবাদিন বানাক্ৰান্ত ৰাইজৰ মাজত সহযোগিতা আগবঢ়াই আহিছে।

## উন্নয়নৰ পথত বাসুগাঁও সামূহিক স্বাস্থ্য কেন্দ্ৰ; পৰিচালনা সমিতি গঠন, পূৰণৰ দিশত দীৰ্ঘদিনীয়া স্বাস্থ্যসেৱাৰ অভাৱ



**অসম বাৰ্তা, বাসুগাঁও, ৬ আগষ্ট ঃ** দীৰ্ঘদিন ধৰি পৰিত্যক্ত অৱস্থাত থকা বাসুগাঁৱৰ ৩০ বিছনাযুক্ত সামূহিক স্বাস্থ্য কেন্দ্ৰ পুনৰ সক্ৰিয় কৰাৰ লক্ষ্যৰে বৃহস্পতিবাৰে স্বাস্থ্য কেন্দ্ৰ চৌহদত এখন পৰিচালনা সমিতি গঠন কৰা হয়। বি টি চি স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৱহাছাৎ বসুমতাৰীৰ তৎপৰতাত স্বাস্থ্য কেন্দ্ৰটোৰ উন্নয়নমূলক কাম-কাজে নতুন গতি লাভ কৰিছে। অনুষ্ঠানত বি টি চিৰ স্থানীয় পৰিষদীয় সদস্য তথা বাসুগাঁও পৌৰসভাৰ পৌৰপতি শুকুৰসিং মুছাহাৰীক সভাপতি আৰু ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ ৰূপা দেৱীক সদস্য-সচিব হিচাপে লৈ পৰিচালনা সমিতি গঠন কৰা হয়। সমিতিত প্ৰণৱ কুমাৰ ৰায়, অমৰেন্দ্ৰ নাৰ্জাৰী, কৰেন্দ্ৰ চন্দ্ৰ দাস, আশিস দেৱনাথ, অনিল বসুমতাৰী, মৌখম বসুমতাৰী, উত্তম মণ্ডল, অলকা ৰায়, ৰেখা বসুমতাৰী, ভৃগু মুনি ৰায় আৰু একাউণ্টেণ্ট অশোক কুমাৰ দত্তক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হয়। সভাত উপস্থিত ডি পি এম সোণাতন ইছৱাৰীয়ে পৰিচালনা সমিতিৰ নিয়মাৱলী, দায়িত্ব আৰু স্বাস্থ্য কেন্দ্ৰটোৰ উন্নয়নৰ বাবে সমন্বয়মূলকভাৱে কাম কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। তেওঁ লগতে স্বাস্থ্য কেন্দ্ৰটিত প্ৰসুতি সেৱা, চিজাৰিয়ান অপাৰেচন, সৰু অপাৰেচন, শিশু চিকিৎসা আদি অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা আৰম্ভ কৰাৰ লক্ষ্যৰ কথা উল্লেখ কৰে। অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া তথা বাসুগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ JAS কমিটিৰ সভাপতি ৰবীন্দ্ৰ কুমাৰ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত অঞ্চলটোৰ সমাজকৰ্মী আৰু বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে, প্ৰায় ২০ বছৰ পূৰ্বে নিৰ্মাণ কৰা স্বাস্থ্য কেন্দ্ৰটো ভূমি-সংক্ৰান্ত সমস্যাৰ বাবে দীৰ্ঘদিন ধৰি ব্যৱহাৰৰ বাহিৰত আছিল। সম্পূৰ্ণ চিকিৎসক, নাৰ্ছ আৰু প্ৰয়োজনীয় স্বাস্থ্যসেৱাৰ ব্যৱস্থা নিশ্চিত হ'লে বাসুগাঁও আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ দীৰ্ঘদিনীয়া স্বাস্থ্যসেৱাৰ অভাৱ দূৰ হ'ব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।

## কুমাৰ সশক্তিকৰণ আঁচনিৰ অধীনত দৰঙত বৈদ্যুতিক কুমাৰ চাক বিতৰণ

**অসম বাৰ্তা, দেওমৰনৈ, ৬ আগষ্ট ঃ** অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ সৌজন্যত SOPD(G)ৰ অধীনত ৰূপায়িত কুমাৰ সশক্তিকৰণ আঁচনিৰ জৰিয়তে আজি সহকাৰী সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগ, দৰং, মঙলদৈৰ কাৰ্যালয়ত বৈদ্যুতিক কুমাৰ চাক বিতৰণ কাৰ্যসূচী গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয়। উল্লেখ্য যে, SOPD(G)ৰ অধীনত ৰূপায়িত কুমাৰ সশক্তিকৰণ আঁচনিৰ মূল উদ্দেশ্য হৈছে পৰম্পৰাগত মৃৎশিল্পৰ সৈতে জড়িত কুমাৰসকলক আধুনিক সঁজুলি প্ৰদান কৰি উৎপাদন ক্ষমতা বৃদ্ধি কৰা, কৰ্মসংস্থাপনৰ সুযোগ সম্প্ৰসাৰণ কৰা, থলুৱা শিল্প-সংস্কৃতি সংৰক্ষণ কৰা আৰু তেওঁলোকক অৰ্থনৈতিকভাৱে অধিক স্বাৱলম্বী কৰি তোলা। অনুষ্ঠানত অসমৰ মাননিয়া পশুপালন-পশুচিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী শ্ৰীমতী নীলিমা দেৱীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি হিতাধিকাৰীসকলৰ মাজত বৈদ্যুতিক কুমাৰ চাক বিতৰণ কৰে। ভাষণত তেখেতে কয় যে, ৰাজ্য চৰকাৰে পৰম্পৰাগত কুমাৰ সমাজক আধুনিক প্ৰযুক্তিৰ সৈতে সংযুক্ত কৰি উৎপাদন বৃদ্ধি, আয় বৃদ্ধি আৰু আত্মনিৰ্ভৰশীলতাৰ পথ সুদৃঢ় কৰাৰ লক্ষ্যৰে এই আঁচনি ৰূপায়ণ কৰিছে। এই পদক্ষেপে কুমাৰসকলৰ জীৱন-জীৱিকাৰ মান উন্নয়নৰ লগতে থলুৱা মৃৎশিল্প সংৰক্ষণ আৰু বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। দৰং জিলাৰ হস্ত তাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সহকাৰী সঞ্চালিকা সীতা বড়াই সভানেত্ৰীত্ব কৰা সভাত জিলা পৰিষদৰ মাননিয়া সভানেত্ৰী শেৱালি গোস্বামী কলিতা, দৰং জিলা প্ৰশাসনৰ সহঃ আয়ুক্ত দিপু দাস, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহঃ পৰিচালক ননী দেৱী আৰু সদৌ অসম কুমাৰ সম্মিলনীৰ সম্পাদক হেমন্ত কুমাৰ দাসৰ লগতে বহু সংখ্যক ৰাইজ আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত মঞ্চত উপস্থিত অতিথি সকলে হিতাধিকাৰীসকলক বৈদ্যুতিক কুমাৰ চাকসমূহৰ যথাযথ ব্যৱহাৰৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰি আত্মনিৰ্ভৰশীল জীৱন গঢ়ি তোলাৰ বাবে আহ্বান জনায়।

## ভূৰাগাঁৱত আৰক্ষীৰ জালত চাৰি জুৱাৰী; নগদ ধনৰ লগতে ছখনকৈ বাইক জব্দ




**অসম বাৰ্তা, লাহৰীঘাট, ৬ আগষ্ট ঃ** লাহৰীঘাট সমজিলাৰ অন্তৰ্গত ভূৰাগাঁৱত জুৱাৰ বিৰুদ্ধে আৰক্ষীৰ তীব্ৰ অভিযান। যোৱা নিশা ভূৰাগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিশাল বনিকৰ নেতৃত্বত থানাখনৰ অন্তৰ্গত বালিপৰা জংঘলত অভিযান চলাই ৪ টাকৈ জুৱাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত জুৱাৰী কেইটা ক্ৰমে আজিজুল হক, হুছেইন আহমেদ, আব্দুল মোবাৰক আৰু আমিৰ হুছেইন বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। ধৃত জুৱাৰী কেইটাৰ লগতে আৰক্ষীয়ে জুৱাৰ আড্ডাৰ পৰা ৬খন মটৰ চাইকেল, নগদ ২৫ হাজাৰ টকা, মবাইল ৩টা আৰু জুৱাত ব্যৱহৃত সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। নিশা জুৱা খেলি থকা অৱস্থাত আৰক্ষীয়ে অভিযানৰ সময়ত আন কেইবাটা জুৱাৰী এন্ধাৰৰ সুযোগলৈ পলাই যাবলৈ সক্ষম হয়। দীৰ্ঘদিন ধৰি লাহৰিঘাট আৰু ভূৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত তীৰ, জুৱা, ড্ৰাগছ, ছাইবাৰ অপৰাধৰ দৰে অনৈতিক কাৰ্যকলাপ চলাই আহিছে একাংশ দুষ্ট চক্ৰই। আৰক্ষীয়ে মাজে মাজে এনে অনৈতিক কাৰ্যৰ বিৰুদ্ধে অভিযান চলাই একাংশক কৰায়ত্ত কৰি জেল হাজোতলৈ প্ৰেৰণ কৰি আহিছে যদিও কিছু দিন পিছত পুনৰ একাংশই এনে কাৰ্য কৰিবলৈ আৰম্ভ কৰে। সমাজত চলা এনে অনৈতিক কাৰ্য কলাপৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনক কঠোৰ হবলৈ স্থানীয় সচেতন মহলে আহ্বান জনায়।

### ২৪ ঘণ্টাই স্বাস্থ্যসেৱা লাভ কৰিব ৰাইজঃ দেৱহাছাত বসুমতাৰী

## গোসাইগাঁৱৰ শিমুলটাপুত ১০খন বিছনাযুক্ত চিকিৎসালয়ৰ আধাৰশিলা স্থাপন



**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৬ আগষ্ট ঃ** অসম-বংগ সীমান্তৱৰ্তী গোসাইগাঁৱৰ শিমুলটাপুত বুধবাৰে ১০খন বিছনাযুক্ত এখন চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। মাংগলিক অনুষ্ঠানৰ মাজেৰে আয়োজিত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্য্যবাহী সদস্য দেৱহাছাত বসুমতাৰী। প্ৰায় ২ কোটি ৪২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰি দেৱহাছাত বসুমতাৰীয়ে কয় যে চিকিৎসালয়খন সম্পূৰ্ণ হোৱাৰ পিছত বৃহৎ অঞ্চলটোৰ ৰাইজে ২৪ ঘণ্টাই উন্নত স্বাস্থ্যসেৱা লাভ কৰিব। ইয়াৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে বিভাগীয় কৰ্তৃপক্ষক চিকিৎসালয়খনৰ নিৰ্মাণকাৰ্য এবছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰে স্বাস্থ্য খণ্ডৰ বিভিন্ন সমস্যা সমাধান আৰু গ্ৰামাঞ্চলত উন্নত স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ লক্ষ্যৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে, পূৰ্বৰ আয়ুষ্মান ভাৰত স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ, শিমুলটাপুক উন্নীত কৰি ১০খন বিছনাযুক্ত চিকিৎসালয়লৈ ৰূপান্তৰ কৰাৰ পদক্ষেপত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰাৰ লগতে আনন্দ প্ৰকাশ কৰে।

### তিনিচুকীয়াৰ সৰ্বানন্দ সিংহ নগৰ নামঘৰ সমাজ-গুজৰাটৰ শক্তি ফাউণ্ডেচনৰ সহযোগত সাহায্য বিতৰণ

## শিৱসাগৰৰ বানাক্ৰান্তৰ কাষত জাৰ্ণেলিষ্ট ইউনিয়ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৬ আগষ্ট ঃ** বানৰ গৰাহত উজনিৰ জনজীৱন বিপৰ্যস্ত হৈ পৰাৰ মাজতে আজি মানৱতাৰ এক উজ্জ্বল দৃষ্টান্ত দাঙি ধৰিলে জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিয়ে। শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ বানবিধস্ত পৰিয়ালক সাহস আৰু সাহায্য দুয়োটাই আগবঢ়াবলৈ আজি সমিতিৰ এটা দল নাজিৰা অঞ্চলত উপস্থিত হয়। নাজিৰাৰ ৰজাপুল, দুৱৰা গাঁও, কোঁৱৰ গাঁৱকে ধৰি কেইবাখনো বানাক্ৰান্ত গাঁৱত সমিতিয়ে আজি নিত্য প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰে। কাঁহি, বাতি, গিলাচ, কেৰাহী, বাল্টিৰ পৰা আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয় পোছাকলৈকে প্ৰায় প্ৰতিটো ঘৰৰ প্ৰয়োজনৰ কথা মনত ৰাখি সামগ্ৰী আগবঢ়োৱা হয়। এই উদ্যোগটোৰ নেপথ্যত আছিল তিনিচুকীয়াৰ সৰ্বানন্দ সিংহ নগৰ নামঘৰৰ ভক্তসকলৰ অকৃত্ৰিম সহযোগ। তেওঁলোকে নিজে আগবাঢ়ি আহি বিভিন্ন সামগ্ৰী যোগান ধৰে। বানপীড়িতক সহায় কৰাৰ এই কামত গুজৰাটৰ চুৰাটৰ ‘শক্তি ফাউণ্ডেচন’এও সহযোগিতা আগবঢ়ায়। দৈনিক অগ্ৰদূতৰ নিউজ ইডিটৰ চেমিম চুলতানা আহমেদৰ জৰিয়তে শক্তি ফাউণ্ডেচনৰ তৰফৰ পৰা ড° চোনাল ৰৌচানীয়ে আৰ্থিক সাহায্য প্ৰেৰণ কৰে। দূৰৰ পৰাও অসমৰ বানপীড়িতৰ বাবে এই সহমৰ্মিতাই বহুতৰে মনত আশাৰ পোহৰ জ্বলালে। আজিৰ বিতৰণ কাৰ্যসূচীত জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি, সাধাৰণ সম্পাদককে ধৰি কেইবাগৰাকীও বিষয়ববীয়াই অংশগ্ৰহণ কৰে। দলটোৱে প্ৰথমে নাজিৰাৰ দুৱৰা গাঁৱৰ নিৱাসী নিৰূপমা দুৱৰা আৰু নিশাৰাণী দুৱৰাৰ বাসগৃহত উপস্থিত হয়। বানপানীত উটি গৈ প্ৰাণ হেৰুৱা দুয়োগৰাকীৰ পৰিয়ালক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ দুখ-দুৰ্দশাৰ বুজ লয়। বান সাহায্য গ্ৰহণ কৰি বানবিধস্ত ৰাইজে নিজৰ ক্ষোভো প্ৰকাশ কৰে। তেওঁলোকৰ মতে, অসম-নাগালেণ্ড সীমান্তৰ বিহুবৰ অঞ্চলত অবৈধভাৱে গঢ় লৈ উঠা শিলৰ কুৱেৰী আৰু নাগালেণ্ডৰ কয়লা খননেই এই বাৰৰ বান বিভীষিকাৰ অন্যতম মূল কাৰণ। প্ৰকৃতিক ভাৰসাম্য নষ্ট হোৱাৰ ফলতেই এনেদৰে নিমিষতে এই মহাপ্ৰলয়ৰ সৃষ্টি হ'য়। এই সন্দৰ্ভত জাৰ্ণেলিষ্ট ইউনিয়নৰ দলটোৱেও চৰকাৰক দাবী জনায় যে অবিলম্বে সেই অঞ্চলসমূহৰ অবৈধ শিল আৰু কয়লা খনন বন্ধ কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰক, যাতে ভৱিষ্যতে এনে দুৰ্যোগ পুনৰাবৃত্তি নহয়। বানৰ পানী কমিলেও ক্ষতিৰ জুই এতিয়াও জ্বলি আছে। এনে সময়তে সাংবাদিক সংগঠন এটাৰ এই আগবাঢ়ি অহাটোৱে নাজিৰাৰ বহু পৰিয়ালৰ বাবে কিছু স্বস্তি কঢ়িয়াই আনিছে।

## সম্পাদকীয়

# ন্যায়িক ভাৰ হ্ৰাসৰ লক্ষ্য

**ৰা**জ্যসভাত সৰ্বসন্মতিক্ৰমে গৃহীত হোৱা উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা ৩৪ৰ পৰা ৩৮লৈ বৃদ্ধিৰ বিধেয়কখনে নিশ্চয় আমাৰ দেশৰ ন্যায়িক ইতিহাসত এক গুৰুত্বপূৰ্ণ অধ্যায়ৰ সূচনা কৰিছে। অধ্যাদেশৰ স্থান দখল কৰা এই বিধেয়কখনৰ দ্বাৰা চৰকাৰে যিদৰে গোচৰৰ বকেয়া ভাৰ হ্ৰাস কৰাৰ আশা প্ৰকাশ কৰিছে, তেনেদৰে সাধাৰণ নাগৰিক হিচাপে আমাৰ মনতো আশাৰ লগতে বহুতো প্ৰশ্নৰ উত্থাপন হৈছে। কেৱল চাৰিগৰাকী অতিৰিক্ত ন্যায়াধীশ নিযুক্তি দিয়াই কি আমাৰ ন্যায় ব্যৱস্থাৰ আসোঁৱাহ সম্পূৰ্ণৰূপে আঁতৰ কৰিব পাৰিব নে? নে এই পদক্ষেপ কেৱল দীৰ্ঘদিনীয়া সমস্যাৰ প্ৰতি চৰকাৰী আৰু ন্যায়পালিকাৰ উদাসীনতা ঢাকি ৰখা এখন অৰ্ধপাৰদৰ্শী কাপোৰহে?

আমি যেতিয়া তথ্য-পঞ্জীৰ ফালে চাওঁ, তেতিয়া প্ৰকৃত চিত্ৰটো অধিক স্পষ্ট হৈ পৰে। ২০২৬ চনৰ প্ৰথম দিনটোলৈ উচ্চতম ন্যায়ালয়ত ৯২ হাজাৰৰো অধিক গোচৰ বকেয়া আছে। এই সংখ্যাৰ লগত নিম্ন আদালত আৰু উচ্চ ন্যায়ালয়সমূহৰ গোচৰ হিচাপ ধৰিলে সেয়া এক ভয়াৱহ পৰিসংখ্যা। এনে পৰিস্থিতিত মাত্ৰ চাৰিগৰাকী ন্যায়াধীশৰ সংযোজনে যে গোটেই ব্যৱস্থাটোত বাস্তৱিক প্ৰভাৱ পেলাব, সেয়া অলপ অত্যুক্তি যেন লাগে। কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে বিকল্প বিবাদ নিষ্পত্তি ব্যৱস্থা (ADR) আৰু মধ্যস্থতাক গুৰুত্ব দিয়া কথা উল্লেখ কৰিছে যদিও, সমাজৰ প্ৰান্তীয় আৰু দুৰ্বল শ্ৰেণীৰ মানুহৰ বাবে এই বিকল্প ব্যৱস্থাসমূহ কিমান ফলপ্ৰসূ হয়, সেইটো সময়সাপেক্ষে প্ৰমাণ হ'ব লাগিব। বিধেয়কখনৰ প্ৰতি সৰ্বসন্মতি থাকিলেও বিৰোধী শিবিৰে উত্থাপন কৰা প্ৰশ্নবোৰ যে একেবাৰে অমূলক, তাকেই বা ক'ব পাৰি? ন্যায়াধীশৰ সংখ্যা বৃদ্ধিৰ লগে লগে ন্যায়িক বৈচিত্ৰ্যৰ বিষয়টো কিন্তু সমানে গুৰুত্বপূৰ্ণ। পৰিসংখ্যাই দেখুৱাইছে যে উচ্চতম আৰু উচ্চ ন্যায়ালয়সমূহত মহিলা, জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰতিনিধিত্ব অত্যন্ত নগণ্য। শেহতীয়া বছৰবোৰত যি ন্যায়াধীশ নিযুক্তি হৈছে, তাৰে ৭৬-৮০ শতাংশই উচ্চবৰ্ণৰ পৰা অহা বুলি তথ্যই সাক্ষ্য দিয়ে। এনে পৰিস্থিতিত অতিৰিক্ত চাৰিগৰাকী ন্যায়াধীশ নিয়োগ কৰিলেও যদি সেই নিযুক্তিসমূহত সমাজৰ বিভিন্ন স্তৰক প্ৰতিনিধিত্ব নিদিয়ে, তেন্তে ন্যায়ৰ সৰ্বজনীন আৰু অন্তৰ্ভুক্তিমূলক ব্যাখ্যা সম্ভৱ নহয়। সাধাৰণ মানুহে সোধা প্ৰশ্নটো হৈছে- যেতিয়া উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ আসনসমূহত কেৱল বিশেষ শ্ৰেণীৰ লোকেই আধিপত্য বিস্তাৰ কৰে, তেতিয়া কাগজে-কলমে ন্যায়াধীশৰ সংখ্যা বৃদ্ধি কৰি জনসাধাৰণৰ ন্যায়ৰ প্ৰতি থকা আস্থা অটুট ৰখা সম্ভৱনে? ইয়াৰ উপৰিও অধ্যাদেশ জাৰি কৰাৰ সময় আৰু পৰিৱেশে সৃষ্টি কৰা সন্দেহৰ মাত্ৰাও কম নহয়। ন্যায়ালয়ৰ গ্ৰীষ্মকালীন ছুটি আৰম্ভ হোৱাৰ আগমুহূৰ্তত এই অধ্যাদেশ জাৰি কৰি তাৰ কেইমাহমানৰ ভিতৰতে বিধেয়কখন ৰাজ্যসভালৈ অনা হৈছে। এই জৰুৰীকালিনতাৰ আঁৰত আইনী সংস্কাৰৰ প্ৰতি থকা তৎপৰতা নে ৰাজনৈতিক কোনো অজ্ঞাত কাৰণ, সেই প্ৰশ্নই মনত ঠাই পাইছে। ইফালে, ন্যায়াধীশ নিযুক্তিৰ ব্যৱস্থা বাতিল কৰি অধিক স্বচ্ছ আৰু নিৰ্ভেজাল নিযুক্তি প্ৰক্ৰিয়া কেতিয়া আহে, তাৰো অপেক্ষা কৰি আছে বহু আইনজ্ঞ আৰু ৰাজনৈতিক পৰ্যবেক্ষক।

আনহাতে, উচ্চতম ন্যায়ালয়ত ন্যায়াধীশ বৃদ্ধি কৰিলেও যদি নিম্ন আদালতসমূহত প্ৰয়োজনীয় ন্যায়াধীশ, আধুনিক সুবিধা আৰু প্ৰশাসনিক দক্ষতা নাথাকে, তেন্তে এই সিদ্ধান্ত মাত্ৰ এটা সাংকেতিক পদক্ষেপ হৈ ৰৈ যাব। গোচৰৰ বকেয়া হ্ৰাসৰ মূল চাবিকাঠি হৈছে নিম্ন আদালতসমূহক শক্তিশালী কৰা, কাৰণ ৮০ শতাংশৰো অধিক মামলা এই আদালতসমূহতেই দীৰ্ঘদিন ধৰি পৰি থাকে। সেই আধাৰভূমি শক্তিশালী নকৰাকৈ যদি আমি কেৱল শীৰ্ষ আদালতখনকে আৰু ডাঙৰ কৰি তুলিম, তেন্তে গোটেই ন্যায়িক ব্যৱস্থাটোৰ মেৰুদণ্ড তথা ওপৰৰ্ঞ্চি অংশ নিৰ্মাণ কৰাৰ দৰে এক অস্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি হ'ব।

চৰকাৰে ন্যায়পালিকাৰ সৈতে সম্পূৰ্ণ সমন্বয় ৰাখি কাম কৰাৰ প্ৰতিশ্ৰুতি দিছে, কিন্তু আইন মন্ত্ৰীগৰাকীয়ে কোৱাৰ দৰে কেৱল আদালতৰ কাৰ্যক্ষমতা বৃদ্ধি কৰিলেই হ'ব নে বিচাৰৰ গুণগত মান আৰু গতিৰো উন্নতি ঘটাব লাগিব। সাধাৰণ মানুহে যেতিয়া ঘটনা লৈ আদালতৰ দুৱাৰত উপস্থিত হয়, তেতিয়া তেওঁৰ আশা কেৱল দ্ৰুত নিষ্পত্তি নহয়, ন্যায়ৰো সঠিক প্ৰতিফলন। ২০২৫ বৰ্ষত নতুন গোচৰ দাখিলৰ তুলনাত নিষ্পত্তিৰ হাৰ কম বুলি পৰিসংখ্যাই কয়। সেয়ে নতুন ন্যায়াধীশ আহিলে হয়তো নিষ্পত্তিৰ হাৰ কিছু বৃদ্ধি পাব, কিন্তু যদি নতুন গোচৰ দাখিলৰ হাৰো সেই একে গতিত বৃদ্ধি পায়, তেন্তে এই সংখ্যা বৃদ্ধিৰ লাভ কিছুদিনৰ ভিতৰতে অন্তৰ্ধান হৈ যাব। শেষত এই সিদ্ধান্তক আমি আপাত আশাৰ ৰশ্মি বুলি ক'ব পাৰো, কিন্তু আমাৰ সন্দেহ আৰু প্ৰশ্নবোৰ একেবাৰে অমূলক নহয়। আমাৰ মূল প্ৰশ্নটো হৈছে- কেতিয়া এই ব্যৱস্থাত স্বচ্ছতা আহিব? কেতিয়া উচ্চতম ন্যায়ালয়ৰ আসনসমূহ সমাজৰ সকলো স্তৰৰ প্ৰতিভাবান ব্যক্তিৰ বাবে সমানে মুকলি হ'ব? আৰু কেতিয়া কেৱল সংখ্যাৰ পৰিৱৰ্তনৰ ঠাইত প্ৰকৃত ব্যৱস্থাগত সংস্কাৰ আৰু নিম্ন আদালতৰ শক্তিশালীকৰণক অগ্ৰাধিকাৰ দিয়া হ'ব? চৰকাৰে এই নিৰ্ভেজাল প্ৰশ্নবোৰৰ উত্তৰ যিমান সোনকালে বিচাৰি উলিয়ায়, সিমানেই ৰাইজৰ আস্থা অটুট থাকিব। ন্যায়াধীশৰ সংখ্যা বৃদ্ধি ইতিবাচক, কিন্তু ই সম্পূৰ্ণ সমাধান নহয়; ই নতুন পথৰ সূচনা মাথোঁ। বাকী পথটো আগুৱাই যাবলৈ চৰকাৰ আৰু ন্যায়পালিকা দুয়োকে একেলগে আগবাঢ়ি যাবই লাগিব।



# নিমিষতে শেষ হৈ গ'ল সোণৰ অসমৰ অতীত গৌৰৱ, সৌৰ্য-বীৰ্য আৰু স্বাভিমান

*এই বানপানীত আটাইতকৈ ক্ষতিগ্ৰস্ত হোৱা ঠাই হ'ল নগালেণ্ডৰ বিভিন্ন পাহাৰীয়া ঠাইৰ লগতে নাগিনিমৰা আৰু অসমৰ বিহুবৰ, চন্তক, শিমলুগুৰি, নাজিৰা, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট। ঠাইবিলাকৰ গৰু, ম'হ, কুকুৰ, মেকুৰী, গাহৰি-কুকুৰা, হাঁহ-পাৰ, আৰু মানুহ কোন কেনি গ'ল কোনেও ততকে ধৰিব নোৱাৰিলে। মুহূৰ্ত্তৰ ভিতৰতে সকলো ঠানবান হৈ গ'ল। জাকে-জাকৰুৱাই ঠাহ খাই থকা একো একোখন ঘৰ মুহূৰ্ত্তৰ ভিতৰতে মৰিশালিত পৰিণত হ'ল। ইয়াৰ বাবে কাক দোষীম চৰকাৰক, মানুহক নে প্ৰকৃতিক ? প্ৰকৃতিকেই দোষীলো হেতেঁন যদিহে প্ৰকৃতি প্ৰদত্ত পৰ্ব্বত-পাহাৰ বিলাকত কয়লা, বালি, শিল আৰু চূনশিল সংগ্ৰহৰ বাবে মানুহে ডাঙৰ ডাঙৰ গাঁত তথা গহ্বৰৰ সৃষ্টি নকৰিলেহেতেঁন। মাহ, বছৰ যুগ ধৰি এইবোৰ গাঁতত পানী সোমাই থাকি গাঁত বিলাকৰ বুকু বিলাক কোমল কৰি পেলাইছিল আৰু যাহাঁই গাঁতবিলাকৰ উপৰিভাগ বৰষুণৰ পানীয়ে উপাচায় পেলাই খহাই আনিছিল সেই সুবিধাতে কয়লা, বালি, চূনশিল আদি খান্দি ফোঁপোলা কৰি থোৱা গাঁতবিলাকৰ পানীয়েও তাত উজান দি হোৰ হোৰাই ভৈয়ামলৈ বাগৰি আহি তাণ্ডৱৰ সৃষ্টি কৰিছিল।*

**প্ৰামোদ দোৱনীয়া**

**বি**ভিন্নজনে ক'ব খোজে যে চলিত বছৰৰ ১৯ জুলাইৰ দিনখন নগালেণ্ডৰ মন জিলাত তথা মোৰ্ককচাং আৰু টুৱেনচাঙৰ ওচৰে পাজৰে হোৱা ডাৱৰ বিস্ফোৰণৰ কাৰণে নগালেণ্ড আৰু উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত অভূতপূৰ্ব ভয়ংকৰ বিধ্বংসি বানপানী হৈছিল। পাছে, বিভিন্ন সুত্ৰৰ পৰা জানিব পৰা মতে কথাটো তেনে নহয়। কাৰণ, বিগত ১৯ জুলাইৰ দিনটোত বা তাৰ আগে-পাছে কোনো দিনতে নগালেণ্ডত কোনো ধৰণৰ ডাৱৰ বিস্ফোৰণ ঘটা নাছিল বা হোৱা নাছিল। সেইটোৱেই যদি সত্য হয় তেনেহলে ইমানবোৰ পানী আহিল ক'ৰ পৰা আৰু কেনেকৈ? মনত ৰাখিব বানৰ বিভিষিকা কিমান ভয়ানক তাক ভুক্তভোগীজনেহে উপলব্ধি কৰিব পাৰে।

তাহানিতে ভুপেনদাই গাইছিল—

'লুইতৰ বলীয়া বান তই ক'লৈনো ঢাপলি মেলিছ, হৰ হৰ শৰদে কালৰূপ ধৰিলৈ কাকনো বাৰে বাৰে খেদিছ"।। হয়, এইয়া মোৰ কথা নহয়, আমাৰ সকলোৰে শ্ৰদ্ধাৰ ভুপেনদাই কোৱা কথাহে। তাহানিৰ দিনবিলাকত বাৰিষা আহিলেই ব্ৰহ্মপুত্ৰৰ দুকুলটকা বানে অসমৰ দুখীয়া-নিচলাক কালৰূপ ধৰি বাৰে বাৰে ঘৰ-দুৱাৰ ভাঙি, খেতি-খোলা নষ্ট কৰি অ'ৰ পৰা ত'লৈ, ত'ৰ পৰা ত'লৈ খেদি লৈ ফুৰিছিল। এই বানত হোৱা মানুহৰ আলৈ-বিলৈ, এঠানি-এবানিৰ কথা ভুপেনদাই গীতেৰে প্ৰকাশ কৰিছিল। ব্ৰহ্মপুত্ৰৰ আন এটা নাম লুইত সেই কাৰণে ভুপেনদাই গাইছিল- লুইতৰ বলীয়া বান বুলি। আজি অৱশ্যে লুইতৰ বা ব্ৰহ্মপুত্ৰৰ বলীয়া বানে আমাক অৰ্থাৎ নৈপৰীয়া অসমীয়াক খেদা নাই, হৰ হৰ শৰদে কালৰূপ ধৰি খেদিছে ভোগদৈৰ বানে, খেদিছে দিখৌৰ বানে, খেদিছে জাঁজীৰ বানে, খেদিছে দৰিকাৰ বানেহে। আজি যদি ভুপেনদা জীয়াই থাকিলেহেতেঁন নিশ্চয় গালেহেতেঁন দিখৌ, দৰিকা, জাঁজী, ভোগদৈৰ বলীয়া বান বুলি। আমাৰে দুৰ্ভাগ্য ভুপেনদা আজি আমাৰ মাজত নাই। জুবিনগাৰ্গ জীয়াই থকা হ'লেও নিশ্চয় তাকেই কৰিলে হেতেঁন পানীত জুৰুলা হোৱা মানুহৰ ওচৰলৈ গৈ।

এইবাৰ উজনি অসমৰ প্ৰাণকেন্দ্ৰ স্বৰূপ চাৰিখন জিলাত বানৰ তাণ্ডৱ সৃষ্টি কৰা নদীকেইখনৰ ভিতৰত আটাইতকৈ বেছি সংহাৰিৰূপ ধাৰণ কৰিলে দিখৌৱে। দিখৌৰ উৎপত্তি স্থল হ'ল তাহানিৰ নগাপাহাৰ আৰু বৰ্তমানৰ নগালেণ্ডৰ তিৰু হিলচ এলেকা। তিৰু হিলচৰ অৱস্থিতি সাগৰ পৃষ্ঠৰ পৰা প্ৰায় ২৯৪৫ ফুট অৰ্থাৎ ৮৯৮ মিটাৰ উচ্চতাত। তাহানি এইবোৰ ঠাইলৈ যাবলৈ সুচল পথ নাছিল যদিও প্ৰথমে বৃটিছসকলে আৰু তাৰ পিছত স্বাধীন ভাৰত চৰকাৰে সেইবোৰ ঠাইলৈ যাব পৰাকৈ বাট-পথ নিৰ্মাণ কৰিলে। তথাপি এনেকুৱা কিছুমান ঠাই আছে যিবিলাক ঠাইলৈ মানুহ আজিও গাড়ী-মটৰ লৈ যাব নোৱাৰে। এই পথেৰে গ'লেই নগালেণ্ডৰ আন এক বিউটিফুল ডিষ্ট্ৰিক হেডকোৱাটাৰ অৱস্থিত চহৰ মন পোৱা যায়। তাৰো ওপৰত আৰু বহুতো ঠাই আছে যিবোৰ ঠাইলৈ আজিও বাটকুৰি বায়ে যাব লাগে। এই মন জিলাৰ তিৰু হিলচেই হ'ল দিখৌ নদীৰ উৎপত্তিস্থল আৰু তাহানি আহোম ৰাজকুমাৰ গদাপানী পলাই গৈ আশ্ৰয় লোৱা ঠাই। ইয়াতেই তেওঁ লগ পাইছিল মৰমৰ ডালিমীক। ডালিমীৰ স্মৃতি বিজড়ীত মৰিশালি আজিও তাত আছে। যদিও বিগত ১৯ জুলাইৰ দিনা হোৱা বানে কিছু অনিষ্ট কৰিলে। গতিকে, এই দিখৌ নদীৰ লগত অসম আৰু অসমীয়া মানুহৰ সম্পৰ্ক মধুৰ আৰু অতি প্ৰাচীন। সেই কাৰণেই এই দিখৌৱে অসমীয়া লোক সংস্কৃতিত এক এৰাব নোৱাৰা, পাহৰিব নোৱাৰা স্থান দখল কৰি আছে।

দিখৌ নদী অসম আৰু অসমীয়াৰ বাবে আৰ্শীবাদ স্বৰূপ। কাৰণ, কি বাৰিষা কি খৰালি চিৰ প্ৰবাহমান এই দিখৌৰ বুকুতেই লুকাই আছে মানুহৰ দৈনন্দিন জীৱনত অতিকৈ লাগতীয়াল মাছ-পুথি, সোণ-বালি, শিল-কয়লাৰ লগতে আৰু বহুতো মূল্যবান বস্তু। চিৰ সেউজ সু-উচ্চ পৰ্ব্বতৰ পৰা নামি অহা কাৰণে দিখৌৰ গড়া ওখ, সোঁত বৰ প্ৰখৰ আৰু গতি একা-বেকা, অকোৱা-পকোৱা। খৰশ্ৰোতা হোৱাৰ কাৰণেই নদীখনে ওপৰৰ পৰা শিল, বালি আৰু নানাবিধ খনিজ পদাৰ্থ বুকুত সামৰিলৈ নামনিলৈ নামি আহে। নামনিত ইয়াৰ গতিবেগ কিছু কম হয় কাৰণে বুকুত ওপৰৰ পৰা বোজাবৈ কঢ়িয়াই অনা শিল-বালি বিলাক কোনো কোনো ঠাইত এৰি থৈ ভৈয়ামলৈ বৈ গৈ দিখৌমুখ নামৰ ঠাইত ব্ৰহ্মপুত্ৰৰ লগত লগ হৈ সাগৰলৈ গতি কৰিছে।

নামনি নগালেণ্ডত দিখৌৰ শেষ স্থান হ'ল নাগিনিমৰা আৰু যি ঠাইত দিখৌ আহি অসম সোমাইছে সেই ঠাইডোখৰ হ'ল বিহুবৰ। দিন-ৰাতি চৌবিশ ঘন্টাই অতি ব্যস্ত ঠাই। বালি চলা আৰু শিল ভঙা মেচিনৰ শব্দৰ কোলাহলত কাণ তালমাৰি ধৰা কাৰোমাত কোনেও নুশুনা পৰিবেশ। মই সেই ঠাইলৈ বিভিন্ন কাৰণত দুবাৰমান গৈছিলোঁ। এবাৰ গৈছিলো চন্তকত অনুষ্ঠিত হোৱা সদৌ অসম ঢুলীয়া শিল্পী সন্মিলনৰ অধিবেশনলৈ নিমন্ত্ৰণক্ৰমে বিগত ২০১২ চনত। ডাঙৰ ডাঙৰ শিল, কয়লা আৰু বালি ভৰ্ত্তি ট্ৰাকৰ উৎপাতত তালৈ যাবলৈকে ভয়। তাতোকৈ ডাঙৰ কথা ৰাস্তাটোৰ অৱস্থা তথৈবচ। সেই তেতিয়াই মোক সেইবোৰ ঠাই দেখুৱাইছিল শিৱসাগৰৰ ভাগিন ল'ৰা- সত্যব্ৰত দত্তই।

গুৱাহাটীৰ পৰা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথটোৰে উজাই গ'লে জাঁজিৰ পৰা সোঁহাতে ফাটি আমগুৰি হৈ যিটো ৰাস্তা তুলি, মোৰ্ককচাং, টুৱেনচাং, মন আদি ঠাইলৈ ঢাপলি মেলিছে, সেইটোৱেই হ'ল এইবিলাক ঠাইলৈ যোৱা মূল পথ। আমগুৰি এৰাৰ পাছতে এই পথটোৰ দুয়োকাষে আপুনি সু-উচ্চ সেইজীয়া বৰণৰ পাহাৰ আৰু দেখিব পাহাৰ বোৰৰ ওপৰত ক'লা ক'লা কয়লাৰ চামনি। পথটোৰ দুয়োকাষে ঠায়ে ঠায়ে দেখিব সৰু-বৰ বিভিন্ন ধৰণৰ ক'লা ক'লা কয়লাৰ দ'ম। পাহাৰবোৰৰ গাত দেখিব কিছুমান মানুহ সোমাব পৰা ফুটা বা গাঁত আৰু সেই ফুটা বা গাঁতবোৰৰ কাষে-কাষে কয়লাৰ লগতে শিলৰ দ'ম। দেখিব ঠায়ে ঠায়ে বৃহৎ বৃহৎ ট্ৰাকে কয়লা, শিল আদি বোজাই কৰি থকা। সেই গাঁত বিলাক আন একো নহয় পাহাৰকাটি সুৰংগ উলিয়াই কয়লা সংগ্ৰহ কৰা কয়লা খনিলৈ সোমাই যোৱা পথহে। এইবোৰ কয়লা খনিত কাম কৰা মানুহবোৰ অসমীয়া বা নগা নহয়, তেওঁলোক হয় হিন্দীভাষী বিহাৰি সম্প্ৰদায়ৰ লোক কিম্বা গোৱালপাৰা, ধুবুৰী বা পশ্চিমবংগৰ পৰা অহা বেংগলীভায়ী লোক। অসমীয়া বা নগা মানুহ আছে যদিও অতি নগন্য সংখ্যকহে হ'ব।

পৰ্ব্বত-পাহাৰবিলাকৰ গাত থকা গাঁতবিলাক দেখি মনলৈ আহিছিল তাহানি গাঁৱত থাকোঁতে ভঁৰালৰ তলত, পথাৰৰ মাজত থকা আলিবোৰত এন্দুৰে খন্দা গাঁতবোৰলৈ। পথাৰৰ আলিত খন্দা গাঁতবোৰৰ মুখত দেখিছিলোঁ এন্দুৰে চিৰাই চিৰাই পকা ধানৰ থোক বিলাক কুটি কুটি নি সুমুৱাই থোৱা। আকৌ ভঁৰালৰ তলৰ গাঁতবোৰত ভঁৰালৰ তলি ফুটাই সাঁচি থোৱা ধান নি সুমুৱাই থোৱা। পথাৰৰ আলিবোৰৰ কথা যেনতেন কিন্তু ভঁৰালৰ তলত খন্দা গাঁবোৰে গৃহস্থৰ যথেষ্ঠ ক্ষতি কৰিছিল। কাৰণ, বাৰিষা কালত বৰষুণ হোৱাৰ লগে লগে ভঁৰালৰ তলৰ মাটি কোমল হৈ সেই এন্দুৰে খন্দা গাঁতবোৰৰ ওপৰত থকা ভঁৰালৰ গড় বিলাক বহি গৈ ভঁৰালটোও ভাঙি পেলাইছিল। আজি উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাটৰ বানপৰিস্থিতি দেখি সেই দৃশ্যটোলৈ মনত পৰিছে। কাৰণ, জিলাকেইখনত হোৱা বানপানীৰ কাৰণ যুগ যুগ ধৰি এই এন্দুৰে গাঁত খান্দি মাটি উলিয়াই আনি ফোপোলা কৰা (কয়লা উলিয়াবলৈ খন্দা গাঁতবোৰত) গাঁতবোৰত সোমাই থকা পানীয়েই মূল। এদিনতে জমা হোৱা পানী নহয় এইবোৰ। যুগ যুগ ধৰি, বছৰ বছৰ ধৰি জমা হৈ থকা পানী। বিভিন্ন সুত্ৰই প্ৰকাশ কৰা মতে সেই কেইদিনত নগালেণ্ডৰ তিৰু পাহাৰৰহোৱা অতিপাত বৰষুণৰ বাবে পাহাৰৰ মাটি ভাগ কোমল হৈ পোন প্ৰথনে বৰষুণৰ পানীৰ লগত তাত থকা শিল-বালি, মাটি, কয়লা আদি মিহলি হৈ তললৈ নামি আহোঁতে তলৰ সকলো গাঁত-গোত খহাই-মহতিয়াই ঢাহি-মুহি লৈ আহি নাগিদনীমৰাত অসমত প্ৰাৱশ কৰি বিহুবৰ, চন্তক, শিমলুগুৰি, নাজিৰা, চৰাইদেউ আদিত তাণ্ডৱ চলাই আহি মুহূৰ্ত্তৰ ভিতৰতে আন জীৱ-জন্তুৰ কথা নকৰেঁই স্থলচৰ জীৱ মহাবলী হাতী, টেলৰ বৃহৎ বৃহৎ টেংকাৰকো এফালৰ পৰা মহটিয়াই নিলে। এই বানপানীত আটাইতকৈ ক্ষতিগ্ৰস্ত হোৱা ঠাই হ'ল নগালেণ্ডৰ বিভিন্ন পাহাৰীয়া ঠাইৰ লগতে নাগিনিমৰা আৰু অসমৰ বিহুবৰ, চন্তক, শিমলুগুৰি, নাজিৰা, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট। ঠাইবিলাকৰ গৰু, ম'হ, কুকুৰ, মেকুৰী, গাহৰি-কুকুৰা, হাঁহ-পাৰ, আৰু মানুহ কোন কেনি গ'ল কোনেও ততকে ধৰিব নোৱাৰিলে। মুহূৰ্ত্তৰ ভিতৰতে সকলো ঠানবান হৈ গ'ল। জাকে-জাক ৰুৱাই ঠাহ খাই থকা একো একোখন ঘৰ মুহূৰ্ত্তৰ ভিতৰতে মৰিশালিত পৰিণত হ'ল। ইয়াৰ বাবে কাক দোষীম চৰকাৰক, মানুহক নে প্ৰকৃতিক? প্ৰকৃতিকেই দোষীলো হেতেঁন যদিহে প্ৰকৃতি প্ৰদত্ত পৰ্ব্বত-পাহাৰ বিলাকত কয়লা, বালি, শিল আৰু চুনশিল সংগ্ৰহৰ বাবে মানুহে ডাঙৰ ডাঙৰ গাঁত তথা গহ্বৰৰ সৃষ্টি নকৰিলে হেতেঁন। মাহ, বছৰ যুগ ধৰি এইবোৰ গাঁতত পানী সোমাই থাকি গাঁত বিলাকৰ বুকু বিলাক কোমল কৰি পেলাইছিল আৰু যাহাঁই গাঁতবিলাকৰ উপৰিভাগ বৰষুণৰ পানীয়ে উপাচায় পেলাই খহাই আনিছিল সেই সুবিধাতে কয়লা, বালি, চুনশিল আদি খান্দি ফোপোলা কৰি থোৱা গাঁতবিলাকৰ পানীয়েও তাত উজান দি হোৰ হোৰাই ভৈয়ামলৈ বাগৰি আহি তাণ্ডৱৰ সৃষ্টি কৰিছিল। গতিকে, মনত ৰাখিব ৰাইজ মানুহ প্ৰকৃতিৰ উৰ্দ্ধত নহয়। মানুহে কৰা অবাধ প্ৰকৃতি ধ্বংশই বিহুবৰ, চন্তক, শিমলুগুৰি, নাজিৰা, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট আদিত অপ্ৰত্যাসিত বিধ্বংসি বানৰ কাৰণ। গতিকে, মানুহে প্ৰকৃতি ধ্বংস কৰিবলৈ বন্ধ কৰাক তেহে বাচি থাকিব পাৰিব অন্যথা মানুহেই পৃথিবী ধ্বংসৰ কাৰক হ'ব।

এদিন কোনোবা এখন সৰু আলোচনীত পঢ়িছিলো - এদিন হেনো বিশ্ব কৰি ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু মহান বিজ্ঞানী আলবাৰ্ট আইনষ্টাইন কিবা কাৰণত এজনে আনজনক লগ পাইছিল। সেই মাখামুখীত আলবাৰ্ট আইনষ্ঠাইনে ৰবীন্দ্ৰনাথ ঠাকুৰদেবক সুধিছিল বোলে-আপোনাৰ কবিতাত সৃষ্টি আৰু শান্তিৰ আনন্দ পোৱা যায়নে? তেতিয়া ৰবীন্দ্ৰনাথে কৈছিল বোলে হয়, মোৰ কবিতাত মানুহে সৃষ্টি আৰু জীৱনৰ শান্তি বিচাৰি পায়। ৰবীন্দ্ৰনাথৰ উত্তৰ শুনি আইনষ্টাইন মনে মনে থাকিল। আইনষ্টাইনৰ সেই মৌনতৰে সুবিধা লৈ ৰবীন্দ্ৰনাথে সেই একেটা প্ৰশ্নকে আইনষ্টাইনক সুধিছিল, তেতিয়া আইনষ্টাইনে কি উত্তৰ দিছিল জানেনে(?) তেওঁ কৈছিল যে মোৰ আবিস্কাৰে মানুহক বিলাসিতা আৰু খন্তেকীয়া সুখহে দিব পাৰে কিন্তু সৃষ্টিৰ আনন্দ দিব নোৱাৰে। গতিকে, মনত ৰাখিব ৰাইজ সৃষ্টিৰ আনন্দ প্ৰকৃতিতহে। অন্যথা চাওকচোন প্ৰকৃতিৰ ওচৰত কিমান নগন্য কাৰণ মানুহৰ ভুলৰ বাবেই ছশবছৰীয়া আহোম ৰাজত্বৰ শৌৰ্য-বীৰ্য, স্বাভিমান, জাত্যাভিমান কেনেকৈ নিমিষতে এজাক মাত্ৰ বৰষুণৰ পানীয়ে ধুলিস্যাত কৰি মাটিৰ লগত মিহলাই দিলে।

শেহতীয়াকৈ মোৰ মনত উদয় হোৱা প্ৰশ্নটো হৈছে শিৱসাগৰ, চৰাইদেউ, নাজিৰা, বিহুবৰ, চন্তক, নিমাইজান, বেতবাৰী, যোৰহাট, গোলাঘাট আদিত হোৱা বিধ্বংসি বানপানীৰ প্ৰকত কাৰণটোনো কি ইয়াৰ সত্যাসত্য উদঘাটন কৰিব পাৰিব কেৱল আৰু কেৱল কেন্দ্ৰীয় চৰকাৰে হে চিবিআইৰ দ্বাৰা তদন্ত কৰি। গতিকে, মাননীয় কেন্দ্ৰীয় চৰকাৰক ইয়াৰ এটা উচিত তদন্ত কৰি ৰাইজৰ মনৰ আসোঁৱাহ দূৰ কৰিবলৈ অনুৰোধ জনালো।

*লেখকৰ ঠিকনা ঃ*
*লখিমী নগৰ, হাতীগাঁও*
*গুৱাহাটী- ৩৮*
*ফোন নং- ৯৪০১৮৮৬৪৪২*

# স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা

**বেণুৰাম ৰাভা**

**ভা**ৰতৰ স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা আৰু অৱদান গৌৰৱোজ্বল অধ্যায়। দেশপ্ৰেম, ত্যাগ আৰু সৰ্বস্ব অৰ্পণৰ ভাৱেৰে উদ্বুদ্ধ হৈ অসমৰ জনসাধাৰণে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে তীব্ৰ সংগ্ৰাম কৰি তুলিছিল। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত অসমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আৰু মহিমামণ্ডিত। ১৮২৬ চনৰ য়ান্দুব সন্ধিৰ জৰিয়তে অসমে নিজৰ স্বাধীনতা হেৰুৱাই ব্ৰিটিছ ইষ্ট ইণ্ডিয়াৰ হাতলৈ যায়। ইয়াৰ পিছৰে পৰা অসমৰ সচেতন আৰু দেশপ্ৰেমী ৰাইজে বিদেশী শাসনৰ বিৰুদ্ধে বিদ্ৰোহৰ জুই জ্বলাই ৰাখিছিল। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পৰা আৰম্ভ কৰি ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনলৈকে প্ৰতিটো পৰ্য্যায়তে নৰ-নাৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি দেশৰ মুক্তিৰ বাবে আত্মবলিদান দিছিল।

১৮২৬ চনত মানৰ আক্ৰমণৰ অন্ত পেলাই ব্ৰিটিছ অসম নিজৰ অধীনলৈ আনে। কিন্তু অসমীয়া মানুহে পৰাধীনতা সহজে মানি লোৱা নাছিল। ব্ৰিটিছ শাসন প্ৰতিষ্ঠা হোৱা মাত্ৰ দুবছৰ পিছতেই ১৮২৮ চনত আহোম ৰাজকোঁৱৰ গোমধৰ কোঁৱৰ আৰু ধনঞ্জয় বৰগোহাঁইৰ নেতৃত্বত প্ৰথমটো সশস্ত্ৰ বিদ্ৰোহ গঢ়ি উঠিছিল। যদিও এই বিদ্ৰোহ বিফল হৈছিল, তথাপিও ই ভৱিষ্যতৰ সংগ্ৰামৰ ভেটি ৰচনা কৰিছিল। ইয়াৰ পিছত পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাই ১৮৩০ চনত ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে আৰু দেশৰ বাবে ফাঁচী কাঠত ওলমে। তেওঁলোকে আছিল অসমৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম শ্বহীদ।

১৮৫৭ চনৰ ঐতিহাসিক চিপাহী বিদ্ৰোহে অসমকো স্পৰ্শ কৰিছিল। অসমত এই বিদ্ৰোহৰ মূল কাণ্ডাৰী আছিল মনিৰাম দেৱান। তেওঁ কলকাতাৰ পৰা চিঠিৰ জৰিয়তে অসমত ব্ৰিটিছ সেনাৰ অসমীয়া চিপাহী সকলক বিদ্ৰোহ কৰিবলৈ উচটনি দিছিল আৰু অন্তিম আহোম ৰজা কন্দৰ্পেশ্বৰ সিংহক পুনৰ সিংহাসনত বহুৱাবলৈ পৰিকল্পনা কৰিছিল। তেওঁক এই কাৰ্যত পিয়লি বৰুৱাই পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। কিন্তু ব্ৰিটিছে এই পৰিকল্পনাৰ উমান পায় আৰু মনিৰাম দেৱানক গ্ৰেপ্তাৰ কৰে। ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত যোৰহাট জেলত মনিৰাম দেৱান আৰু পিয়লি বৰুৱাক ৰাজুহুৱাকৈ ফাঁচি দিয়া হয়। এই ঘটনাই অসমৰ ৰাইজৰ মনত ব্ৰিটিছ বিৰোধী চেতনা অধিক তীব্ৰতৰ কৰি তোলে। ১৯ শতিকাৰ শেষৰ ফালে ব্ৰিটিছ চৰকাৰে অসমৰ কৃষকসকলৰ ওপৰত অস্বাভাৱিক হাৰত ভূমি কৰ বৃদ্ধি কৰে। ইয়াৰ প্ৰতিবাদত অসমৰ বিভিন্ন প্ৰান্তত "ৰাইজ মেল" গঠন কৰি কৃষকসকলে তীব্ৰতৰ গণ আন্দোলন গঢ়ি তোলে।

ক ) ফুল গুৰি ধোৱা (১৮৬১) নগাঁও জিলাৰ ফুলগুৰিত আফু খেতি নিষিদ্ধ কৰা আৰু তামোল - পাণৰ ওপৰত কৰ লগোৱাৰ প্ৰতিবাদত জনজাতীয় কৃষকসকলে বিদ্ৰোহ কৰে। ইয়াতে ব্ৰিটিছ বিষয়া লেফটেনেণ্ট ছিংগাৰ নিহত হৈছিল। এইটোৱেই আছিল অসমৰ প্ৰথম কৃষক বিদ্ৰোহ।

খ) পথৰুঘাটৰ ৰণ (১৮৯৪) দৰং জিলাৰ পথৰুঘাটত খাজনা বৃদ্ধিৰ বিৰুদ্ধে শান্তিপূৰ্ণ প্ৰতিবাদ কৰা কৃষকসকলৰ ওপৰত ব্ৰিটিছ সেনাই নিৰ্দয়ভাৱে গুলি চালনা কৰে। ইয়াত প্ৰায় ১৪০জন কৃষক শ্বহীদ হয়। এই ঘটনাক অসমৰ "জালিৱানৱালাবাগ হত্যাকাণ্ড" বুলি কোৱা হয়। ইয়াৰ উপৰিও ৰঙিয়া (১৮৯৩) আৰু লাচিমা (১৮৯৪) আদি স্থানটো তীব্ৰ কৃষক বিদ্ৰোহ সংঘটিত হৈছিল।

২০ শতিকাৰ আৰম্ভণিতে অসমৰ জাতীয় চেতনাৰ ব্যাপক প্ৰসাৰ ঘটে। আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱা আদিৰ সাহিত্যিক প্ৰচেষ্টাই অসমীয়া সমাজত জগাই তুলিছিল। ১৯০৩ চনত মাণিক চন্দ্ৰ বৰুৱাৰ নেতৃত্বত "অসম এছ'চিয়েচন গঠন হয়" যিয়ে ৰাজনৈতিক আৰু সামাজিক দাবীসমূহ ব্ৰিটিছ চৰকাৰৰ ওচৰত পদ্ধতিগতভাৱে দাঙি ধৰিছিল। পৰৱৰ্তী সময়ত ১৯২১ চনত ইয়াৰ ঠাইত "অসম প্ৰাদেশিক কংগ্ৰেছ কমিটী" গঠন হয় আৰু জৰিয়তে অসমৰ সংগ্ৰামখন ৰাষ্ট্ৰীয় আন্দোলনৰ সৈতে মূল সুঁতিৰ সৈতে এক হৈ পৰে।

১৯২১ চনত মহাত্মা গান্ধীৰ অসম ভ্ৰমণে স্বাধীনতা আন্দোলনক এক নতুন গতি প্ৰদান কৰে। দেশপ্ৰাণ চন্দনাথ শৰ্মা, নবীন চন্দ্ৰ বৰদলৈ, তৰুণ ৰাম ফুকন আৰু ৰোহিনী কুমাৰ চৌধুৰীৰ আদিৰ নেতাৰ আহ্বানত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে স্কুল-কলেজ ত্যাগ কৰে। অসমৰ মানুহে চৰকাৰী উপাধি, চাকৰি আৰু আদালত বৰ্জন কৰে। বিদেশী কাপোৰ কানিত জুই জ্বলাই দিয়া হয় আৰু কানি( আফিং) বৰ্জন আন্দোলন তীব্ৰতৰ কৰি তোলা হয়। গান্ধীজীয়ে অসমৰ মহিলাসকলৰ তাঁতশালত কৰ্ম নিপুণতা দেখি অভিভূত হৈ কৈছিল, "অসমীয়া মহিলাই তাঁতশালত পৰিৰ দৰে কাপোৰ বয়।"

১৯৩০ চনত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা আইন অমান্য আন্দোলনতো অসমে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। লীলাধৰ বৰুৱা নামৰ অসমৰ এজন ডেকাই গান্ধীৰ ঐতিহাসিক দাণ্ডি যাত্ৰাত ভাগ লৈছিল। অসমত কুখ্যাত কামিংহাম চাৰ্কুলাৰ (যিয়ে ছাত্ৰসকলক আন্দোলনত ভাগ লোৱাত নিষেধাজ্ঞা আৰোপ কৰিছিল)ৰ বিৰুদ্ধে ছাত্ৰসকলে তীব্ৰ প্ৰতিবাদ কৰিছিল। হাজাৰ হাজাৰ ছাত্ৰই চৰকাৰী শিক্ষানুষ্ঠান ত্যাগ কৰি আন্দোলনত জঁপিয়াই পৰিছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অন্তিম তথা আটাইতকৈ তীব্ৰ আন্দোলন আছিল ১৯৪২ চনৰ 'ভাৰত ত্যাগ আন্দোলন'। গান্ধীজীৰ "কৰিম কিম্বা মৰিম"( do or die) বাণীয়ে অসমৰ প্ৰতিজন নাগৰিকক উদ্বুদ্ধ কৰিছিল। এই আন্দোলনত অসমৰ ভূমিকা আছিল অভূতপূৰ্ব ঃ

ক) কুশল কোঁৱৰৰ ফাঁচী: ট্ৰেইন বগোৱাৰ মিছা অভিযোগত ব্ৰিটিছ চৰকাৰে সৰুপথাৰৰ দেশপ্ৰেমী নেতা কুশল কোঁৱৰক গ্ৰেপ্তাৰ কৰে। ১৯৪৩ চনৰ ১৫ জুনত তেওঁক যোৰহাট জেলত ফাঁচি দিয়া হয়। ১৯৪২ চনৰ আন্দোলনত ফাঁচী পোৱা তেওঁৱেই একমাত্ৰ শ্বহীদ আছিল।

ক) কনকলতা বৰুৱা আৰু গহপুৰ থানা: ১৯৪২ চনৰ ২০ ছেপ্টেম্বৰত গহপুৰ থানাত দেশৰ জাতীয় পতাকা উত্তোলন কৰিবলৈ যোৱা এটি শান্তিপূৰ্ণ সমদলৰ নেতৃত্ব লৈছিল মাত্ৰ ১৭ বছৰীয়া কিশোৰী কনকলতা বৰুৱাই। ব্ৰিটিছ পুলিচৰ গুলিত কনকলতা বৰুৱাই থিতাতে মৃত্যু হয়। তেওঁৰ হাতৰ পৰা পতাকাখন মাটিত পৰিবলৈ নিদি মুকুন্দ কাকতি নামৰ আন এজন ডেকাই তুলি লয় আৰু তেওঁকো ব্ৰিটিছ পুলিচে গুলিয়াই হত্যা কৰে।

গ) ভোগেশ্বৰী ফুকননী: নগাঁও জিলাৰ বঢ়মপুৰত ব্ৰিটিছ সেনাৰ অত্যাচাৰৰ বিৰুদ্ধে থিয় দি ৬০ বছৰীয়া বৃদ্ধা ভোগেশ্বৰী ফুকননী ব্ৰিটিছ পুলিচৰ গুলিত শ্বহীদ হয়। ইয়াৰ উপৰিও ঢেকিয়াজুলিত মনবৰ নাথ, কলমী দেৱী, তিলক ডেকা আদি অসংখ্য দেশপ্ৰেমীয়ে ব্ৰিটিছ পুলিচৰ গুলিত প্ৰাণ আহুতি দিয়ে। জ্যোতিপ্ৰসাদ আগৰৱালা, গহন চন্দ্ৰ গোস্বামী আদি নেতাই আত্মগোপন কৰি আন্দোলনটো পৰিচালনা কৰিছিল।

নেতাজী সুভাষ চন্দ্ৰ বসুৰ "আজাদ হিন্দ ফৌজ" (INA)-তো অসমৰ বহু ডেকাই অংশগ্ৰহণ কৰিছিল। ইয়াৰ ভিতৰত মনিপুৰ আৰু অসমৰ সীমান্তৱৰ্তী অঞ্চলত ব্ৰিটিছ সেনাৰ বিৰুদ্ধে যুদ্ধ কৰা শতদল চুতীয়া আদি অন্যতম আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অসম আছিল এই সংগ্ৰামৰ এক গুৰুত্বপূৰ্ণ যুদ্ধক্ষেত্ৰ।

স্বাধীনতাৰ ঠিক পূৰ্বে ব্ৰিটিছৰ "কেবিনেট মিছন"ৰ সঁতাজি দলে ভাৰতত পদাৰ্পণ কৰিছিল আৰু ভাৰতক কেইবাটাও গ্ৰুপত ভাগ কৰিব খুজিছিল। ইয়াৰে গ্ৰুপ চি (Group C)ৰ অধীনত অসমক মুছলিম সংখ্যাগৰিষ্ঠ পূৱ বংগ(বৰ্তমান বাংলাদেশ)ৰ সৈতে চামিল কৰাৰ ষড়যন্ত্ৰ কৰা হৈছিল। ইয়াৰ ফলত অসমৰ অস্তিত্ব বিপন্ন হ'ল হেতেন। এই জটিল সময়ত 'লোকপ্ৰিয় গোপীনাথ বৰদলৈ' য়ে মহাত্মা গান্ধীৰ আশীৰ্বাদ আৰু সমৰ্থন লৈ এই গ্ৰুপিং ব্যৱস্থাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। তেওঁৰ দৃঢ়তা আৰু কুশল ৰাজনীতিৰ বাবেই অসম পূৱ পাকিস্তানৰ অংশ হোৱাৰ পৰা ৰক্ষা পৰে আৰু ভাৰতৰ অংশ হৈ থাকিবলৈ সক্ষম হয়।

অৱশেষত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে ব্ৰিটিছ শাসনৰ পৰা মুক্তি লাভ কৰিবলৈ সক্ষম হয়। এই স্বাধীনতাৰ আঁৰত আছিল অসমৰ শ শ শ্বহীদৰ তেজ আৰু হাজাৰ হাজাৰ লোকৰ চৰম ত্যাগ। মনিৰাম দেৱানৰ পৰা কনকলতালৈ, কুশল কোঁৱৰৰ পৰা লোকপ্ৰিয় গোপীনাথ বৰদলৈলৈ-প্ৰতিজন মহান নেতা আৰু সাধাৰণ জনতাৰ অৱদান অসমৰ ইতিহাসত সদায় স্বৰ্ণাক্ষৰে লিখা থাকিব অসমৰ এই গৌৰৱোজ্জ্বল ক্ষণ।

# মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ আবেদন পত্ৰ বিতৰণ কাৰ্যসূচী শুভাৰম্ভ



**অসম বাৰ্তা, উজনী মাজুলী, ৬ আগষ্ট ঃ** মাজুলী শিক্ষা খণ্ডৰ অগ্ৰণী শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আজি মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ আবেদন পত্ৰ বিতৰণ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। আজি বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এক আড়ম্বৰ পূৰ্ণ অনুষ্ঠানত পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ দুশ বিশ (২২০) গৰাকী ছাত্ৰীৰ হাতে হাতে উক্ত নিযুত মইনা আঁচনিৰ আবেদন পত্ৰ বিতৰণ কৰা হয়। এই উপলক্ষে আজি দুপৰীয়া বাৰ বজাৰ পৰা আৰম্ভ হোৱা নিযুত মইনা আবেদন পত্ৰ বিতৰণ অনুষ্ঠানটো পৰিচালনা কৰে বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে। যদু কলিতাই আঁত ধৰা উক্ত অনুষ্ঠানত দুপৰীয়া বাৰ বজাৰ পৰা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ আবেদন পত্ৰ বিতৰণৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ লাইভ - টেলিকাষ্ট সম্প্ৰসাৰণ কৰা হয়। উক্ত, কেন্দ্ৰীয় কাৰ্যসূচী উপভোগৰ পাছতে বিদ্যালয়খনৰ ছাত্ৰীসকলৰ মাজত নিযুত মইনা আঁচনিৰ আবেদন পত্ৰ বিতৰণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী, পীতাম্বৰ দেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অমৰ ঘোষ হলি আইলেণ্ড একাডেমিৰ বৰ্তমান অধ্যক্ষ ভবেন চন্দ্ৰ কাকতিয়ে। নিজৰ উদ্বোধনী ভাষণত কাকতিয়ে অসম চৰকাৰে ছাত্ৰীৰ শিক্ষা উত্তৰণ, বাল্য বিবাহ ৰোধ, আৰু ড্ৰপদ আউত হ্ৰাসত সহায় হোৱাকৈ প্ৰৱৰ্তন কৰা মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ বাবে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত মাজুলী জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ কৰ্মচাৰী কুশদীপ হাটীমতাই ন'ডেল বিষয়া হিচাপে অংশগ্ৰহণ কৰি নিযুত মইনা আঁচনিৰ চৰকাৰী নীতি নিৰ্দেশনাসমূহ ছাত্ৰীসকলক অৱগত কৰে আৰু আবেদন পত্ৰ পূৰণ কৰাৰ নিয়ম সমূহ ব্যাখ্যা কৰে। সভাত বিশিষ্ট অতিথি হিচাপে পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰণ শইকীয়া, বিদ্যালয়ৰ উপাধ্যক্ষ সত্যৰঞ্জন হাজৰিকাই অংশগ্ৰহণ কৰে। উক্ত, উদ্বোধনী অনুষ্ঠানৰ পাছতে বিদ্যালয়খনৰ ২২০ গৰাকী ছাত্ৰীক উক্ত নিযুত মইনা আঁচনিৰ আবেদন পত্ৰসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে যদু কলিতাই।

# পশ্চিম নলবাৰীৰ কলবাৰী-আজাৰা বাসন্তীখোলা সংযোগী লোক নিৰ্মাণ বিভাগৰ পথ(পি ডব্লিউ ডি)ৰ দুৰাৱস্থা

# ৰাজহুৱা বাট-পথৰ উন্নয়নেহে দেশৰ সামগ্ৰিক উন্নতি সাধন কৰেঃৰূপক বৈশ্য

**অসম বাৰ্তা, চামতা, ৬ আগষ্ট ঃ** ৰাজহুৱা বাট-পথৰ উন্নয়নেহে দেশৰ সামগ্ৰিক উন্নতি সাধন কৰে। এই মন্তব্য নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ। যিসময়ত ক্ষিপ্ৰতাৰে বাট-পথৰ উন্নয়নৰ কামবোৰ কৰি থকা হৈছে, ঠিক সেই সময়তে নলবাৰী জিলাৰ পশ্চিম নলবাৰীৰ কলবাৰী-আজাৰা বাসন্তীখোলা সংযোগী অতি ব্যস্ত লোক নিৰ্মাণ বিভাগ পথ চমুকৈ পি ডব্লিউ ডি পথৰ দুৰাৱস্থাক লৈ চিন্তিত হৈ পৰিছে সচেতন পথচাৰী যাত্ৰীসকল। পথটোৰ কেইবাঠাইতো জহি খহি গৈ গাঁতৰ সৃষ্টি হোৱাৰ ফলত বছৰ বছৰ ধৰি দুৰ্ভোগ ভুগি আহিছে সাধাৰণ লোকসকলে। স্থায়ী বাসিন্দা তথা প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ আৰু বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ( জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই উক্ত মন্তব্য প্ৰদানেৰে ক্ষোভ প্ৰকাশ কৰে। উল্লেখ্য যে, এই পথটোৰে দৈনিক পুৱাৰ পৰা গভীৰ নিশাৰ ভাগলৈকে নেৰানেপেৰাকৈ বিভিন্ন যান-বাহন চলাচল কৰে। কেইবাখনো চৰকাৰী-বেচৰকাৰী, ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অধ্যয়নৰত স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে খোজকাঢ়ি, চাইকেলেৰে বা অন্য বাহনেৰে অহা-যোৱা কৰে। পথটোৰ নিজ পকোৱা গাঁৱৰ তাঁতিপাৰা চুবুৰিৰ ৰাজহুৱা শ্মশানখনৰ গাতে লাগি অংশখিনিত এটি প্ৰকাণ্ড গাঁত হোৱাত বিপদসংকুল পৰিস্থিতিৰ সৃষ্টি হৈ পৰিছে। মন কৰিবলগীয়া যে, উক্ত স্থানত কেকুৰি এটি থকা হেতুকে সন্মুখৰ পৰা অহা যিকোনো লোক বা বাহন প্ৰত্যক্ষ কৰিব নোৱাৰাৰ ফলত বাধাবিঘিনিৰ উপৰি সৰুসুৰা দুৰ্ঘটনাও সংঘটিত হোৱা পৰিলক্ষিত হৈছে। এনে পৰিস্থিতিত তাৰ ওচৰত থকা কালভাৰ্টৰ পৰিসৰ বৃদ্ধি কৰি পথটোৰে সুচল যাতায়ত ব্যৱস্থাৰ বাবে স্থানীয় সচেতন লোকসকলে বিভাগীয় কৰ্তৃপক্ষলৈ এই প্ৰতিবেদনযোগে দাবী উত্থাপন কৰিছে। লোক নিৰ্মাণ বিভাগৰ পথ হোৱা সত্ত্বেও আজিলৈকে বিভাগটোৰ দৃষ্টিগোচৰ নোহোৱাত বহুজনে ক্ষোভ উজাৰিছে। সেয়েহে ৰাইজে ইয়াৰ তাৎক্ষণিক সমিধান বিচাৰি সকলোৰে উপকাৰ সাধন হোৱাটো কামনা কৰে।

# হাউলীৰ মিলনজ্যোতি মহাবিদ্যালয়ত নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ আবেদন পত্ৰ বিতৰণ আৰম্ভ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৬ আগষ্ট ঃ** অসমৰ চৰকাৰৰ শিক্ষাৰ্থী কল্যাণমূলক পদক্ষেপ 'মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি' আৰু 'নিযুত বাবু আঁচনি'ৰ অধীনত আবেদন পত্ৰ বিতৰণ কাৰ্যসূচী আজি হাউলীৰ মিলনজ্যোতি মহাবিদ্যালয়ত আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে হাউলী পৌৰসভাৰ সভানেত্ৰী অঞ্জলি দাস চৌধুৰীয়ে। এই উপলক্ষে তেওঁ শিক্ষাৰ্থীসকলক চৰকাৰী কল্যাণমূলক আঁচনিসমূহৰ সুবিধা সঠিকভাৱে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে, যোগ্য শিক্ষাৰ্থীসকলে সময়মতে আবেদন দাখিল কৰি চৰকাৰে আগবঢ়োৱা শিক্ষা সহায়ৰ সুযোগ গ্ৰহণ কৰা উচিত। মহাবিদ্যালয় কৰ্তৃপক্ষই জনোৱা মতে, আবেদন পত্ৰ বিতৰণৰ লগতে শিক্ষাৰ্থীসকলক আবেদন দাখিলৰ নিয়ম, প্ৰয়োজনীয় নথি-পত্ৰ আৰু যোগ্যতাৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰা হয়, যাতে কোনো যোগ্য শিক্ষাৰ্থী এই আঁচনিৰ সুবিধাৰ পৰা বঞ্চিত নহয়। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি আৰু নিযুত বাবু আঁচনি অসমৰ শিক্ষাৰ্থীসকলক উচ্চ শিক্ষা আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত উৎসাহিত কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা চৰকাৰৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বিবেচিত হৈছে। আবেদন পত্ৰ বিতৰণ কাৰ্যসূচীত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু বহু সংখ্যক শিক্ষাৰ্থীয়ে উপস্থিত থাকে।

# লংকাত চলন্ত এম জি হেক্টৰ বিলাসী বাহনত অগ্নিকাণ্ড, কথমপি ৰক্ষা পাঁচ আৰোহী

**অসম বাৰ্তা, লংকা, ৬ আগষ্ট ঃ** লংকা চহৰৰ ১ নং ৰে'লগেটৰ ওপৰৰ উৰণ সেতুৰ ওপৰত বুধবাৰে এখন চলন্ত এম জি হেক্টৰ বিলাসী বাহনত হঠাতে জুই লগাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। জানিব পৰা মতে, AS01FX 9170 নম্বৰৰ বাহনখনত পাঁচজন আৰোহী আছিল। তেওঁলোক লংকা চহৰত অনুষ্ঠিত সমাজকল্যাণ বিভাগৰ অংগনৱাড়ী কৰ্মীৰ সাক্ষাৎকাৰ পৰ্বত অংশগ্ৰহণ কৰি ঘৰলৈ উভতি আহি থকা সময়তে বাহনখনত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি আৰোহীসকলে তৎক্ষণাত বাহনখনৰ পৰা ওলাই আহিবলৈ সক্ষম হোৱাত এক বৃহৎ দুৰ্ঘটনাৰ পৰা কথমপি ৰক্ষা পৰে। অগ্নিকাণ্ডত বাহনখনৰ বিস্তৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। বাহনখন লংকাৰ নখুটিৰ চাৰ্কে বস্তিৰ বাসিন্দা জগদীশ চাকমাৰ মালিকানাধীন বুলি জানিব পৰা গৈছে। খবৰ পাই অগ্নিনিৰ্বাপক বাহিনীৰ লোক ঘটনাস্থলীত উপস্থিত হৈ জুই নিয়ন্ত্ৰণলৈ আনে। অগ্নিকাণ্ডৰ সঠিক কাৰণ তাৎক্ষণিকভাৱে জানিব পৰা হোৱা নাই যদিও আৰক্ষী আৰু সংশ্লিষ্ট বিভাগে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

# বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলত হিৰোচিমা- নাগাচাকি দিৱস পালন

## শিৱসাগৰ জিলাৰ ১০০টা বান বিধ্বস্ত পৰিয়ালক দিব ৫,০০০ টকাকৈ আৰ্থিক সাহায্য




**অসম বাৰ্তা, গহপুৰ, ৬ আগষ্ট ঃ** গহপুৰ সমজিলাৰ বৰঙাবাৰীৰ ইংৰাজী মাধ্যমৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান মৰ্ণিং ষ্টাৰ হাইস্কুলত আজি হিৰোচিমা আৰু নাগচাকি দিৱস পালন কৰা হয়। মৰ্ণিং ষ্টাৰ হাইস্কুলৰ অধ্যক্ষ দীনেশ কুমাৰ কে চিয়ে সঞ্চালনা কৰা অনুষ্ঠানটিৰ আৰম্ভণীতে হিৰোচিমা নাগাচাকি দিৱস উপলক্ষে বন্তি প্ৰজ্বলন কৰাৰ সামন্তৰাল ভাৱে পাৰমানবিক বোমা বিস্ফোৰণত নিহত সকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। উক্ত অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলে যুদ্ধ নালাগে, আমাক শান্তি লাগে শীৰ্ষক বাৰ্তাৰে মানৱ শৃখংল গঢ়ি তোলে। উজনি অসমৰ বানত বিধ্বস্ত লোকসকলৰ লগতে প্ৰলয়ংকাৰী বানৰ ফলত শিক্ষাৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলক সহযোগিতা আগবঢ়োৱা সংকল্পৰে ছাত্ৰ-ছাত্ৰীসকলক শপত বাক্য পাঠ কৰোৱা হয়। মৰ্ণিং ষ্টাৰ হাইস্কুলৰ পৰিচালন সঞ্চালক যাদৱ চলিহাই সামগ্ৰিক ভাৱে আঁত ধৰা অনুষ্ঠানটোতে No war Yes Peace শীৰ্ষক শ্লোগানেৰে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলে এক শান্তি সমদল বাহিৰ কৰে। জ্ঞানৰ পোহৰ বিলোৱাৰ লগতে মানৱীয় মূল্যবোধৰ পৱিত্ৰ পাঠ শিকোৱাৰ এক অনন্য নিদৰ্শন দাঙি ধৰি অহা শিক্ষানুষ্ঠানখনে ইতিহাসৰ ক'লা অধ্যায় হিৰোছিমা আৰু নাগাচাকিৰ ধ্বংসলীলাৰ মাজত বিশ্বশান্তি আৰু মানৱতাৰ প্ৰতি একাত্ম হোৱাৰ বাৰ্তা প্ৰেৰণ কৰে আজিৰ এই বিশেষ দিনটোতে। ঠিক এনে এক তাৎপৰ্যপূৰ্ণ মুহূৰ্ততে বিদ্যালয়খনে বৰ্তমানৰ শিৱসাগৰৰ বানাক্ৰান্ত দুৰ্ভগীয়া পৰিয়ালৰ কাষত থিয় দিয়াৰ এক মহান সংকল্প গ্ৰহণ কৰে। ঘোষণা অনুযায়ী, শিৱসাগৰৰ বানাক্ৰান্ত এশটা পৰিয়াললৈ অহা ১৫ আগষ্ট, স্বাধীনতা দিৱসৰ পৱিত্ৰ দিনটোত প্ৰতিটো পৰিয়ালক ৫,০০০ (পাঁচ হাজাৰ) টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে পৰিচালন সঞ্চালক যাদৱ চলিহা আৰু অধ্যক্ষ দিনেশ কুমাৰ কেচিয়ে। এই মহান উদ্দেশ্যক বাস্তৱ ৰূপ দিয়াৰ প্ৰথম পদক্ষেপ হিচাপে আজি ছাত্ৰ-ছাত্ৰীসকলে নিজাববীয়াকৈ সংগ্ৰহ কৰা আৰ্থিক সাহায্যৰ টোপোলা মৰ্ণিংষ্টাৰ হাইস্কুলৰ পৰিচালন সঞ্চালকৰ হাতত সাদৰেৰে জমা দিয়ে। কোমলমতি কিশোৰ-কিশোৰী তথা ছাত্ৰ-ছাত্ৰীসকলৰ এই স্বতঃস্ফূৰ্ত আৰু সংবেদনশীল প্ৰচেষ্টাই উপস্থিত প্ৰতিগৰাকী ব্যক্তিৰ হৃদয় স্পৰ্শ কৰাৰ লগতে সমাজলৈ এক আদৰ্শৰ বাৰ্তা কঢ়িয়াই আনিছে।

# জনসচেতনতা বৃদ্ধিৰ লক্ষ্যৰে গণশিল্পী জুবিন গাৰ্গে কণ্ঠদান কৰা জনগণনা ২০২৭ৰ শীৰ্ষক গীত (থীম ছং) উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ আগষ্ট ঃ** জনগণনা ২০২৭ৰ প্ৰথম পৰ্যায়ৰজন সচেতনতামূলক অভিযানৰ অংশ হিচাপে আজি আমিনগাঁৱৰ লোকপিয়ল সঞ্চালকালয়, অসমত জনগণনা ২০২৭ৰ শীৰ্ষক গীত (থীম ছং) আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। কোকৰাঝাৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে ৰচনা কৰা আৰু প্ৰয়াত জুবিন গাৰ্গে কণ্ঠদান কৰা এই শীৰ্ষক গীতে জনগণনাৰ গুৰুত্ব প্ৰতিফলিত কৰাৰ লগতে চলি থকা স্ব-গণনা (Self-Enumeration) প্ৰক্ৰিয়াত নাগৰিকসকলক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি অসমৰ লোকপিয়ল সঞ্চালক বিশ্বজিৎ পেগুৱে কয় যোৱা ২ আগষ্টৰ পৰা আৰম্ভ হোৱা স্ব-গণনা (Self-Enumeration) প্ৰক্ৰিয়া ১৬ আগষ্ট, ২০২৬ লৈকে চলিব। ইয়াৰ পিছতে ১৭ আগষ্টৰ পৰা ১৫ ছেপ্টেম্বৰ, ২০২৬লৈ জনগণনাৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকাভুক্তকৰণ (House Listing Operations - HOL) কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ইয়াৰ উপৰিও সঞ্চালকগৰাকীয়ে উল্লেখ কৰে যে জনগণনাৰ সফল ৰূপায়ণৰ বাবে জনসচেতনতা প্ৰতিগৰাকী নাগৰিক আৰু প্ৰতিখন পৰিয়াললৈ লৈ যোৱাটো অতি জৰুৰী। সেয়ে তৃণমূল পৰ্যায়ত ব্যাপক সজাগতা অভিযান অব্যাহত ৰাখিবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি কোকৰাঝাৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই শীৰ্ষক গীতটোৰ বিষয়ে বৰ্ণনা কৰে। তেওঁ জানিবলৈ দিয়ে যে এই গীতটো প্ৰথমে ২০১৩ চনত ৰচনা কৰা হৈছিল। জনগণনা ২০২৭ৰ প্ৰস্তুতি আৰম্ভ হোৱাৰ পিছত মূল ৰেকৰ্ডিংটো উদ্ধাৰৰ বাবে বিস্তৃত অনুসন্ধান চলোৱা হৈছিল আৰু দীঘলীয়া প্ৰচেষ্টাৰ অন্তত সেই ৰেকৰ্ডিং উদ্ধাৰ কৰিবলৈ সক্ষম হয়। তেওঁ লগতে কয় যে প্ৰয়াত জুবিন গাৰ্গৰ মূল কণ্ঠ অক্ষুণ্ণ ৰাখি কিছু অংশত পৰিমাৰ্জন কৰা হৈছে আৰু বিশিষ্ট সন্তুৰ বাদক পংকজ শৰ্মাৰ সংগীত সংযোজনেৰে গীতটো নতুন ৰূপ দিয়া হৈছে। অনুষ্ঠানত বক্তব্য ৰাখি শিল্পী জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে সন্তোষ প্ৰকাশ কৰি কয় যে জুবিন গাৰ্গৰ কণ্ঠৰ এই গীতটোৰে সমাজৰ এক গুৰুত্বপূৰ্ণ জনসচেতনতামূলক কাৰ্যত অৰিহণা যোগাব। তেওঁ কয় যে, জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিত যদি এই গীতটোৱে সহায় কৰে, তেন্তে জুবিন গাৰ্গ নিশ্চয় গৌৰৱান্বিত হ'লহেঁতেন, কিয়নো তেওঁ সদায় জনসাধাৰণৰ স্বাৰ্থৰ পক্ষত আছিল। তেওঁ জনগণনা ২০২৭ সফলভাৱে সম্পন্ন হোৱাৰ শুভকামনা জ্ঞাপন কৰাৰ লগতে এই অভিযানত সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। অনুষ্ঠানত সাধাৰণ প্ৰশাসন বিভাগৰ অতিৰিক্ত সচিব তথা জনগণনাৰ ন'ডেল বিষয়া পাৰ্থ পেগু, জনগণনা কাৰ্যৰ যুটীয়া সঞ্চালক ড° নিজৰা শৰ্মা, উপ-পঞ্জীয়ক (সাধাৰণ) ভাৰতী চন্দা, জনগণনা কাৰ্য সঞ্চালকালয়ৰ বিষয়া-কৰ্মচাৰী আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# দৌলাশাল আৰক্ষীৰ নামত ধন দাবী কৰি গ্ৰেপ্তাৰ হুছেইন আলী

## মাতব্বৰৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, দৌলাশাল, ৬ আগষ্ট ঃ** নলবাৰী জিলাৰ দৌলাশাল আৰক্ষীৰ নামত ধন দাবী কৰি গ্ৰেপ্তাৰ হৈছে হুছেইন আলী। ধৃত হুছেইন আলীয়ে দৌলাশাল আৰক্ষীৰ ভয় ভাবুকি দেখুৱাই একাংশ লোকক ধন দাবী কৰি আহিছিল। জানিব পৰা অনুসৰি ধৃত হুছেইন আলীয়ে দৌলাশাল আৰক্ষী চকীৰ এলেকাধীন একাংশ লোকক আৰক্ষীৰ ভয়-ভাবুকি দেখুৱাই বলপূৰ্বকভাৱে ধন দাবী কৰি আহিছিল। দৌলাশাল আৰক্ষীয়ে এই অভিযোগ লাভ কৰি অভিযোগটো সম্পৰ্কত তদন্ত আৰম্ভ কৰে। কালি নিশা দৌলাশাল আৰক্ষীয়ে অভিযুক্ত হুছেইন আলীক গ্ৰেপ্তাৰ কৰে। ধৃত হুছেইন আলী মুকালমুৱা থানাৰ অন্তৰ্গত লাৰকুছি গাঁৱৰ জবেদ আলীৰ পুত্ৰ বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে ধৃত হুছেইন আলীয়ে দৌলাশাল আৰক্ষীৰ সৈতে সুসম্পৰ্ক থকা বুলি কৈ একাংশ ব্যক্তিৰ পৰা বলপূৰ্বকভাৱে ধন দাবী কৰি আহিছিল। ঘটনাটো সন্দৰ্ভত দৌলাশাল আৰক্ষীয়ে মুকালমুৱা থানাত ১১৩/২৬ নম্বৰত ভাৰতীয় ন্যায় সংহিতা আইনৰ ২০৪ / ৩(৫) / ৩০৮ / ৩১৮ (২) ৩৫১ (২) ধাৰাত গোচৰ ৰুজু কৰি ধৃত হুছেইন আলীক মাৰাথান জেৰা অব্যাহত ৰাখিছে। ধৃত হুছেইন আলীৰ সৈতে আন কেইবাজনো ব্যক্তি জড়িত থকা বুলি আৰক্ষীয়ে তথ্য লাভ কৰিছে। উল্লেখযোগ্য যে দৌলাশাল আৰক্ষীয়ে কিছুদিন পূৰ্বেও অঞ্চলটোৰ এগৰাকী যুৱকৰ পৰা দৌলাশাল আৰক্ষীৰ নামত ধন দাবী কৰাৰ অভিযোগ লাভ কৰিছিল। আৰক্ষীৰ নামত ধন দাবী কৰা আন কেইবাজনো ব্যক্তি শীঘ্ৰেই দৌলাশাল আৰক্ষীৰ জালত পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। দৌলাশাল আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতি কমল বনিয়াই ৰাইজক সতৰ্ক হ'বলৈ বাৰ্তা প্ৰেৰণ কৰে। কোনো ব্যক্তিয়ে আৰক্ষীৰ নামত ধন দাবী আৰু আৰক্ষীৰ ভয়-ভাবুকি দেখুৱালেই তৎকালে দৌলাশাল আৰক্ষীক অৱগত কৰিবলৈও আহ্বান জনায় আৰক্ষী বিষয়া জ্যোতি কমল বনিয়াই। উল্লেখযোগ্য যে দৌলাশাল আৰক্ষী চকীৰ অন্তৰ্গত সংখ্যালঘু সমাজত কোনো ঘটনা সংঘটিত হ'লে ভুক্তভোগীয়ে আৰক্ষী চকীত এজাহাৰ দাখিল কৰাৰ পাছতেই সংখ্যালঘু সমাজৰ মাতব্বৰে দুয়োপক্ষৰ মাজত বিচাৰি অনুষ্ঠিত কৰি মাতব্বৰী চক্ৰটোৱে আৰক্ষীৰ নামত দাবী কৰে ধন। ইতিমধ্যেই সংখ্যালঘু সমাজত বিচাৰ অনুষ্ঠিত কৰি আৰক্ষীৰ নামত ধন দাবী কৰা আন কেইবাজনৰ তথ্য লাভ কৰিছে দৌলাশাল আৰক্ষীয়ে। শীঘ্ৰেই আন কেইবাজনো দৌলাশাল আৰক্ষীৰ জালত পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। তদুপৰি দৌলাশাল আৰক্ষীৰ সৈতে সুসম্পৰ্ক থকা বুলি আন একাংশই আৰক্ষীৰ ভয় ভাবুকি দেখুৱাই ধন দাবী কৰি অহা তথ্য লাভ কৰিছে আৰক্ষীয়ে।

## হোজাই পাঁচআলি ঈদগাহত কেইবা সহস্ৰাধিক লোকৰ উপস্থিতিত জানাজা সম্পন্ন

# হবিব মহম্মদ চৌধুৰীৰ মাতৃ জাহানাৰা বেগমৰ ইন্তেকাল

**অসম বাৰ্তা, ডবকা, ৬ আগষ্ট ঃ** জামিয়া অসম দাৰুল হদীছ জয়নগৰ মাদ্ৰাছা পৰিচালনা কমিটিৰ সভাপতি তথা প্ৰাক্তন সংখ্যালঘু উন্নয়ন বৰ্ডৰ অধ্যক্ষ হবিব মহম্মদ চৌধুৰীৰ মাতৃ জাহানাৰা বেগম চৌধুৰীৰ মঙলবাৰে সন্ধিয়া প্ৰায় ৬:৩০ বজাত ইন্তেকাল হয়। তেওঁৰ বিয়োগৰ খবৰে সমগ্ৰ ডবকা, হোজাই তথা পাৰ্শ্বৱৰ্তী অঞ্চলত গভীৰ শোকৰ ছাঁ পেলায়। সামাজিক, ধৰ্মীয়, শিক্ষানুষ্ঠানৰ সৈতে জড়িত ব্যক্তি আৰু শুভাকাঙ্ক্ষীসকলে মৰহুমাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে। মৰহুমাৰ ইন্তেকালত অসম ৰাজ্যিক জমিয়ত উলামাই গভীৰ শোক প্ৰকাশ কৰে। সংগঠনটোৰ সভাপতি মৌলানা মুস্তাক আনফৰে এক শোকবাৰ্তাত মহান আল্লাহ তাআলাৰ ওচৰত মৰহুমাক জান্নাতুল-ফিৰদাউছ নছীব কৰাৰ বাবে দোৱা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক এই অপূৰণীয় ক্ষতি সহ্য কৰাৰ ধৈৰ্য্য আৰু শক্তি প্ৰদান কৰিবলৈ আল্লাহ তাআলাৰ ওচৰত প্ৰাৰ্থনা জনায়। ইফালে, হোজাই জিলা জমিয়ত উলামাৰ সম্পাদক কপিল উদ্দিনেও এক পৃথক শোকবাৰ্তাত মৰহুমাৰ মাগফিৰাত কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। সংগঠনটোৱে মহান আল্লাহ তাআলাৰ ওচৰত দোৱা জনায় যে, তেওঁ যেন মৰহুমাক জান্নাতুল-ফিৰদাউছ দান কৰে, কবৰক ৰওজা মিন ৰিয়াজিল জান্নাহ বনাই দিয়ে আৰু পৰিয়ালবৰ্গক এই দুঃসময়ত ধৈৰ্য্য ধাৰণ কৰাৰ তৌফিক প্ৰদান কৰে। আনহাতে, ডবকা চিটি প্ৰেছ ক্লাবৰ সভাপতি হবিবুৰ ৰহমান চৌধুৰী আৰু উপ-সভাপতি হিলাল উদ্দিন চৌধুৰীয়ে (ৰৌজ) এক শোকবাৰ্তাৰ জৰিয়তে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰি মৰহুমাৰ বিদেহ আত্মাৰ মাগফিৰাত কামনা কৰে। বুধবাৰে নিশা হোজাই পাঁচআলি ঈদগাহত কেইবা সহস্ৰাধিক লোকৰ উপস্থিতিত মৰহুমাৰ জানাজাৰ নামাজ সম্পন্ন হয়। জানাজাত বিভিন্ন অঞ্চলৰ উলামা-মাশ্বায়েখ, সমাজকৰ্মী, বিশিষ্ট ব্যক্তি, আত্মীয়-স্বজন আৰু অসংখ্য ধৰ্মপ্ৰাণ মুছল্লীয়ে অংশগ্ৰহণ কৰে। জানাজাৰ পূৰ্বে হবিব মহম্মদ চৌধুৰীয়ে তেওঁৰ প্ৰয়াত মাতৃৰ সোঁৱৰণত আবেগঘন বক্তব্য আগবঢ়ায়। বক্তব্যৰ সময়ত তেওঁ হুকহুকাই কান্দি উঠে আৰু মাতৃয়ে অশেষ ত্যাগ, কষ্ট আৰু মমতাৰে সন্তানসকলক লালন-পালন কৰাৰ বিভিন্ন স্মৃতি উপস্থিত লোকসকলৰ সৈতে ভাগ-বতৰা কৰে। তেওঁৰ এই হৃদয়স্পৰ্শী বক্তব্যই জানাজাস্থলিত উপস্থিত বহু লোককো আৱেগিক কৰি তোলে। জানাজা সম্পন্ন হোৱাৰ পিছত উপস্থিত মুছল্লীসকলে মহান আল্লাহ তাআলাৰ ওচৰত মৰহুমাৰ মাগফিৰাত, জান্নাতুল-ফিৰদাউছনছীব আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ ছবৰ (ধৈৰ্য্য) প্ৰদানৰ বাবে বিশেষ দোৱা-মোনাজাত কৰে।

# এনআৰএলৰ মুখ্য মহাপ্ৰবন্ধক (কৰ্পৰেট কমিউনিকেচনছ) জয়ন্ত গোস্বামীৰ অকাল

যে, জয়ন্ত গোস্বামী এগৰাকী দক্ষ, নিষ্ঠাবান আৰু অভিজ্ঞ পেছাদাৰী বিষয়া আছিল। দীৰ্ঘদিন ধৰি তেওঁ এন আৰ এলৰ বিভিন্ন গুৰুত্বপূৰ্ণ দায়িত্ব সফলতাৰে পালন কৰাৰ পিছত শেহতীয়াকৈ কৰ্পৰেট কমিউনিকেচনছ বিভাগৰ নেতৃত্ব গ্ৰহণ কৰিছিল। কোম্পানীটোৱে উল্লেখ কৰে যে, নিজৰ শান্ত, নিষ্ঠাপূৰ্ণ আৰু পেছাদাৰী কৰ্মপদ্ধতিৰে তেওঁ এন আৰ এলৰ ভাবমূৰ্তি দেশ-বিদেশত সুপ্ৰতিষ্ঠিত কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। তেওঁৰ কৰ্মনিষ্ঠা, আন্তৰিকতা আৰু সহকৰ্মীসকলৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক সদায় স্মৰণীয় হৈ থাকিব। জানিব পৰা মতে উচ্চৰক্তচাপ জনিত কাৰণত তেওঁ মূৰ্ছা যোৱাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। পিছত তেওঁ আৰোগ্যৰ পথলৈ নাহিল। এন আৰ এলে কয় যে, জয়ন্ত গোস্বামীৰ প্ৰয়াণে সংস্থাটোৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল। তেওঁৰ অভাৱ সমগ্ৰ সংস্থাই গভীৰভাৱে অনুভৱ কৰিব। প্ৰয়াত জয়ন্ত গোস্বামীৰ শোকসন্তপ্ত পৰিয়ালবৰ্গ আৰু আত্মীয়-স্বজনলৈ এন আৰ এল পৰিয়ালৰ ফালৰ পৰা গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছে।

# ৰঙিয়া মহাবিদ্যালয়ত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ আবেদন পত্ৰ বিতৰণ অনুষ্ঠান

**অসম বাৰ্তা, ৰঙিয়া, ৬ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ অসমতে আজিৰে পৰা মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত ভাৰ্চুৱেলী মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি আৰু মুখ্যমন্ত্ৰী নিযুত বাবু আঁচনিৰ ২০২৬-২৭ বৰ্ষৰ আবেদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভনী কৰে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাত বিধায়ক ভবেশ কলিতাই ৰঙিয়া মহাবিদ্যালয়ত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি আৰু মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিৰ আবেদন পত্ৰৰ শুভৰাম্ভণি কৰে। মহাবিদ্যালয়খনৰ মুঠ ৩ হাজাৰৰো অধিক ছাত্ৰ ছাত্ৰীক এই আঁচনিৰ আবেদন পত্ৰ প্ৰদান কৰে বিধায়ক গৰাকীয়ে। নিজৰ ভাষণত ছাত্ৰীসকলক শিক্ষাৰ জৰিয়তে সবলীকৰণ আৰু বাল্য বিবাহৰ দৰে কুসংস্কাৰ ৰোধেৰে এক সুৰক্ষিত ভৱিষ্যত প্ৰদান কৰাৰ লগতে ছাত্ৰ সকলৰ শিক্ষাৰ সুবিধাৰ্থে অসম চৰকাৰৰ এক অনন্য পদক্ষেপ হৈছে এই "মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি" আৰু "মুখ্যমন্ত্ৰী নিযুত বাবু আঁচনি"। অসম চৰকাৰৰ মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিখনৰ জৰিয়তে ৰাজ্যৰ কন্যা শিক্ষাৰ্থীসকলক উচ্চ শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী কৰি তুলিব আৰু পিতৃ-মাতৃৰ আৰ্থিক বোজা হ্ৰাস কৰিব। উল্লেখ্যযোগ্য যে বাল্য বিবাহ ৰোধ আৰু ছাত্ৰীৰ সৱলীকৰণ কৰা ক্ষেত্ৰতো এই আঁচনিখনে বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি কয়। আনহাতে ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলক সৱলীকৰণ তথা সকাহ প্ৰদান কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মাই লোৱা পদক্ষেপ তথা সিদ্ধান্তৰ শলাগ লয়। আজিৰ অনুষ্ঠানত বিধায়ক গৰাকীৰ লগত উপস্থিত থাকে ৰঙিয়াৰ সমজিলা আয়ুক্ত, ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষকে ধৰি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী।

## ৰাজ্যজুৰি বান সাহায্য সংগ্ৰহৰ

বানাক্ৰান্তক সহায় কৰিব বিচাৰে, নিজৰ পকেটৰ পৰা টকা খৰচ কৰক।" মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কোনো সংগঠন বা ব্যক্তিয়ে যাতে কোনো দোকান বা সাধাৰণ নাগৰিকৰ ওপৰত বলপূৰ্বকভাৱে সাহায্য সংগ্ৰহ কৰিব নোৱাৰে, তাৰ বাবে আৰক্ষীক স্পষ্ট নিৰ্দেশ দিয়া হৈছে।" বানপানীৰ প্ৰথম সপ্তাহত পৰিস্থিতি বেলেগ আছিল, য'ত বিভিন্ন স্বেচ্ছাসেৱীয়ে অহোপুৰুষাৰ্থ কৰিছিল। কিন্তু এতিয়া চৰকাৰে সম্পূৰ্ণভাৱে দায়িত্ব লৈছে, প্ৰশাসন ঘৰে ঘৰে উপনীত হ'ব পাৰিছে, আৰু ৰাইজে প্ৰত্যক্ষভাৱে চৰকাৰৰ ওচৰত আবেদন জনাব পাৰিছে। গতিকে এতিয়া বাটে-পথে অনুদান সংগ্ৰহ কৰাৰ কোনো অৰ্থ নাই। যদি কেইবাগৰাকী বন্ধু-বান্ধৱী লগ হৈ নিজৰ পকেটৰ পৰা দুই-চাৰি হাজাৰ টকা দিব খোজে, তাত কোনো আপত্তি নাই। কিন্তু দোকান-পোহাৰত সোমাই জোৰপূৰ্বক টকা উঠালে সেইটো অসমৰ বাবে কলংকজনক।" — মুখ্যমন্ত্ৰীয়ে ক্ষোভ প্ৰকাশ কৰে। এই প্ৰসঙ্গত তেওঁ কয় যে যিসকলে ব্যক্তিগতভাৱে স্বতঃস্ফূৰ্ত সাহায্য আগবঢ়াব বিচাৰে তেওঁলোকক চৰকাৰে আদৰণি জনায়, কিন্তু আনৰ পৰা সংগ্ৰহ কৰি দিয়া পদ্ধতি সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগে। "শিৱসাগৰ-চৰাইদেউৰ বানাক্ৰান্ত ৰাইজেও ইচ্ছা নকৰে যে সেই টকা আনৰ ওপৰত খৰচ কৰি তেওঁলোকক সাহায্য দিয়া হওক।" ইপিনে, বান সাহায্য বিতৰণত হোৱা কিছু অনিয়মৰ বিষয়েও মুখ্যমন্ত্ৰী মত প্ৰকাশ কৰে। তেওঁ স্বীকাৰ কৰে যে প্ৰথম পৰ্যায়ত ১৫ হাজাৰ টকাকৈ প্ৰেৰণ কৰা সাহায্য কিছুমান প্ৰকৃত বানাক্ৰান্তই নোপোৱাৰ অভিযোগ তেওঁৰ কাষলৈ আহিছে। ইয়াৰ কাৰণ হিচাপে তেওঁ কয়, "শিৱসাগৰ আৰু চৰাইদেউলৈ আমি প্ৰথম অৱস্থাত আধাৰ কাৰ্ড বা ৰেচন কাৰ্ডৰ নম্বৰ নোলোৱাকৈ ৰপ্ত হাজাৰ টকা প্ৰেৰণ কৰিছিলো। ফলত কিছু বিসঙ্গতি হ'ব পাৰে। কিন্তু এতিয়া ৯ আগষ্টৰ পৰা আমি ঘৰে ঘৰে সম্পূৰ্ণ জৰীপ আৰম্ভ কৰিম। ফটো, আধাৰ, আৰু ক্ষতিৰ প্ৰমাণ লৈ প্ৰকৃত বানাক্ৰান্তসকলক চিনাক্ত কৰি ক্ষতিপূৰণ প্ৰদান কৰা হ'ব। টকাৰ কোনো অসুবিধা নাই, প্ৰশাসন যথেষ্ট সক্ষম।" বান নোপোৱা পৰিয়ালৰ একাউণ্টত সাহায্য গ'লে বা ভুলক্ৰমে কাৰোবাক বাদ পৰিলে, সেই বিষয়ত ৰাইজে নিজেও সজাগ হৈ প্ৰশাসনক সহায় কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। "বান নোহোৱা ঠাইৰ মানুহে যদি সাহায্য পাইছে, তেওঁলোকে অনুগ্ৰহ কৰি আমাক জনাওক। এনেকুৱা খেলিমেলি আঁতৰাবলৈ ৰাইজৰ সহায় অপৰিহাৰ্য। চৰকাৰে নিৰ্দলীয়াভাৱে জৰীপ চলাই ক্ষতিগ্ৰস্তসকলক ন্যায্য সাহায্য দিব।" — মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে, উজনি অসমত এইবাৰৰ বানপানীয়ে প্ৰায় দুই ডজন জিলাক প্ৰভাৱিত কৰিছে, যাৰ ভিতৰত শিৱসাগৰ আৰু চৰাইদেউ আটাইতকৈ ক্ষতিগ্ৰস্ত। মুখ্যমন্ত্ৰী নিজেও ইতিমধ্যে সেই অঞ্চল পৰিদৰ্শন কৰি আহিছে আৰু প্ৰশাসনক তৎপৰ হৈ থাকিবলৈ নিৰ্দেশ দিছে। আগন্তুক দিনবোৰত চৰকাৰী জৰীপ আৰু সাহায্য বিতৰণ কেনেকৈ সম্পন্ন হয়, তাৰ প্ৰতি সমগ্ৰ ৰাজ্যৰ দৃষ্টি থাকিব।

## ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৰ

ৰণনৈতিক অংশীদাৰিত্বৰ অগ্ৰগতি বিস্তৃতভাৱে পৰ্যালোচনা কৰে। তেওঁলোকে দুয়োখন দেশৰ পাৰস্পৰিক লাভৰ বাবে বিভিন্ন খণ্ডত সহযোগিতা অধিক শক্তিশালী কৰাৰ সংকল্প পুনৰ ব্যক্ত কৰে। ইয়াৰ লগতে পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কেও আলোচনা হয়। দুয়োগৰাকী নেতাই আঞ্চলিক নিৰাপত্তা, স্থিৰতা আৰু শান্তিৰ বিষয়ত নিজ নিজ মতামত ব্যক্ত কৰে। ক্ৰমাৎ পৰিৱৰ্তিত আঞ্চলিক পৰিস্থিতিৰ মাজত ভাৰত আৰু ইজৰাইলৰ মাজত নিয়মীয়া যোগাযোগ আৰু সমন্বয় অব্যাহত ৰখাৰ প্ৰয়োজনীয়তাৰ বিষয়ে তেওঁলোক একমত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আলোচনাৰ সময়ত কূটনীতি আৰু শান্তিপূৰ্ণ সমাধানৰ মাধ্যমেৰে অঞ্চলটোৰ উত্তেজনা প্ৰশমিত কৰাৰ ভাৰতৰ নীতিৰ কথা পুনৰ দোহাৰে। দুয়োগৰাকী নেতাই ভৱিষ্যতেও উচ্চস্তৰীয় যোগাযোগ অব্যাহত ৰাখিবলৈ সন্মতি প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে দ্বিপাক্ষিক সম্পৰ্কই নতুন গতি লাভ কৰিব আৰু যৌথ স্বাৰ্থ জড়িত বিষয়বোৰত ঘনিষ্ঠ সহযোগিতা বজাই ৰাখিব পৰা যাব। প্ৰতিৰক্ষা, কৃষি, জল ব্যৱস্থাপনা, উদ্ভাৱন, চাইবাৰ নিৰাপত্তা, হাই-টেক, ষ্টাৰ্টআপ আৰু বাণিজ্যৰ দৰে খণ্ডসমূহত চলি থকা সহযোগিতাৰ বিষয়েও আলোচনা হোৱা বুলি ধাৰণা কৰা হৈছে। যোৱা কেইবছৰমানৰ পৰা ভাৰত আৰু ইজৰাইলে এই খণ্ডসমূহত নিজৰ অংশীদাৰিত্ব নিৰন্তৰভাৱে শক্তিশালী কৰি আহিছে। দুয়োখন দেশ ভৱিষ্যতেও নতুন সম্ভাৱনাসমূহৰ ওপৰত একেলগে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

## যন্তৰ-মন্তৰ আন্দোলনৰ পাছতে

Gen-Z প্ৰজন্মৰ ওচৰ চাপিবলৈ এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। এই ধাৰাবাহিকতাই ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় (MEA) ক Snapchatত আনুষ্ঠানিকভাৱে উপস্থিতি নিশ্চিত কৰিবলৈ উদ্বুদ্ধ কৰিছে। মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে সামাজিক মাধ্যম X (পূৰ্বৰ টুইটাৰ)ত দিয়া এটা পোষ্টৰ জৰিয়তে এই তথ্য প্ৰকাশ কৰে। তেওঁ লিখে, "এতিয়া আমি Snapchatতো আছোঁ আমাক যোগ কৰক আৰু বিশেষ কাহিনী, শেহতীয়া আপডেট, আকৰ্ষণীয় কণ্টেণ্ট আৰু বহুতো বিষয়ৰ বাবে আমাৰ সৈতে সংযুক্ত হৈ থাকক। আহক Snap কৰোঁ।" ইয়াৰ লগতে মুখপাত্ৰগৰাকীয়ে কয় যে মন্ত্ৰালয়টোৱে Snapchatত 'এক্সক্লুচিভ ষ্টʼৰিজ, আপডেট আৰু আকৰ্ষণীয় কণ্টেণ্ট' প্ৰদান কৰিব। উল্লেখযোগ্য যে, ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় হৈছে কেন্দ্ৰীয় স্তৰৰ প্ৰথমটো মন্ত্ৰালয় যিয়ে এই জনপ্ৰিয় প্লেটফৰ্মত নিজৰ আনুষ্ঠানিক উপস্থিতি নিশ্চিত কৰিলে। এই পদক্ষেপৰ প্ৰেক্ষাপটত উল্লেখযোগ্য যে, সাম্প্ৰতিক সময়ত যন্তৰ-মন্তৰত হোৱা ছাত্ৰ আন্দোলনৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে Instagramত অধিক সক্ৰিয়তা আৰম্ভ কৰিছিল। তেওঁ নিশা ৰীল ভিডিঅ'ৰ জৰিয়তে দেশৰ যুৱক-যুৱতীসকলক উদ্দেশ্যি বাৰ্তা প্ৰেৰণ কৰে আৰু নিজৰ কেবিনেট মন্ত্ৰীসকলকো Instagramত অধিক সক্ৰিয় হ'বলৈ পৰামৰ্শ দিয়ে। বিশেষজ্ঞসকলৰ মতে, ২০২৯ চনৰ সাধাৰণ নিৰ্বাচনলৈকে দেশৰ ৪০০ নিযুত Gen-Z ভোটাৰক লক্ষ্য কৰি চৰকাৰে এই ডিজিটেল কূটনীতিৰ মাজেৰে যুৱ সমাজৰ সৈতে সংযোগ স্থাপন কৰিব বিচাৰে। ইফালে, এই পদক্ষেপক লৈ সামাজিক মাধ্যমত মিশ্ৰিত প্ৰতিক্ৰিয়া পৰিলক্ষিত হৈছে। বহু নেটিজেনে কটাক্ষ কৰি কৈছে, "Gen-Z ৰ এটা প্ৰতিবাদ আৰু এইটোৱেই ফল", আনহাতে কিছুমানে চৰকাৰৰ এই পদক্ষেপক স্বাগতম জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ Snapchatত যোগদান প্ৰধানমন্ত্ৰীৰ ডিজিটেল অভিযানৰ অংশস্বৰূপ বুলি গণ্য কৰা হৈছে, যিয়ে চৰকাৰী প্ৰচাৰ আৰু কূটনৈতিক বাৰ্তা প্ৰচাৰৰ বাবে এক নতুন মাধ্যম যোগান ধৰিছে।

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

আবেদন-পত্ৰ বিতৰণৰ শুভাৰম্ভ কৰে। একে সময়তে সমগ্ৰ ৰাজ্যৰ ছুপুচখন শিক্ষানুষ্ঠানত এই আবেদন-পত্ৰ বিতৰণৰ ব্যৱস্থা কৰা হয়, য'ত শিক্ষামন্ত্ৰী, বিধায়ক আৰু স্থানীয় গণ্যমান্য ব্যক্তিসকলে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে শেহতীয়া বানপানীৰ ফলত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহলৈ প্ৰত্যক্ষ আৰ্থিক সাহায্য হস্তান্তৰৰো ঘোষণা কৰে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি নিধিৰ নিৰ্দেশিকা অনুসৰি মুঠ ৭৯৩খন বিদ্যালয়ৰ মেৰামতিৰ বাবে ৰপ্ত.জ্ঞছ কোটি টকা ডি বি টি (DBT)ৰ জৰিয়তে প্ৰেৰণ কৰা হয়। ইয়াৰ ভিতৰত শিৱসাগৰৰ প্তপ্তজ্ঞখন বিদ্যালয়লৈ ৰৰ কোটি, চৰাইদেউৰ ৰৰৰখনলৈ ২.২২ কোটি, যোৰহাটৰ ৰজ্ঞখনলৈ চ.জ্ঞছ কোটি আৰু গোলাঘাটৰ ২৯খনলৈ ৫৮ লাখ টকা অন্তৰ্ভুক্ত। বানপানীত শিক্ষা সামগ্ৰী হেৰুওৱা ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও মুখ্যমন্ত্ৰীয়ে সকাহ কঢ়িয়াই আনে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ উচ্চতৰ মাধ্যমিকৰ শিক্ষাৰ্থীসকলক ১,০০০ টকা, স্নাতক পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীলৈ, জ্ঞজ্ঞজ্ঞ টকা আৰু স্নাতকোত্তৰ শিক্ষাৰ্থীসকলক ৫, ০০০ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হয়। লগতে পলিটেকনিক আৰু বিএড (B.Ed.) পাঠ্যক্ৰমৰ শিক্ষাৰ্থীসকলকো এই সাহায্যৰ আওতাত অনা হয়। মুঠ চৰ, জ্ঞচপ্ত গৰাকী শিক্ষাৰ্থীৰ মাজত ৪.২৬ কোটি টকা বিতৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। আঁচনি দুখনৰ প্ৰগতি সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে যে ২০২৪-২৫ বৰ্ষত 'নিযুত মইনা' আঁচনিৰ অধীনত ৰ.ছজ্ঞ লাখ ছাত্ৰীয়ে সুবিধা লাভ কৰিছিল, যিটো ২০২৫-২৬ বৰ্ষত ৪ লাখলৈ বৃদ্ধি পায়। চলিত বৰ্ষত অতিৰিক্ত ৰ লাখ ছাত্ৰী অন্তৰ্ভুক্ত হোৱাৰ পূৰ্বানুমান কৰা হৈছে। আনহাতে 'নিযুত বাবু' আঁচনিৰ অধীনত বিগত বৰ্ষত ৫০ হাজাৰ ছাত্ৰৰ পৰা চলিত বৰ্ষত এই সংখ্যা ১.২০ লাখলৈ উন্নীত কৰা হৈছে। তদুপৰি পলিটেকনিক আৰু সংহত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সপ্তম ষাণ্মাসিকত অধ্যয়নৰত ছাত্ৰীসকলকো এইবাৰ নিযুত মইনা আঁচনিৰ আওতাত অনা হৈছে। আগন্তুক ৰজ্ঞ অক্টোবৰ তাৰিখে যোগ্য শিক্ষাৰ্থীসকলক এই আঁচনিৰ অধীনত চেক বিতৰণ কৰা হ'ব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয়, "অভিভাৱকসকলৰ সন্তান পঞ্চুওৱাৰ বোজা কিছু পৰিমাণে লাঘৱ কৰাটোৱেই আমাৰ লক্ষ্য। আগষ্ট মাহত নামভৰ্তি কৰা শিক্ষাৰ্থীয়ে অক্টোবৰত আগষ্ট আৰু ছেপ্টেম্বৰ মাহৰ ধন একেলগে লাভ কৰিব।" লগতে শিক্ষাৰ্থীসকলক আধাৰ কাৰ্ডৰ সৈতে সংযুক্ত বেংক একাউণ্ট দাখিল কৰিবলৈ আৰু জমা দিয়া একাউণ্টৰ ই-কেৱাইচি (e-KYC) সম্পূৰ্ণ কৰিবলৈ বিশেষভাৱে আহ্বান জনায়, যাতে নিয়মীয়াকৈ ধন লাভত কোনো বাধাৰ সৃষ্টি নহয়। অনুষ্ঠানখনত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক বিজয় কুমাৰ গুপ্তা, দিপ্লু ৰঞ্জন শৰ্মা, তপন দাস প্ৰমুখ্যে শিক্ষা বিভাগৰ বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত মুখ্যমন্ত্ৰীয়ে পুনৰ্বাৰ কয় যে ৰাজ্য চৰকাৰে শিক্ষাৰ মান উন্নীতকৰণৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ নকৰে আৰু বানপীড়িত শিক্ষাৰ্থীসকলক পুনৰ পাঠ্যক্ৰমত ঘূৰাই আনিবলৈ আটাই ধৰণৰ সহায় আগবঢ়োৱা হ'ব। ইফালে, অসম চৰকাৰৰ জনসংযোগ বিভাগে প্ৰকাশ কৰা প্ৰেছ বিবৃতিত উল্লেখ কৰা মতে, এই আঁচনি দুখনৰ জৰিয়তে ২০২৬-২৭ বৰ্ষত মুঠ ১, ৯৫৯খন বিদ্যালয় সামৰি লোৱা হৈছে। এই বৃহৎ উদ্যোগে ৰাজ্যৰ শিক্ষা ব্যৱস্থাত এক নতুন দিগন্তৰ সূচনা কৰিছে বুলি ৰাজহুৱা মহলত আদৰণি জনোৱা হৈছে।

## লণ্ডন-আমেৰিকাত বান সাহায্য সংগ্ৰহৰ

সৰু অনুষ্ঠান কৰিছিলোঁ। তাত বহুতে স্বতঃস্ফূৰ্তভাৱে অনুদান আগবঢ়াইছিল। কিন্তু কিছুমানে এই কামক 'ভিক্ষা' বুলি আখ্যা দিছে। মই কওঁ, নিজৰ মানুহৰ বাবে যদি ভিক্ষা কৰিবলৈও লাগে, মই তাত লাজ নাপাওঁ। অনুগ্ৰহ কৰি এই সময়ত মোক লৈ ব্যস্ত নহৈ বানাক্ৰান্তসকলক সহায়ৰ হাত আগবঢ়াওক।" ইফালে, বৃহস্পতিবাৰে গুৱাহাটীত সংবাদ মাধ্যমৰ সৈতে মতবিনিময়ত এই বিষয়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ মতামত প্ৰকাশ কৰে। তেওঁ কটাক্ষ কৰি কয়, "মইতো দিল্লীৰ পৰা টকা খুজিবলৈও অসুবিধা পাওঁ, লণ্ডনৰ পৰা তো দূৰৰ কথা। মই সদায় চেষ্টা কৰোঁ যে নিজৰ ৰাজ্যৰ মানুহক কেনেকৈ সহায় কৰিব পাৰি। মই কাৰো ওচৰত হাত পতাৰ পক্ষপাতী নহয়। কাৰোবাই যদি নিজৰ ইচ্ছাত দান দিয়ে, সেয়া বেলেগ কথা, কিন্তু খুজি খাই সাহায্য সংগ্ৰহ কৰাটো মোৰ দৃষ্টিত সমীচীন নহয়।" মুখ্যমন্ত্ৰীয়ে লগতে কয়, "যোৱা চাৰিদিন মই ক্ষতিগ্ৰস্ত জিলাসমূহ পৰিদৰ্শন কৰি আহিছোঁ। বানাক্ৰান্ত ৰাইজে চৰকাৰৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিছে। আমি তেওঁলোকক যথাযথ সাহায্য প্ৰদান কৰিবলৈ সক্ষম। লণ্ডন, আমেৰিকা বা আন কোনো দেশলৈ গৈ হাত পতাৰ প্ৰয়োজন নাই। যদি কোনো বিদেশী নাগৰিকে টেলিভিছন বা সামাজিক মাধ্যমত অসমৰ বানৰ ছবি দেখি স্বতঃস্ফূৰ্তভাৱে দান কৰে, তাত আমি বেয়া নাপাওঁ। কিন্তু চৰকাৰ বা কোনো ব্যক্তিয়ে আনৰ ওচৰত ভিক্ষা বিচৰাটো সঠিক নহয়।" মুখ্যমন্ত্ৰীৰ এই মন্তব্যে সমগ্ৰ বিতৰ্কত নতুন মাত্ৰা যোগ কৰিছে। মেঘৰঞ্জনী মেধিৰ উদ্যোগক লৈ ৰাজ্যৰ ৰাজনৈতিক-সামাজিক মহলত দ্বিমত প্ৰকাশ পাইছে। কোনোৱে তেওঁৰ সাহস আৰু মানৱীয় মনোভাৱক প্ৰশংসা কৰিছে, আনহাতে মুখ্যমন্ত্ৰীৰ মন্তব্যক সমৰ্থন জনাই বহু লোকে কয় যে চৰকাৰ ইতিমধ্যেই সক্ষম আৰু বাহিৰৰ পৰা সাহায্য সংগ্ৰহৰ প্ৰয়োজন নাই।

## বানৰ সময়ত প্ৰধানমন্ত্ৰী মোদী

বহু লোক এতিয়াও সন্ধানহীন। এই ধৰণৰ বান আগতে কেতিয়াও নাছিল আৰু ভৱিষ্যতে যাতে নহয়, সেইটোৱেই আমাৰ প্ৰাৰ্থনা।" — বিৰোধী দলপতিগৰাকীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ নাহাৰ প্ৰসংগত চৌধুৰীয়ে প্ৰশ্ন উত্থাপন কৰি কয়, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে তেওঁ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ লগত কথা হৈছে। কিন্তু প্ৰধানমন্ত্ৰীজনে নিজে মুখেৰে কিয় নকয় যে কেন্দ্ৰীয় চৰকাৰ অসমৰ মানুহৰ লগত আছে? সাহায্যৰ বাবে যিমান ধন প্ৰয়োজন সিমান দিম বুলিও তেওঁ ঘোষণা কৰা নাই। বহুদিন পাছত জে পি নাড্ডা অসমলৈ আহিছে যদিও কেন্দ্ৰীয় চৰকাৰে অসমলৈ নিৰ্বাচনৰ সময়ত যিদৰে গুৰুত্ব দিয়ে, বানৰ সময়তো সেইদৰে গুৰুত্ব দিয়া দেখা নাই।" ৰাহুল গান্ধী অসমলৈ নহাৰ প্ৰসংগত বিৰোধী দলপতিগৰাকীয়ে কয়, "ৰাহুল গান্ধীয়ে অসমৰ বানৰ প্ৰতি টুইট কৰি ৰাইজলৈ বাৰ্তা প্ৰেৰণ কৰিছে। কিন্তু অসমলৈ অহা নাই, সেয়া সঁচা। তেওঁ অহা ৰজ্ঞ আগষ্টত এখন বৈঠকৰ আয়োজন কৰিছে, য'ত অসম কংগ্ৰেছৰ সভাপতি, কাৰ্যকৰী সভাপতি আৰু মোকো মাতিছে। তাত অসমৰ বান সম্পৰ্কে বিস্তাৰিত আলোচনা হ'ব।" বিজেপিৰ দ্বিতীয় কাৰ্যকালৰ শপত গ্ৰহণ অনুষ্ঠানৰ কথাও উল্লেখ কৰি চৌধুৰীয়ে কয়, "সেই অনুষ্ঠানত বিজেপি শাসিত সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰী অসমলৈ আহিছিল। কিন্তু এই বিপদৰ সময়ত বিজেপি শাসিত এখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে অসমলৈ অহা তো দূৰৈৰ কথা, খবৰ এটাও লোৱা নাই। নিৰ্বাচনৰ সময়তহে তেওঁলোকে অসমৰ মানুহক ভাল পায়।" বানৰ কাৰণ সম্পৰ্কে বিৰোধী দলপতিগৰাকীয়ে কয়, "শিল-বালি খননৰ বাবেই এই বান হৈছে — সাধাৰণ ৰাইজৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক মহললৈকে এই কথা কোৱা হৈছে। চৰকাৰেও এই কথা সম্পূৰ্ণৰূপে নুই কৰিব পৰা নাই, যাৰ অৰ্থ খননকাৰ্যই বানৰ বাবে দায়ী বুলি নিশ্চিত হৈছে। এই খনন কাৰ্য বন্ধ কৰিব লাগে।" নগাঁও জিলা আয়ুক্তগৰাকী উপ-নিৰ্বাচনৰ প্ৰাৰ্থী হ'ব পাৰে বুলি চলা চৰ্চা সন্দৰ্ভত তেওঁ কয়, "ইয়াৰ আগতেও বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যৰ আইপিএছ-আইএএছ বিষয়াসকলে বিজেপিৰ হৈ কাম কৰা আমি দেখিছো। যদি নগাঁও জিলা আয়ুক্তগৰাকী সঁচাকৈ প্ৰাৰ্থী হয়, তেন্তে নিৰপেক্ষতা ক'ত থাকিল? ইয়াৰ দ্বাৰা প্ৰশাসনিক নিৰপেক্ষতা ক্ষুণ্ণ হৈছে আৰু ই গণতন্ত্ৰৰ বাবে এক সাংঘাতিক ভাবুকি।" উল্লেখ্য যে উজনি অসমৰ বান পৰিস্থিতিয়ে ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ আলোড়ন তুলিছে। এফালে চৰকাৰে সাহায্য প্ৰদান আৰু পুনৰ্বাসনৰ দাবী কৰিলেও বিৰোধীয়ে কেন্দ্ৰীয় চৰকাৰৰ 'উদাসীনতা'ৰ বিৰুদ্ধে সোঁৱৰণী উত্থাপন কৰি আছে। আগন্তুক দিনবোৰত এই সমালোচনাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে কেনেকৈ সঁহাৰি জনায়, তাৰ প্ৰতি সমগ্ৰ ৰাজ্যই চকু ৰাখিছে।

## শিৱসাগৰত বান-পৰৱৰ্তী পুনৰ্সংস্থাপনৰ

পৰ্যালোচনা কৰা হয়। লগতে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পুনৰ্সংস্থাপনমূলক পদক্ষেপসমূহ জিলা প্ৰশাসন আৰু চক্ৰ বিষয়াসকলৰ সৈতে কেনেকৈ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিব পাৰি, তাৰো আলোচনা কৰা হয়। এই গুৰুত্বপূৰ্ণ বৈঠকত মন্ত্ৰী বিমল বৰা, বিধায়ক সুশান্ত বৰগোহাঁই আৰু নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই প্ৰমুখ্যে গুণীজন লোক উপস্থিত থাকে। বৈঠকতে জিলা আয়ুক্তগৰাকীয়ে অৱগত কৰে যে শিৱসাগৰ জিলাৰ প্ৰায় ৪৩ হাজাৰ বানপীড়িত পৰিয়ালে ইতিমধ্যে অসম চৰকাৰৰ তৰফৰ পৰা ১৫, ০০০ টকাকৈ অন্তৰ্বৰ্তীকালীন আৰ্থিক সাহায্য লাভ কৰিছে। ইয়াৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰি মন্ত্ৰী পীযুষ হাজৰিকাই জিলা প্ৰশাসনক স্পষ্ট নিৰ্দেশ দিয়ে যে যাতে কোনো যোগ্য বানপীড়িত পৰিয়াল এই সাহায্যৰ পৰা বঞ্চিত নহয়। ইয়াৰ বাবে সময়মতে আৰু নিৰ্ভুলভাৱে জৰীপ আৰু বিতৰণৰ কাম সম্পন্ন কৰিবলৈ তেওঁ কয়। লগতে মন্ত্ৰীগৰাকীয়ে পুনৰ্সংস্থাপনৰ সকলো কাম যাতে দ্ৰুতগতিত সম্পন্ন হয়, তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিভিন্ন বিভাগৰ মাজত সু-সমন্বয় ৰক্ষা কৰি কাৰ্যসূচীসমূহ ফলপ্ৰসূ ৰূপায়ণ কৰিবলৈও তেওঁ পৰামৰ্শ দিয়ে। বিশেষকৈ বানত সম্পূৰ্ণৰূপে গৃহহীন হৈ পৰা পৰিয়ালসমূহলৈ শীঘ্ৰে আশ্ৰয় প্ৰদান কৰিবলৈ জিলা প্ৰশাসনৰ সহযোগত পুনৰ গৃহ নিৰ্মাণৰ জৰুৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, মন্ত্ৰী পীযুষ হাজৰিকা বিগত সাত দিন ধৰি শিৱসাগৰত অৱস্থান কৰি শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বান সাহায্য আৰু পুনৰ্সংস্থাপন কাৰ্যসূচীসমূহ ব্যক্তিগতভাৱে তদাৰক কৰি আহিছে। তেওঁ নিয়মিতভাৱে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত নাজিৰা বিধানসভা সমষ্টিৰ বিভিন্ন বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি ৰাইজৰ সৈতে মত বিনিময় কৰিছে আৰু প্ৰত্যক্ষভাৱে সাহায্য বিতৰণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰিছে। বৈঠক শেষত মন্ত্ৰীগৰাকীয়ে কয়, "মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশ মৰ্মে চৰকাৰে বানাক্ৰান্ত ৰাইজৰ লগত থিয় দি আছে। পুনৰ্সংস্থাপনৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে, আৰু কেৱল সাহায্য বিতৰণেই নহয়, দীৰ্ঘম্যাদীভাৱে ক্ষতিগ্ৰস্তসকলক পুনৰ নিজৰ ভৰিৰ ওপৰত থিয় দিয়াটোৱেই আমাৰ লক্ষ্য।"

## শিৱসাগৰত বানপানীৰ ক্ষয়-ক্ষতি

পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। জলসম্পদ বিভাগৰ মন্ত্ৰী সুশান্ত বৰগোহাঁই আৰু শিৱসাগৰ জিলা আয়ুক্ত মৃদুল যাদৱৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত মন্ত্ৰী শ্ৰী ৰায়ে শিৱসাগৰ জিলাৰ শেহতীয়া প্ৰলয়ংকাৰী বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে বিস্তৃতভাৱে বুজ লয়। শিৱসাগৰ পৌৰসভাৰ তৰফৰ পৰা আগবঢ়োৱা এক পাৱাৰ পইণ্ট প্ৰেজেণ্টেচন প্ৰত্যক্ষ কৰাৰ পাছত মন্ত্ৰী শ্ৰী ৰায়ে পৌৰসভা এলেকাৰ অধীনত বানৰ প্ৰভাৱত হোৱা ক্ৰয়-ক্ষতিৰ সঠিক সমীক্ষা তথা মূল্যায়ন কৰি বিভিন্ন প্ৰয়োজনীয় আন্তঃগাঁথনিমূলক শিতানৰ বিপৰীতে ব্যয়ৰ আকলন বিভাগলৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে, জিলা খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ দ্বাৰা উপস্থাপন কৰা এক প্ৰেজেণ্টেচন মাধ্যমেৰে মন্ত্ৰী শ্ৰী ৰায়ে ভাৰতীয় খাদ্য নিগমৰ পৰা বৰ্তমানে জিলাখনত সংগ্ৰহ কৰা চাউলৰ পৰিমাণ আৰু বিতৰণৰ স্থিতি সম্পৰ্কে খতিয়ান গ্ৰহণ কৰে। তেওঁ বিধ্বংসী বানৰ প্ৰভাৱত খাদ্য সুৰক্ষা আইনৰ অন্তৰ্গত হিতাধিকাৰীসকলৰ ৰেচন কাৰ্ডসমূহ যদি নষ্ট, ক্ষতিগ্ৰস্ত হৈছে বা হেৰুৱাইছে, সেই সম্পৰ্কে ক্ষেত্ৰভিত্তিক জৰীপ কৰি অহা ৰপ্ত আগষ্টৰ ভিতৰত এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি স্থানীয় বজাৰত খুচুৰা আৰু পাইকাৰী ব্যৱসায়ীয়ে কেনেদৰে খাদ্য আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মজুতকৰণ আৰু যোগান ধৰা প্ৰক্ৰিয়া অব্যাহত ৰাখিছে, সেই সন্দৰ্ভত তেওঁ জিলা পৰ্যায়ৰ টাস্ক ফৰ্চৰ জৰিয়তে নিয়মিত নিৰীক্ষণ ৰাখিবলৈ বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, গাঁও পঞ্চায়ত সমবায় সমিতিসমূহ আৰু চৰকাৰী অনুজ্ঞাপত্ৰ প্ৰাপক সুলভ মূল্যৰ দোকানসমূহত নষ্ট হোৱা চাউল আৰু অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ এক তথ্যভিত্তিক সমীক্ষা প্ৰস্তুত কৰি বিভাগক অৱগত কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। ইয়াৰ লগতে জিলাখনৰ ধান ক্ৰয় কেন্দ্ৰ (Paddy Procurement Centre) তিনিওটাৰ মাধ্যমেৰে ধান ক্ৰয় প্ৰক্ৰিয়াৰ স্থিতি সম্পৰ্কেও তেওঁ খতিয়ান গ্ৰহণ কৰে। আজিৰ পৰ্যালোচনা বৈঠকৰ আৰম্ভণিতে শিৱসাগৰৰ জিলা আয়ুক্তই আদৰণি বক্তব্য আগবঢ়ায়। আজিৰ পৰ্যালোচনা বৈঠকত গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন; খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা তথা বৈধ পৰিমাপ বিজ্ঞান বিভাগৰ আয়ুক্ত হেমন্ত কুমাৰ ভূএগ; পৌৰ প্ৰশাসন সঞ্চালকাকলয়ৰ সচিব তথা সঞ্চালক টংকেশ্বৰ দাস; সমবায় বিভাগৰ যুটীয়া সচিব অশ্বিনী কুমাৰ দলে; অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড পৰিচালন সঞ্চালক প্ৰাণজিৎ ভূএগ; স্বচ্ছ ভাৰত মিছন, অসম নগৰ পানী যোগান আৰু নৰ্দমা ব'ৰ্ড আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা মিছনৰ পৰিচালন সঞ্চালক সব্যসাচী কাশ্যপ; অটল নৱীকৰণ আৰু নগৰ ৰূপান্তৰ মিছন (Atal Mission for Rejuvenation and Urban Transformation- AMRUT) -ৰ যুটীয়া সচিব সম্প্ৰীতি গোস্বামী; শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰী; সহকাৰী আয়ুক্ত অন্বেষা ঠাকুৰ; বিশিষ্ট সমাজকৰ্মী বিতোপন ৰাইদঙীয়া; পৌৰসভা সমূহৰ কাৰ্যবাহী বিষয়াৰ লগতে সংশ্লিষ্ট বিভাগীয় মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা

কৰাৰ লগতে স্থানীয় বানপীড়িতি ৰাইজৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ দুখ-দুৰ্দশা, সমস্যা আৰু অভাৱৰ বিষয়ে বুজ লৈ তেওঁলোকৰ সৈতে সহমৰ্মিতা প্ৰকাশ কৰে। তেওঁ বানপীড়িত ৰাইজৰ বাসগৃহতো উপস্থিত হৈ তেওঁলোকৰ সাম্প্ৰতিক অৱস্থাৰ বিষয়ে চাক্ষুস বুজ লয়।

## নিজ হাতে তৈয়াৰ কৰা বিছনা কান্ধত

কৰি শইকীয়াই নিজৰ ঘৰতে তৈয়াৰ কৰা বিছনা কান্ধত লৈ বন্যাৰ্তসকলৰ ঘৰে ঘৰে গৈ প্ৰত্যক্ষভাৱে সাহায্য বিতৰণ কৰিছে। কেৱল বিছনাই নহয়, তেওঁ বানপানীৰ পিছত ঘৰবোৰত জমা হৈ থকা পলস আৰু ধ্বংসাৱশেষ চাফা কৰাতো বন্যাৰ্তসকলক সহায় কৰিছে। নাজিৰা আৰু ইয়াৰ আশে-পাশে থকা বহু গাঁৱত এতিয়াও পলস কমা নাই; তাৰে ভিতৰত হুলাংকাটনী গাঁৱত দিখৌ নদীৰ প্ৰচণ্ড সোঁতে আটাইতকৈ বেছি ক্ষতি কৰিছে। সেই অঞ্চলৰ লগতে বৃহত্তৰ নাজিৰাৰ বিভিন্ন প্ৰান্তৰ দুখীয়া পৰিয়ালবোৰলৈ শইকীয়াই বিছনা যোগান ধৰিছে। শইকীয়াৰ এই কাৰ্য্যত সহযোগিতা আগবঢ়াইছে 'হিতেশ্বৰ শইকীয়া ফাউণ্ডেশ্বন'। উপৰিও বৰপেটাৰ প্ৰাক্তন সাংসদ আব্দুল খালেকেও ২৫ সদস্যৰ এখন বিশেষ দল লৈ নাজিৰালৈ আহি উদ্ধাৰ আৰু পুনৰ্বাসন কামত অংশগ্ৰহণ কৰিছে। এই দলত মাণ্ডিয়া আৰু কালগছিয়াৰ পৰা অহা কেইবাগৰাকী কাঠমিস্ত্ৰীও আছে, যিসকলে নিজেও অস্থায়ী বাঁহৰ আশ্ৰয়ত থাকি বন্যাৰ্তসকলৰ ঘৰ মেৰামতি কৰি দিবলৈ দিন-ৰাতি এযোৰ হৈ পৰিছে। কংগ্ৰেছ চেৱাদলৰ মুখ্য সংগঠক শ্ৰী শ্ৰীনিবাস আয়েংগৰৰ নেতৃত্বত সেচ্ছাসেৱকসকলেও শ্ৰমদান আৰু ত্ৰাণ সামগ্ৰী বিতৰণত জড়িত হৈ পৰিছে। সংবাদ মাধ্যমৰ আগত দেৱব্ৰত শইকীয়াই কয়, "আপোনালোক সকলোকে সহায় কৰিব পৰা সামৰ্থ্যয্য মোৰ নাই; তথাপি যিমান পাৰো, সিমান কৰি যাম। দিখৌৰ পানীয়ে নাজিৰা নগৰৰ ওচৰৰ হুলাংকাটনী গাঁওখনত চৰম ধ্বংসলীলা চলাইছে। সেয়ে মই নিজৰ ঘৰতে বিছনা তৈয়াৰ কৰি আনি তাতকৈ অধিক ক্ষতিগ্ৰস্ত পৰিয়ালবোৰক দিছো। এই কাম ফাউণ্ডেশ্বনৰ অনুদানৰে সম্ভৱ হৈছে। আব্দুল খালেক দা আৰু আন বহু কাৰ্যকৰ্তায়ো অহোপুৰুষাৰ্থ কৰি আছে।" বৰ্তমান নাজিৰাৰ লগতে উজনিৰ অন্যান্য অঞ্চলতো উদ্ধাৰ আৰু পুনৰুদ্ধাৰৰ কাম জাৰী আছে। দেৱব্ৰত শইকীয়া আৰু তেওঁৰ দলটোৱে আগন্তুক দিনবোৰতো এনেদৰে বন্যাৰ্তসকলৰ কাষত থিয় হৈ থকাৰ অংগীকাৰ ব্যক্ত কৰিছে।

## বিটিচি চৰকাৰ সৰু হ'লেও আমিও

তাত তেওঁ স্থানীয় ৰাইজক সান্ত্বনা দি কয় যে এই সাহায্য নামমাত্ৰ আৰু বিটিচি চৰকাৰে প্ৰয়োজনসাপেক্ষে অধিক সহায় আগবঢ়াব। সংবাদ মাধ্যমৰ আগত বিটিচি প্ৰধানে স্পষ্টভাৱে কয়, "বানাক্ৰান্তসকলে চৰকাৰৰ পৰা যি পাব লাগে, সেয়া সম্পূৰ্ণৰূপে পাব। হয়তো দুদিন পলম হ'ব পাৰে, কিন্তু পাবলগীয়াখিনি সকলোকে দিয়া হ'ব। পুনৰ্সংস্থাপনৰ বাবে চৰকাৰী জৰীপ শেষ হোৱাৰ পাছত কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰ যিয়েই নহওক, সকলোৱে সহায় আগবঢ়াব। বিটিচি চৰকাৰ যিমানেই সৰু নহওক, আমি আমাৰ হাতী-পাটী অনুযায়ী সহায় কৰিম। 'আমিও কম নহওঁ' — আমি অলপ হলেও দিয়াম। বিটিচিৰ পৰা এটা সম্পূৰ্ণ দল অহাৰো ব্যৱস্থা আছে।" — হাগ্ৰামাই আশ্বাস দিয়ে। এই সাহায্য অভিযানৰ সময়তে নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই আৰু নাজিৰা সমজিলাৰ আয়ুক্ত প্ৰতিভা মেশ্ৰামো উপস্থিত থাকে।

## চৰাইদেউত বান সাহায্য বিতৰণত

দুয়োখন জিলা পৰিদৰ্শন কৰি বানাক্ৰান্তসকললৈ প্ৰয়োজনীয় সাহায্য আৰু আৰ্থিক ক্ষতিপূৰণ প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ ভ্ৰমণৰ কিছু সময়ৰ পাছতে চৰাইদেউ জিলাত সাহায্য বিতৰণক লৈ বিতৰ্ক সৃষ্টি হয়, যিয়ে সম্পূৰ্ণ অঞ্চলজুৰি তীব্ৰ অসন্তোষৰ সৃষ্টি কৰিছে। বুধবাৰে নিশা চৰাইদেউৰ টেঙাপুখুৰী অঞ্চলত বান সাহায্য বিচাৰি যোৱা বানাক্ৰান্ত আৰু স্থানীয় গাঁওপ্ৰধানৰ মাজত প্ৰচণ্ড বাকবিতণ্ডাৰ সৃষ্টি হয়। টেঙাপুখুৰীৰ লাহন গাঁৱৰ বাসিন্দাসকলে অভিযোগ উত্থাপন কৰে যে, মুখ্যমন্ত্ৰীয়ে বানপীত পৰিয়ালবোৰলৈ প্ৰেৰণ কৰা বিশেষ 'ফেমেলী কিট' আৰু প্ৰশাসনৰ পৰা অহা অন্যান্য সাহায্য সামগ্ৰী গাঁওপ্ৰধান নোমল চিত্ৰকৰ আৰু তেওঁৰ পুত্ৰই আত্মসাৎ কৰিছে। সাহায্য বিচাৰি গাঁওপ্ৰধানৰ ঘৰলৈ যোৱা ৰাইজক তেওঁলোকে নানান গালিগালাজ কৰাৰ লগতে এগৰাকী মহিলাকে ধৰি কেইবাগৰাকী লোকক মাৰপিট কৰাৰ অভিযোগেও এই ঘটনাই গুৰুত্ব লাভ কৰে। ঘটনাটোৰ প্ৰত্যক্ষ সাক্ষী আৰু অভিযোগকাৰীসকলে জনোৱা মতে, "মুখ্যমন্ত্ৰীৰ ফেমেলী কিটবোৰ গাঁওপ্ৰধানৰ ঘৰত ৰখা হৈছিল, কিন্তু তেওঁ ৰাইজক একো নিদিলে। প্ৰশাসনে প্ৰেৰণ কৰা চাউল, দাইল, নিমখ আদিও তেওঁ নিজৰ ঘৰতে থৈ দিছিল। যেতিয়া আমি ন্যায্য বিচাৰ কৰিবলৈ গ'লো, তেতিয়া তেওঁ আমাক গালি-শপনি দি খেদি পঠিয়ালে আৰু আমাৰ গাঁৱৰ এগৰাকী বৃদ্ধা মহিলাক হেঁচা-ধাক্কা দি পেলাই দিলে।" তীব্ৰ ক্ষোভ আৰু হতাশাৰ মাজেৰে শেষত লাহন গাঁৱৰ বানাক্ৰান্ত ৰাইজে একত্ৰিত হৈ টেঙাপুখুৰী আৰক্ষী চকীত এখন লিখিত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে এজাহাৰ গ্ৰহণ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। এই একে সমস্যাৰ কথা উত্থাপন হৈছে চৰাইদেউ জিলাৰ মাহমৰা সমষ্টিৰ অন্তৰ্গত চক্ৰাই অঞ্চলতো। ৰঙাপথাৰ গাঁৱৰ ১ নং আৰু ২ নং ৱাৰ্ডৰ বানাক্ৰান্ত পৰিয়ালে স্পষ্ট ভাষাত কৈছে যে তেওঁলোকৰ বহু ঘৰত জিলা প্ৰশাসনে দিয়া কেৱল চাউল আৰু দাইলহে পাইছে। মুখ্যমন্ত্ৰীৰ পৰা ঘোষিত আৰ্থিক ক্ষতিপূণ (১৫ হাজাৰ টকা) আৰু বিশেষ সাহায্য কিট তেওঁলোকলৈ অহা নাই। ইফালে, যিসকল পৰিয়ালৰ বানত তেনেকৈ ঘৰ-বাৰী ক্ষতিগ্ৰস্ত হোৱা নাই, তেওঁলোকৰ বেংক একাউণ্টত এই ৰপ্ত হাজাৰ টকা জমা হোৱাৰ অভিযোগে পৰিস্থিতিক অধিক জটিল কৰি তুলিছে। ৱাৰ্ড সদস্য আৰু জৰীপ কৰা বিষয়াসকলে স্বজনতোষণ কৰি সম্পূৰ্ণ জৰীপ নকৰাকৈ ক্ষতিপূণ বিতৰণ কৰাৰ অভিযোগো ৰাইজে উত্থাপন কৰিছে। ফলত প্ৰকৃত বানাক্ৰান্তসকল চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হৈ হাহাকাৰ কৰা পৰিস্থিতিৰ সৃষ্টি হৈছে। অভিযোগকাৰীসকলে কয়, "আমাৰ ঘৰত পানী সোমাই আছিল, বহু সামগ্ৰী নষ্ট হৈছে, কিন্তু আমাৰ ঘৰ জৰীপ কৰিবলৈ কোনো বিষয়া অহা নাই। আনফালে, পানী নোপোৱা ঘৰৰ মানুহে ধন পাইছে। আমি মুখ্যমন্ত্ৰীৰ ওচৰত ন্যায় বিচাৰিছো।" ইতিমধ্যে এই বিষয়াই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। আনকি স্থানীয় ৰাইজে জিলা প্ৰশাসনৰ দৃষ্টি আকৰ্ষণলৈ অনাৰ পিছতো উপযুক্ত সমাধান নোহোৱা বাবে ক্ষোভ চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। উল্লেখ্য যে, অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বানাক্ৰান্তসকললৈ সাহায্য প্ৰদানৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাই থকাৰ সময়তে তলৰ স্তৰত এই ধৰণৰ অনিয়ম আৰু দুৰ্নীতি প্ৰকাশ পোৱাত সমগ্ৰ অসমৰ গণমাধ্যম আৰু ৰাজহুৱা মহলত সমালোচনাৰ সৃষ্টি হৈছে। চৰাইদেউ জিলা প্ৰশাসনক এই বিষয়ত তৎক্ষণাৎ সুস্থ তদন্ত চলাই দোষী বিষয়া আৰু পদাধিকাৰীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা লোৱাৰ দাবী শক্তিশালী হৈ পৰিছে। বানপানীৰ দুৰ্যোগত জীৱন-জীৱিকা হেৰুৱা মানুহবোৰে যদি সাহায্যৰ সলনি দুৰ্নীতিৰ চিকাৰ হয়, তেন্তে সেয়া অতি দুখজনক বুলি ৰাইজে মন্তব্য কৰিছে। ৰাইজে কাতৰভাৱে আবেদন জনাইছে যে ন্যায্য জৰীপৰ জৰিয়তে প্ৰকৃত বানাক্ৰান্তসকলক সম্পূৰ্ণ সাহায্য প্ৰদান কৰা হওক আৰু দুৰ্নীতিৰ বাবে দোষী বিষয়াবোৰক আইনৰ সন্মুখীন কৰা হওক।

## শিৱসাগৰৰ বানাক্ৰান্তৰ পুনৰ

সামগ্ৰী বিতৰণ কৰে। লগত আছিল বিপিএফৰ বিধায়ক আৰু কেইবাগৰাকী ৰাজনৈতিক নেতা-কৰ্মী। বিশেষকৈ শিৱসাগৰৰ চাউলকৰা মলিয়াভাটা অঞ্চলত উপস্থিত হৈ হাগ্ৰামা মহিলাৰীয়ে বানাক্ৰান্ত পৰিয়ালবোৰক প্ৰথমাৱস্থাত প্ৰয়োজনীয় সাহায্য সামগ্ৰী হস্তান্তৰ কৰে। পিছত সংবাদ মাধ্যমৰ সৈতে হোৱা সাক্ষাৎকাৰত তেওঁ গভীৰ উদ্বেগ প্ৰকাশ কৰি কয়, "শিৱসাগৰ জিলাৰ প্ৰায় ছজ্ঞ শতাংশ মানুহ এই ভয়ংকৰ বানপানীৰ বলি হৈছে। ঘৰ-বাৰী, শস্যক্ষেত্ৰ, গৃহপালিত পশু-পক্ষী সকলোৱে ক্ষতিগ্ৰস্ত হৈছে। বিদ্যুৎ সংযোগ নাই, পানী-পথ নাই, আৰু আটাইতকৈ ডাঙৰ কথা হ'ল যে বহু ঠাইত মথাউৰি বান্ধবোৰ অতি দুৰ্বল। মই চৰকাৰক ক'ম যে যথাস্থানত শক্তিশালী আৰু ওখ মথাউৰি নিৰ্মাণ কৰা হওক, যাতে ভৱিষ্যতে এনে দুৰ্যোগৰ প্ৰভাৱ কম হয়।" বিটিচি প্ৰধানে লগতে জানিবলৈ দিয়ে যে বিটিচিৰ তৰফৰ পৰাও অতি সোনকালে অধিক সাহায্য আগবঢ়োৱা হ'ব। তেওঁ কয়, "মই এই মাহেকীয়া পৰিস্থিতিৰ সম্পূৰ্ণ বুজ লৈছো। পুনৰ্সংস্থাপনৰ বাবে কোনবোৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি, তাৰ এক বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰিম। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যিদৰে সহায় কৰিব লাগে, বিটিচি চৰকাৰো তেনেদৰে সৰ্বতোপ্ৰকাৰে বানাক্ৰান্তসকলৰ কাষত থিয় দিব।" এই সাহায্য অভিযানৰ প্ৰশংসা কৰি শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে হাগ্ৰামা মহিলাৰীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। অখিল গগৈয়ে সাংবাদিকৰ আগত কয়, "বিটিচি চীফ ডাঙৰীয়াই শিৱসাগৰ সমষ্টিৰ বানাক্ৰান্তসকললৈ ১০ হাজাৰখন আঁঠুৱা শচতাঁতত বোৱা গামোচা বা কম্বলগ্ন আৰু ১০ হাজাৰখন বিছনা চাদৰকে ধৰি নানান প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰিছে। এয়া অতি মহানুভৱতাৰ কাম। লগতে তেওঁ শিৱসাগৰ জিলাৰ কেইবাখনো গাঁৱক পুনৰ্সংস্থাপিত কৰাৰ প্ৰতিশ্ৰুতি দিছে, যি এই বিপদৰ সময়ত আমাৰ বাবে এক আশাৰ বতৰা কঢ়িয়াই আনিছে।" ইফালে, বান পৰিস্থিতিৰ গুৰুত্ব লৈ কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে সঠিক পদক্ষেপ নোলোৱা বুলি তীব্ৰ সমালোচনা কৰে অখিল গগৈয়ে। তেওঁ কয়, "নিৰ্বাচনৰ সময়ত অসমত 7-10 দিন ধৰি প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী উপস্থিত থাকিছিল, কিন্তু এই ভয়াবহ বানৰ খবৰ ল'বলৈ ১৯ দিন পাৰ হ'বলৈ ধৰিলেও এজন তৃতীয় শ্ৰেণীৰ কেন্দ্ৰীয় মন্ত্ৰীও অসমলৈ পঠোৱা নাই। এই উদাসীনতা বানাক্ৰান্তসকলৰ বাবে অত্যন্ত হতাশাজনক।" উল্লেখ্য যে শিৱসাগৰ জিলাত এই বানপানীয়ে ঘৰ-সম্পত্তিৰ লগতে শিক্ষা অনুষ্ঠান, স্বাস্থ্যকেন্দ্ৰ আৰু দৈনন্দিন জীৱন-যাত্ৰাতো তীব্ৰ প্ৰভাৱ পেলাইছে। হাগ্ৰামা মহিলাৰীৰ এই পদক্ষেপক ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক মহলত ইতিবাচক দৃষ্টিত চোৱা হৈছে, বিশেষকৈ বড়োলেণ্ডৰ পৰা শিৱসাগৰলৈ এনে মানৱীয় সহযোগিতাক বহুতে সংহতিৰ প্ৰতীক বুলি অভিহিত কৰিছে। পুনৰ্বাসন আৰু পুনৰ্সংস্থাপনৰ বাবে আগন্তুক দিনবোৰত হাগ্ৰামা মহিলাৰী আৰু বিটিচি চৰকাৰে কি ধৰণৰ দীৰ্ঘম্যাদী পৰিকল্পনা ৰূপায়ণ কৰে, তাৰ প্ৰতি সমগ্ৰ অসমৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## গুৱাহাটী-তেজপুৰ সংযোগী ১৫ নং

হ'ব। ইয়াৰ দ্বাৰা ৰাজ্যৰ যাতায়াত ব্যৱস্থা অধিক দ্ৰুত, সুৰক্ষিত আৰু আধুনিক কৰি তোলাৰ লগতে অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত নিৰৱচ্ছিন্ন যোগাযোগ স্থাপন কৰিব। সামাজিক মাধ্যমত এই সিদ্ধান্তক আদৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্স (পূৰ্বৰ টুইটাৰ)ত পোষ্ট কৰি কয়, "অসমৰ সংযোগ আৰু বিকাশৰ এক বৃহৎ উত্থানহু ৰপ্ত নং ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰিলেনযুক্ত প্ৰৱেশ নিয়ন্ত্ৰিত গুৱাহাটী-তেজপুৰ কৰিড'ৰত অনুমোদন জনাইছে কেবিনেটে। এই প্ৰকল্পৰ জৰিয়তে যাতায়াতৰ সময় হ্ৰাস পাব, পথ সুৰক্ষা উন্নত হ'ব আৰু বিভিন্ন স্থানত বৃহৎ বাইপাছৰ জৰিয়তে যানজট লাঘৱ হ'ব। লগতে তেজপুৰত ইমাৰ্জেন্সি লেণ্ডিং ফেচিলিটি, দলং, ফ্লাই অভাৰ, আণ্ডাৰপাছ আৰু চাৰ্ভিচ ৰোড আদি অন্তৰ্ভুক্ত কৰা হৈছে।" এই প্ৰকল্পক স্বাগতম জনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ এক্স হেণ্ডেলত প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লিখে, "অসমৰ পথ আন্তঃগাঁথনি উন্নয়নত আন এক ঐতিহাসিক পদক্ষেপ। কেন্দ্ৰীয় কেবিনেটে বাইহাটা চাৰিআলিৰ পৰা তেজপুৰলৈ (মঙলদৈ বাইপাছৰ ১৫.১১ কিমি বাদ দি) ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত ১৩৫.৮৭ কিমি দৈৰ্ঘ্যৰ চুছ-লেনযুক্ত পথ নিৰ্মাণত অনুমোদন দিছে। এই কামত 8, 970 কোটি টকা ব্যয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।" মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই প্ৰকল্পই ৰাজ্যৰ যাতায়াত ব্যৱস্থাক অধিক গতিশীল, নিৰাপদ আৰু আধুনিক কৰি তুলিব, যাৰ ফলত অসমৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ গতি বৃদ্ধি পাব। কেন্দ্ৰীয় কেবিনেটৰ মতে, প্ৰকল্পটোত তেজপুৰ বাইপাছত ৪.৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ জৰুৰীকালীন অৱতৰণ সুবিধা (ELF) নিৰ্মাণৰ পৰিকল্পনা আছে, যিটো ভাৰতীয় বায়ুসেনাৰ সৈতে সমন্বয়ত চূড়ান্ত কৰা হৈছে। ইয়াৰ উপৰিও প্ৰকল্পটোত ৫৮.৭ কিমি দৈৰ্ঘ্যৰ 5টা ডাঙৰ বাইপাছ নিৰ্মাণ কৰা হ'ব, যাৰ ফলত বাইহাটা চাৰিআলি, ছিপাঝাৰ, খাৰুপেটীয়া, ঢেকীয়াজুলি আৰু তেজপুৰৰ দৰে ঘনবসতিপূৰ্ণ অঞ্চলত যানজট উল্লেখযোগ্যভাৱে হ্ৰাস পাব। প্ৰকল্পৰ অন্যান্য বৈশিষ্ট্যসমূহৰ ভিতৰত ৰপ্তখন ডাঙৰ দলং, ৩০খন সৰু দলং, ১৯খন উৰণসেতু, ৪৬টা আণ্ডাৰপাছ, তেজপুৰ বাইপাছত এটা হস্তী কৰিড'ৰ আৰু ২১০ কিমি দৈৰ্ঘ্যৰ চাৰ্ভিচ ৰোড অন্তৰ্ভুক্ত। এই সমুদায় অংগসমূহে যাতায়াত ব্যৱস্থাক অত্যাধুনিক কৰি তুলিব। উল্লেখ্য যে, এই পথ সম্পূৰ্ণ হ'লে ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ দিশত বৰ্তমানৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ (পূব-পশ্চিম কৰিড'ৰ)ৰ ভিৰ উল্লেখযোগ্যভাৱে কমি যাব। ইয়াৰ উপৰিও এই কৰিড'ৰে জ্ঞটা প্ৰধানমন্ত্ৰী গতি-শক্তি অৰ্থনৈতিক ন'ড (ঔদ্যোগিক উদ্যান), ২টা সামাজিক ন'ড (দৰং আৰু ওদালগুৰি), ৩টা পৰ্যটন ন'ড (কামাখ্যা মন্দিৰ, কাজিৰঙা আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যান) আৰু ৭টা লজিষ্টিক ন'ড (ৰেল ষ্টেচন, বিমানবন্দৰ, জলপথ টাৰ্মিনেলগ্নৰ সংযোগ উন্নত কৰিব। কেন্দ্ৰীয় কেবিনেটৰ মতে, এই প্ৰকল্পই যাত্ৰাৰ গড় গতি প্ৰায় ১০০ শতাংশ বৃদ্ধি কৰিব, যাত্ৰাৰ সময় আধালৈ হ্ৰাস কৰিব, ইন্ধনৰ কাৰ্যক্ষমতা উন্নত কৰিব আৰু বাহন পৰিচালনাৰ খৰচ কমাব। যাৰ ফলত অঞ্চলটোৰ গতিশীলতা, অৰ্থ-সামাজিক উন্নয়ন আৰু সামগ্ৰী আৰু যাত্ৰীৰ দ্ৰুত পৰিবহণ নিশ্চিত হ'ব। এই ডাঙৰ প্ৰকল্পৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পুনৰ প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় কেবিনেটলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু আশা ব্যক্ত কৰে যে এই পথে অসমকে অৰ্থনৈতিকভাৱে অধিক সবল কৰি তুলিব।

## ৰঙানৈৰ খহনীয়াত সংকটাপন্ন ৩৬২

মথাউৰিটোত (বান্ধত) হঠাৎ খহনীয়া আৰম্ভ হৈছে, যাৰ ফলত সমগ্ৰ নগৰী আৰু ইয়াৰ আশে-পাশে থকা প্তজ্ঞ বৰ্গ কিলোমিটাৰতকৈও অধিক অঞ্চলৰ অস্তিত্ব সংকটাপন্ন হৈ পৰিছে। শিতানত জলবিদ্যুৎ প্ৰকল্প থকা ৰঙানৈয়ে এতিয়া লখিমপুৰ নগৰৰ বাবে এক গুৰুতৰ ভাবুকি কঞ্চিয়াই আনিছে। বিশেষকৈ নগৰৰ ওচৰৰ গোৰৱীশালী নামৰ ঠাইত নৈখনে মথাউৰিৰ এটা অংশত খহনীয়াৰ সূত্ৰপাত ঘটায়। উল্লেখ্য যে, এই সুৰক্ষাবান্ধটো অতি শক্তিশালী প্ৰযুক্তিৰে সজ্জিত কৰা হৈছিল, যাৰ বাহিৰৰ ফালে নৈৰ দিশত জিঅ' মেট (Geo-Met) স্থাপন কৰা আছিল। কিন্তু প্ৰত্যক্ষদৰ্শী আৰু স্থানীয় ৰাইজৰ মতে, নৈখনে সেই জিঅ' মেটৰ তলৰ অংশতে খুঁচৰি খুঁচৰি মথাউৰিটো খহাবলৈ ধৰিছে। বিষয়টো অতি সংবেদনশীল কাৰণ এই মথাউৰি খহিলে লখিমপুৰ নগৰ ৰক্ষা কৰিবলৈ আৰু কোনো প্ৰতিবন্ধকতা নাথাকিব। নৈখনে যিটো স্থানত খহনীয়া আৰম্ভ কৰিছে, তাৰ পৰা মাত্ৰ দুই কিলোমিটাৰ দূৰতেই ২০০৮ চনত একে ধৰণৰ খহনীয়াৰ ফলত মথাউৰি ছিগি গৈ লখিমপুৰ নগৰকে ধৰি বিস্তীৰ্ণ অঞ্চল পানীৰ তলত মগ্ন হৈছিল। সেই ভয়াবহতাৰ স্মৃতিয়ে এতিয়াও ৰাইজক জোকাৰি যায়। গতিকে বৰ্তমানৰ খহনীয়া যাতে ২০০৮ চনৰ দৰে ভয়ংকৰ ৰূপ নলয়, তাৰ বাবে তৎক্ষণাত সঠিক আৰু স্থায়ী ব্যৱস্থা লোৱাৰ দাবী উত্থাপন হৈছে। জানিব পৰা মতে, জলসম্পদ বিভাগে মথাউৰিৰ বিপদগ্ৰস্ত অংশত পকা পৰ্কিউপাইন, গছৰ পাত, বাঁহৰ জোঁট আৰু গ্ৰেভিয়ন বক্স (Gravel Box) স্থাপন কৰি খহনীয়া ৰোধৰ অস্থায়ী ব্যৱস্থা চলাই আছে। কিন্তু নৈপৰীয়া ৰাইজৰ মতে এই ব্যৱস্থাবোৰ যথেষ্ট নহয়, কিয়নো বৰ্তমান নৈৰ প্ৰৱাহ কিছু পৰিমাণে কমি থকা বাবে এই ব্যৱস্থাসমূহ দেখাত কাৰ্যকৰী যেন লাগিলেও হঠাৎ অতি বৰষুণ হলে নাইবা নীপকো (তলৰ সুবনশিৰি) জলবিদ্যুৎ প্ৰকল্পৰ পৰা যদি বিপুল পৰিমাণে পানী এৰি দিয়া হয়, তেন্তে এই অস্থায়ী বাধাসমূহ উটি গৈ একেবাৰে নোহোৱা হৈ যাব। তেতিয়া এক প্ৰচণ্ড সোঁতে মথাউৰিটো ছিঙি নগৰখন নিশ্চিহ্ন কৰি দিব পাৰে।

খোল, ঢোল, বিহু নৃত্য, অভিনয় আৰু সত্ৰীয়া সংগীত-নৃত্যৰ পদ্ধতিগত প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা

# জাঁজী-শিমলুগুৰিত শংকৰদেৱ কলা একাডেমীৰ নতুন শাখা মুকলি

**অসম বাৰ্তা, জাঁজী, ৬ আগষ্ট ঃ** যোৰহাট জিলাত পৰিৱেশ্য কলাৰ চৰ্চা আৰু অধ্যয়নৰ ক্ষেত্ৰত অগ্ৰণী প্ৰতিষ্ঠান শংকৰদেৱ কলা একাডেমিৰ এটি নতুন শাখা জাঁজী-শিমলুগুৰিত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই শাখাৰ জৰিয়তে অঞ্চলটোৰ শিল্প-সংস্কৃতিৰ আগ্ৰহী শিক্ষাৰ্থীসকলক খোলবাদন, ঢোলবাদন, বিহু নৃত্য, অভিনয় আদি বিষয়ত পদ্ধতিগত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। উল্লেখ্য যে, শংকৰদেৱ কলা একাডেমি সত্ৰীয়া একাডেমিৰ স্বীকৃতিপ্ৰাপ্ত এক শিক্ষানুষ্ঠান। নতুন শাখাটোত মুখ্য প্ৰশিক্ষক হিচাপে লোকশিল্পী উজ্জ্বল খনিকৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাট্যকলা বিভাগৰ স্নাতকোত্তৰ পাৰ্থ প্ৰতিম শৰ্মাই শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিব। ইয়াৰ উপৰি অতিথি প্ৰশিক্ষক হিচাপে সত্ৰীয়া সংগীতৰ স্নাতক যতীন্দ্ৰ মহন্ত আৰু সত্ৰীয়া নৃত্যৰ স্নাতকোত্তৰ তথা গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ 'বি' গ্ৰেডৰ সত্ৰীয়া শিল্পী ৰিংকুমণি মহন্ত নিয়মীয়াকৈ উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰিব। নতুন শাখাটোৰ শুভ উদ্বোধন কৰে আমগুৰিৰ বৈদ্যুতিন মাধ্যমৰ সাংবাদিক তথা শংকৰদেৱ কলা একাডেমিৰ সভাপতি বাসৱ ৰাজ বৰুৱাই। উদ্বোধনী অনুষ্ঠানত তেওঁ কয় যে, গ্ৰামাঞ্চলৰ প্ৰতিভাসম্পন্ন নতুন প্ৰজন্মক গুণগত আৰু শৃংখলাবদ্ধ শিল্প-শিক্ষা প্ৰদান কৰাই একাডেমিখনৰ অন্যতম লক্ষ্য। এই শাখাৰ জৰিয়তে অঞ্চলটোৰ বহু প্ৰতিভাৱান শিল্পীয়ে নিজৰ দক্ষতা বিকাশৰ সুযোগ লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। স্থানীয় শিল্প-সংস্কৃতিপ্ৰেমী ৰাইজে জাঁজী-শিমলুগুৰিত শংকৰদেৱ কলা একাডেমীৰ নতুন শাখা মুকলি হোৱাক আদৰণি জনাই এই পদক্ষেপে অঞ্চলটোৰ সাংস্কৃতিক পৰিৱেশ অধিক সমৃদ্ধ কৰিব বুলি মত প্ৰকাশ কৰে।

খৈৰাবাৰীৰ ধোমালপাৰাৰ ইলিনা ৰাভাক খৈৰাবাৰীৰ টাইকোৱানডো একাডেমীৰ সম্বৰ্ধনা জ্ঞাপন

# বিশ্ব টাইকোৱানডো খেল প্ৰতিযোগিতাত পুনৰ উজ্জ্বলিল অসম, ওদালগুৰি জিলালৈ গৌৰৱ

**অসম বাৰ্তা, খৈৰাবাৰী, ৬ আগষ্ট ঃ** ওদালগুৰি জিলা খৈৰাবাৰী টাইকোৱানডো একাডেমীৰ ছাত্ৰী ইলিনা ৰাভাই বিশ্ব 9th Heroes Taekwondo Internationel টাইকোৱান্দোত ২০২৬ ত ৰূপৰ পদক লাভ কৰে। যুৱক যুৱতী সকলক আন্তঃৰাষ্ট্ৰীয় খেলৰ যোগেদি মনোৰঞ্জনৰ লগতে বিভিন্ন দেশৰ লগত যোগাযোগ ৰক্ষাৰ উদেশ্যে। ইলিনা ৰাভাৰ এই সাফল্যত উৎফুল্ল খৈৰাবাৰীৰ টাইকোৱানডো একাডেমীৰ শিক্ষাগুৰু ৰকেন কছাৰী আৰু ছাত্ৰ-ছাত্ৰী সকল। ওদালগুৰি জিলালৈ বিশ্ব টাইকোৱানডো খেল প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰি সক্ষম হোৱা ইলিনা ৰাভাক খৈৰাবাৰী টাইকোৱানডো একাডেমীৰ পৰা সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানত শিক্ষাগুৰু অভিভাবক সকলৰ লগতে টাইকোৱানডো একাডেমীৰ ছাত্ৰ-ছাত্ৰী সকলে সম্বৰ্ধনা জ্ঞাপন কৰে। খৈৰাবাৰীৰ ধোমালপাৰা গাঁৱৰ অতি দৰিদ্ৰ পৰিয়াল পিতৃ নৰ কুমাৰ ৰাভা আৰু মাতৃ আহাৰি ৰাভাৰ কন্যা ইলিনা ৰাভা। আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো খেল প্ৰতিযোগিতাত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি থাইলেণ্ডৰ পাটায়া চনবুৰিত অনুষ্ঠিত খেলত ৰূপৰ পদক লাভ কৰে বিশ্ব টাইকোৱানডো খেলুৱৈ ইলিনা ৰাভাই। বৰ্তমান কটন বিশ্ববিদ্যালয় বিএ থৰ্ড চেমিষ্টাৰৰ ছাত্ৰী ইলিনা ৰাভা। অসমৰ পৰা ৩২ গৰাকী খেলুৱৈ ৩১ জুলাইৰ পৰা ২ আগষ্টলৈ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ইলিনা ৰাভাই ওদালগুৰি জিলাৰ খৈৰাবাৰীলৈ ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। খৈৰাবাৰীৰ টাইকোৱানডো একাডেমীৰ শিক্ষাগুৰু ৰকেন কছাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে ইলিনা ৰাভাক সম্বৰ্ধনা জ্ঞাপন কৰি আবেগিক হৈ পৰে।

## শালবাৰী মহাবিদ্যালয়ত শিক্ষাৰ্থীক নিযুত মইনা-নিযুত বাবু আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ

**অসম বাৰ্তা, শালবাৰী, ৬ আগষ্ট ঃ** বাক্সাৰ শালবাৰী মহাবিদ্যালয়ত আজি শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ এক বিশেষ আঁচনি নিযুত মইনা আৰু নিযুত বাবুৰ প্ৰ-পত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কাৰ্যসূচী সম্পন্ন হয়। এই উদ্দেশ্যে শালবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জগত চন্দ্ৰ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মানাহ বিধানসভা সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ ওপৰত বক্তৃতা প্ৰদান কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু বিটিচি চৰকাৰে মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত আৰু শৈক্ষিক ক্ষেত্ৰখনৰ উন্নয়নৰ ওপৰত গ্ৰহণ কৰা ভিন্ন আঁচনিৰ ওপৰত বহল ব্যাখ্যাৰে বক্তৃতা প্ৰদান কৰে। শালবাৰী মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° দুলেন চন্দ্ৰ বসুমতাৰী আৰু আই কিউ এ চিৰ সমন্বয়ক ড° ছাংখাং বসুমতাৰীয়ে আত ধৰা সভাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে বিপিএফৰ নেতৃবৃন্দ ক্ৰমে- বিনাৰাম বড়ো, জিতেন বড়ো, ৰিংগৌমছাৰ বসুমতাৰী, দানছেৰাং ব্ৰহ্ম, ছানসৌৰাং ৱাৰী আৰু অতুল স্বৰ্গীয়াৰীয়ে। তদুপৰি সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যক্ৰমণিকাও ভাৰ্চুৱেলি প্ৰদৰ্শন কৰা হয়।

# আমবাৰী বাৰেগড় গাঁও পঞ্চায়তৰ পৰা ডিজিটেল ব্যৱসায় অনুজ্ঞাপত্ৰ (Digital Trade License) বিতৰণৰ শুভ আৰম্ভণি

**অসম বাৰ্তা, অভয়াপুৰী, ৬ আগষ্ট ঃ** আজি বঙাইগাঁও জিলাৰ আমবাৰী বাৰেগড় গাওঁ পঞ্চায়তৰ অন্তৰ্গত আমবাৰী বজাৰত ব্যৱসায়ীসকলৰ মাজত ডিজিটেল ব্যৱসায় অনুজ্ঞাপত্ৰ (Digital Trade License) আনুষ্ঠানিকভাৱে বিতৰণৰ শুভ আৰম্ভণি কৰা হয়। এই ঐতিহাসিক পদক্ষেপৰ অংশ হিচাপে আমবাৰী বাৰেগড় গাঁও পঞ্চায়তৰ উপ-সভাপতি ৰাশিদুল হক আৰু আমবাৰী উত্তৰ খণ্ডৰ সদস্য শহিদুল ইছলাম তালুকদাৰ এ নিজ হাতেৰে কেইবাজনো ব্যৱসায়ীৰ হাতত প্ৰথমবাৰৰ বাবে ডিজিটেল ব্যৱসায় অনুজ্ঞাপত্ৰ প্ৰদান কৰে। ডিজিটেল ব্যৱসায় অনুজ্ঞাপত্ৰ ব্যৱস্থাই ব্যৱসায়ীসকলক অধিক স্বচ্ছ, আধুনিক আৰু নিৰাপদ সেৱা প্ৰদান কৰাৰ লগতে চৰকাৰী নথিপত্ৰৰ ডিজিটেল সংৰক্ষণ, সহজ সত্যাপন (Verification) আৰু ভৱিষ্যতৰ অনলাইন সুবিধাসমূহ লাভ কৰাত বিশেষ সহায়ক হ'ব। আমবাৰী বাৰেগড় গাঁও পঞ্চায়ত কৰ্তৃপক্ষৰ পৰা আহ্বান জনোৱা হয় যে, অতি শীঘ্ৰে ডিজিটেল ব্যৱসায় অনুজ্ঞাপত্ৰ (Online Trade License) সংগ্ৰহ কৰি নিজৰ ব্যৱসায় প্ৰতিষ্ঠানক আইনসন্মত, সুৰক্ষিত আৰু আধুনিক ডিজিটেল ব্যৱস্থাৰ সৈতে সংযুক্ত কৰক। আপোনালোকৰ সহযোগিতাই এখন স্বচ্ছ, উন্নত আৰু ডিজিটেল গাঁও পঞ্চায়ত গঢ়ি তোলাৰ পথ অধিক সুগম কৰি তুলিব।

## জাজৰিৰ হাতীজুযুৱাত বুজন পৰিমাণৰ ড্ৰাগছ উদ্ধাৰ

**অসম বাৰ্তা, বেবেজীয়া, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ জাজৰি থানাৰ অন্তৰ্গত হাতীজুজুৱাত আজি জাজৰি থানাৰ আৰক্ষীয়ে অতৰ্কিতে চলোৱা অভিযানত বুজন পৰিমাণৰ ড্ৰাগছ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জাজৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চলা অভিযানত বুজন পৰিমাণৰ ড্ৰাগছ উদ্ধাৰ কৰে। এই অভিযানত আৰক্ষীয়ে ড্ৰাগছ সহ আটক কৰে ড্ৰাগছ ব্যৱসায়ী ছাহজাহান আলীক। ধৃত ছাহাজান আলীৰ ঘৰ হাতীজুজুৱাত। ইতিমধ্যে আৰক্ষীয়ে ড্ৰাগছ ব্যৱসায়ীটোক আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## গোলকগঞ্জ চিলাৰায় মহাবিদ্যালয়ত 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনিৰ আবেদন পত্ৰ বিতৰণ



**অসম বাৰ্তা, গোলকগঞ্জ, ৬ আগষ্ট ঃ** গোলকগঞ্জ বিধানসভা সমষ্টিৰ অন্তৰ্গত চিলাৰায় মহাবিদ্যালয়ত বৃহস্পতিবাৰে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি আৰু নিযুত বাবু আঁচনি (২০২৬-২৭) বৰ্ষৰ আবেদন পত্ৰ বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গোলকগঞ্জ সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ। মন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আবেদন পত্ৰ বিতৰণ কৰি কয় যে, অসমৰ যুৱ প্ৰজন্মৰশিক্ষা, সপোন আৰু উজ্জ্বল ভৱিষ্যৎ গঢ়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই দুয়োখন অভিলাষী আঁচনি ৰূপায়ণ কৰিছে। তেওঁৰ মতে, এই আঁচনিসমূহে উচ্চ শিক্ষা গ্ৰহণত শিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লগতে প্ৰয়োজনীয় আৰ্থিক সহায় আগবঢ়াব। তেওঁ লগতে উল্লেখ কৰে যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী পদক্ষেপে ৰাজ্যৰ নৱপ্ৰজন্মক নিজৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নতুন শক্তি আৰু আত্মবিশ্বাস প্ৰদান কৰিব। অনুষ্ঠানত গোলকগঞ্জ পৌৰসভাৰ পৌৰপতি সাবিত্ৰী ৰায়, উপ-পৌৰপতি টিংকু নন্দী, জিলা পৰিষদ সদস্যা মালতী বালা ৰায়কে ধৰি বহু গণ্যমান্য ব্যক্তি আৰু লগতে ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰৰ উদ্যোগত "বন্যাৰ্তলৈ সহায়ৰ হাত" কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, মাকুম, ৬ আগষ্ট ঃ** পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-একতা সভা আৰু ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত উজনি অসমৰ বানপীড়িত অঞ্চলৰ দুৰ্দশাগ্ৰস্ত লোকসকলক সাহায্য প্ৰদানৰ উদ্দেশ্যে "বন্যাৰ্তলৈ সহায়ৰ হাত" শীৰ্ষক কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে মহাবিদ্যালয়ৰ অধ্যক্ষৰ প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু কিছুসংখ্যক ইচ্ছুক ব্যক্তিৰ পৰা আৰ্থিক সহযোগিতা গ্ৰহণ কৰা হয়। এই সহযোগিতাৰে আজি মহাবিদ্যালয়ৰ পৰিয়ালক প্ৰতিনিধিত্ব কৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিতুৰাজ গোহাঁই, ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° পূজা দিহিঙ্গীয়া, ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা আকাংক্ষিতা শৰ্মা, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক লক্ষিপ্ৰসাদ দিহিঙ্গীয়া, ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক কৌশিক চেতিয়া আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি সমুদ্ৰ মৰাণ আৰু সাধাৰণ সম্পাদক কিৰণ মৰাণে আজি শিৱসাগৰ জিলাৰ বানে বিধ্বস্ত কৰা নিমাইজান গাঁৱত উপস্থিত হৈ নিমাইজান গাঁৱৰ লগতে বেতবাৰী অঞ্চলৰ ৫০টা বানাক্ৰান্ত পৰিয়ালক ১০০০ টকাকৈ আৰ্থিক সাহায্যৰ লগতে কিছু খাদ্য-সামগ্ৰী প্ৰদান কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰৰ তত্ত্বাৱধানত এনে অনাকাংক্ষিত দুৰ্যোগ আৰু সংকটৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাৰ প্ৰচেষ্টা সফলতাৰে ৰূপায়িত হয়।

বোকাখাতত 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনিৰ শুভাৰম্ভ

## বানপীড়িত শিক্ষাৰ্থীক কিতাপ ক্ৰয়ৰ অনুদান

**অসম বাৰ্তা, নুমলীগড়, ৬ আগষ্ট ঃ** ৰাজ্যৰ বানপীড়িত শিক্ষাৰ্থীসকলক কিতাপ ক্ৰয়ৰ বাবে অনুদান বিতৰণৰ লগতে ছাত্ৰীসকলৰ বাবে 'নিযুত মইনা' আৰু ছাত্ৰসকলৰ বাবে 'নিযুত বাবু' আঁচনিৰ কেন্দ্ৰীয় শুভাৰম্ভণি অনুষ্ঠান বৃহস্পতিবাৰে গুৱাহাটীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰে। ইয়াৰ সমান্তৰালভাৱে বোকাখাতৰ জে ডি এছ জি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহতো আঁচনিদ্বয়ৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত স্থানীয় বিধায়ক তথা ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি আঁচনিৰ অনুদান পত্ৰ বিতৰণ কৰে। বোকাখাত জে ডি এছ জি মহাবিদ্যালয়ৰ মুঠ ২,২২০ গৰাকী ছাত্ৰ-ছাত্ৰী এই 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনিৰ আওতালৈ অন্তৰ্ভুক্ত হৈছে। আঁচনিখনৰ জৰিয়তে শিক্ষাৰ্থী সকলক উচ্চ শিক্ষা গ্ৰহণত উৎসাহিত কৰাৰ লগতে আৰ্থিক সহায় আগবঢ়োৱাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰী অতুল বৰাই বৰ্তমান নগৰাঞ্চলত বৃদ্ধি পোৱা কৃত্ৰিম বানপানীৰ সমস্যাৰ বিষয়েও গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে পৌৰসভা এলেকাসমূহত সুপৰিকল্পিতভাৱে নলা-নৰ্দমা নিৰ্মাণ নকৰাৰ ফলতেই বহু ঠাইত কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে বিজ্ঞানসন্মত আৰু সুপৰিকল্পিত নিকাশী ব্যৱস্থা গঢ়ি তোলাটো অতি প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত বোকাখাত সমজিলা আয়ুক্ত সুজীতা গগৈ, গোলাঘাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক হেমগিৰি নৰহ, সহকাৰী আয়ুক্ত অংকিতা বৰুৱা, জে ডি এছ জি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়ন্ত গগৈ, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

কঠোৰ ব্যৱস্থাৰ নিৰ্দেশ বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসৰ

## বৰপেটাৰোডত ই-ৰিস্কা আৰু চি.এন.জি. বাহনৰ পৰা অবৈধ ধন সংগ্ৰহৰ অভিযোগ

**অসম বাৰ্তা, কুমুল্লী পৰা, ৬ আগষ্ট ঃ** বৰপেটাৰোডত ই-ৰিস্কা আৰু চি.এন.জি. (CNG) বাহনৰ চালক তথা গৰাকীসকলৰ পৰা একাংশ দুষ্ট চক্ৰই দীৰ্ঘদিন ধৰি অবৈধভাৱে ধন সংগ্ৰহ কৰি অহাৰ অভিযোগক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম বিধানসভাৰ সন্মানীয় অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে। ঘটনাটোক অত্যন্ত গুৰুত্বসহকাৰে লৈ অধ্যক্ষগৰাকীয়ে এনে অবৈধ কাৰ্যকলাপৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰে। জনসাধাৰণ, বিশেষকৈ ক্ষুদ্ৰ পৰিবহণ ব্যৱস্থাৰ সৈতে জড়িত চালক আৰু গৰাকীসকলক হয়ৰানি কৰি অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ দৰে ঘটনাক কোনোপধ্যে সহ্য কৰা নহ'ব বুলি তেওঁ স্পষ্টভাৱে উল্লেখ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষগৰাকীয়ে সংশ্লিষ্ট আয়ুক্তলৈ জৰুৰী ফোনযোগে বিষয়টো অৱগত কৰি ঘটনাটোৰ নিৰপেক্ষ আৰু পূৰ্ণাংগ তদন্তৰ নিৰ্দেশ দিয়ে। লগতে এই অবৈধ ধন সংগ্ৰহৰ সৈতে জড়িত ব্যক্তি বা চক্ৰৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ প্ৰদান কৰে। উল্লেখযোগ্য যে, বৰপেটাৰোডত ই-ৰিস্কা আৰু চি.এন.জি. বাহনৰ চালকসকলৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগে পৰিবহণ খণ্ডৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। অধ্যক্ষগৰাকীৰ হস্তক্ষেপৰ ফলত বিষয়টোৰ নিৰপেক্ষ তদন্ত আৰু দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ হ'ব বুলি সাধাৰণ ৰাইজ আৰু বাহন চালকসকলে আশা প্ৰকাশ কৰিছে।

## জাঁজী হাঁহচৰাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, সমাজকৰ্মী ৰোহিনী কুমাৰ গগৈৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, চেলেংহাট, ৬ আগষ্ট ঃ** যোৰহাট জিলাৰ জাঁজী হাঁহচৰা উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান উচ্চতৰ মাধ্যমিক)ৰ প্ৰতিষ্ঠাপক শিক্ষক, তথা বিদ্যালয়খনৰ অৱসৰী প্ৰধান শিক্ষক, হাঁহচৰা বাইলুং গাঁৱৰ নিবাসী বিশিষ্ট অভিনেতা, সমাজকৰ্মী ৰোহিনী কুমাৰ গগৈৰ যোৱা ৫ আগষ্টৰ নিশা ১০: ৪৫ বজাত বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। ১৯৪২ চনত জন্মগ্ৰহণ কৰা গগৈয়ে কলেজীয়া শিক্ষা সমাপ্ত কৰাৰ পিছত হাঁহচৰা উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰতিষ্ঠা কালৰ পৰাই জড়িত হৈ ২০০০ চনত উক্ত বিদ্যালয়খনৰ পৰাই প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। এগৰাকী সুদক্ষ অভিনেতা হিচাপে খ্যাতি লাভ কৰা ৰোহিনী কুমাৰ গগৈয়ে কংস চৰিত্ৰত অভিনয়েৰে বিশেষ সুনাম লাভ কৰিছিল। জাঁজী হাঁহচৰাৰ সামাজিক অনুষ্ঠান 'পূবেৰুণ কৃষ্টি সমাজ', হাঁহচৰা শাখা সাহিত্য সভা, আৰু অধুনালুপ্ত হাঁহচৰা জুনিয়ৰ কলেজৰ জন্মলগ্নৰে পৰা জড়িত গগৈ পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ জাঁজী হাঁহচৰা অধিবেশনৰ স্মৃতিগ্ৰন্থ পাটকাইৰ সম্পাদক আছিল। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত শিক্ষাবিদ গৰাকীৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। আজি পুৱা শিক্ষাবিদ গৰাকীৰ বাসগৃহত এক স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। জগত ফুকন আৰু হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ মাধৱ গগৈয়ে আঁত ধৰাত স্মৃতিচাৰণ সভাত স্থানীয় অঞ্চলবাসী, হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় শিক্ষক কৰ্মচাৰী, পূবেৰুন কৃষ্টি সমাজ, বৃহত্তৰ হাঁহচৰা যুৱ সমাজ, হাঁহচৰা শাখা সাহিত্য সভা, চেলেংহাট প্ৰেছক্লাব, সমাজকৰ্মী সঞ্জীৱ গগৈ, হাঁহচৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক অমূল্য গগৈ, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শিক্ষাবিদ গৰাকীৰ প্ৰতি অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত প্ৰয়াত গগৈয়ে পত্নী, দুজন পুত্ৰ, বোৱাৰী, নাতি-নাতিনী, সহ বহু আত্মীয় এৰি থৈ যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# মন্ত্ৰী কৌশিক ৰায়ৰ অধ্যক্ষতাত নাজিৰাত বান পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা বৈঠক

**অসম বাৰ্তা, নামতি, ৬ আগষ্ট ঃ** অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, গৃহ আৰু নগৰ পৰিকল্পনা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ৰ উপস্থিতিত নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত নাজিৰাৰ শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে নাজিৰা, শিমলুগুৰি আৰু আমগুৰি পৌৰসভাৰ অন্তৰ্গত বানপ্ৰভাৱিত অঞ্চলসমূহত হোৱা ক্ষয়-ক্ষতিৰ পৰ্যালোচনা কৰে। তেখেতে সংশ্লিষ্ট বিষয়াসকলক বানপীড়িত অঞ্চলসমূহৰ নলা-নৰ্দমা সমূহৰ পৰিষ্কাৰকৰণ তথা আৱৰ্জনা সমূহৰ নিষ্কাশনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে অন্যান্য অত্যাৱশ্যকীয় পৌৰ সেৱাসমূহ অগ্ৰাধিকাৰ ভিত্তিত সম্পন্ন কৰি স্বাভাৱিক পৰিস্থিতি শীঘ্ৰে ঘূৰাই আনিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও, মন্ত্ৰীগৰাকীয়ে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাম-কাজৰো পৰ্যালোচনা কৰে। সমজিলাৰ বানপীড়িত অঞ্চলসমূহত অত্যাৱশ্যকীয় ৰেচন সামগ্ৰীৰ উপলব্ধতা আৰু বিতৰণ ব্যৱস্থাৰ বুজ লোৱাৰ লগতে বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰেচন কাৰ্ডসমূহৰ মূল্যায়ন কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট সকলো বিভাগক অসম চৰকাৰৰ দ্বাৰা অনুমোদিত সকলো সাহায্য আৰু পুনৰসংস্থাপনমূলক সুবিধা প্ৰতিগৰাকী বানপীড়িত পৰিয়ালৰ ওচৰলৈ বিলম্ব নোহোৱাকৈ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে, পুনৰুদ্ধাৰ আৰু পুনৰসংস্থাপনমূলক সকলো কাম ক্ষিপ্ৰতাৰে আৰু বিভাগসমূহৰ মাজত সমন্বয় ৰক্ষা কৰি সম্পন্ন কৰাৰ বাবেও বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। উক্ত পৰ্যালোচনা বৈঠকত নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই, সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত তথা সচিব কবিতা পদ্মনাভন, পৌৰ প্ৰশাসনৰ সঞ্চালক টংকেশ্বৰ দাস, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ আয়ুক্ত হেমন্ত ভূএগ, অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ যুটীয়া সচিব পাৰিজাত ভূএগ, নাজিৰা, শিমলুগুৰি আৰু আমগুৰি পৌৰসভাৰ সভানেত্ৰী ক্ৰমে বৰ্ণালী চেতিয়া, কবিতা মেছ আৰু অনামিকা নেওগ বৈশ্যৰ লগতে সংশি-ষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

## বানত প্লাৱিত ফুলপানী ছিগাৰ দুলীয়া পুৰণি মেলীয়া গাঁও

### ১২ দিনে ৰাষ্ট্ৰীয় ঘাইপথত আশ্ৰয় প্ৰায় ১৭১টা পৰিয়ালৰ

**অসম বাৰ্তা, গেলেকী, ৬ আগষ্ট ঃ** শিৱসাগৰ সমষ্টিৰ চাৰিং পঞ্চায়তৰ অন্তৰ্গত ৯নং ৱাৰ্ডৰ ফুলপানী ছিগাৰ দুলীয়া পুৰণি মেলীয়া গাঁৱত শেহতীয়াভাৱে জাঁজী নদীয়ে সৃষ্টি কৰা সংহাৰী বানে বিস্তৰ ক্ষতিসাধন কৰিছে। যোৱা ২০ তাৰিখৰ পৰা জাঁজী নদীৰ বাঢ়নী পানীয়ে সমগ্ৰ অঞ্চলটো প্লাৱিত কৰি এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰে। এই জাঁজীৰ বানে গাঁওখনৰ প্ৰায় ১৭১টা পৰিয়ালক পোনপটীয়াকৈ আক্ৰান্ত কৰিছে। নদীৰ পানী গাঁওখনত প্ৰৱেশ কৰাৰ লগে লগে লোকসকলৰ ঘৰৰ ভিতৰত একঁকাল পৰ্যন্ত পানী উঠে। ফলত ঘৰৰ আৱশ্যকীয় সামগ্ৰী, খাদ্য-শস্য নষ্ট হোৱাৰ লগতে গৃহপালিত পশুধনৰো বিস্তৰ ক্ষতিসাধন হয়। পানীৰ প্ৰবল তাণ্ডৱত ঘৰ-বাৰী এৰি প্ৰাণৰ মায়াত ওলাই আহিব লগীয়া হোৱা দুৰ্দশাগ্ৰস্ত ৰাইজে সুদীৰ্ঘ ১২টা দিন ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰত মুকলি আকাশৰ তলত আশ্ৰয় ল'বলগীয়া হয়। বৰ্তমান লৈকে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহে উপযুক্ত সাহায্যৰ বাবে হাহাকাৰ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে অতি সোনকালে আক্ৰান্ত পৰিয়ালসমূহক চৰকাৰী সাহায্য প্ৰদান কৰাৰ লগতে পশুধনৰ বাবে খাদ্য আৰু চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ ডেৰ লাখ টকাৰ চেক অৰ্পণ

# উজনিৰ বন্যাৰ্তলৈ বৰক্ষেত্ৰীৰ দুখনকৈ ধৰ্মীয় অনুষ্ঠানৰ সাহায্য

**অসম বাৰ্তা, দৌলাশাল, ৬ আগষ্ট ঃ** উজনি অসমৰ ভয়ংকৰ বানপানীত ক্ষতিগ্ৰস্ত পৰিয়ালৰ সহায়ৰ উদ্দেশ্যে বৰক্ষেত্ৰীৰ দুখনকৈ ধৰ্মীয় অনুষ্ঠানে আগবঢ়াইছে আৰ্থিক সাহায্য। মানৱীয় দায়বদ্ধতা আৰু সামাজিক সম্প্ৰীতিৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰি মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ মুঠ ১ লাখ ৫০ হাজাৰ টকাৰ চেক অৰ্পণ কৰে অনুষ্ঠান দুটাই। বৰক্ষেত্ৰীৰ বিধায়ক নাৰায়ণ ডেকাৰ জৰিয়তে বৰক্ষেত্ৰী সৰ্বজনীন দুৰ্গা পূজা কমিটিয়ে ১, ০০, ০০০ (এক লাখ) টকাৰ চেক আৰু লোহাৰকাঠা মাদ্ৰাছাই ৫০, ০০০ (পঞ্চাশ হাজাৰ) টকাৰ চেক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। এই উপলক্ষে সংশ্লিষ্টসকলে কয় যে, প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত থিয় দিয়াটো সকলো নাগৰিক আৰু সামাজিক-ধৰ্মীয় অনুষ্ঠানৰ নৈতিক দায়িত্ব। বানত সৰ্বস্ব হেৰুৱা পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত সমাজৰ সকলো স্তৰৰ লোকে সামৰ্থ্য অনুসৰি সহায়ৰ হাত আগবঢ়াব লাগে বুলিও তেওঁলোকে মত প্ৰকাশ কৰে। বৰক্ষেত্ৰীৰ বিধায়ক নাৰায়ণ ডেকাই এই মানৱীয় পদক্ষেপৰ বাবে দুয়োটা অনুষ্ঠানৰ বিষয়ববীয়া আৰু সদস্যসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে, সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ এনে সহযোগিতাই দুৰ্যোগৰ সময়ত অসহায় লোকসকলৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰে। আগন্তুক দিনতো সামাজিক কল্যাণমূলক কামত একেলগে আগবাঢ়ি অহাৰ আহ্বান জনায় তেওঁ। বৰক্ষেত্ৰী সৰ্বজনীন দুৰ্গা পূজা কমিটি আৰু লোহাৰকাঠা মাদ্ৰাছাৰ এই সাহায্যক স্থানীয় ৰাইজে উষ্ম আদৰণি জনাইছে। ভিন্ন ধৰ্মীয় অনুষ্ঠানৰ এই যৌথ মানৱীয় উদ্যোগে সামাজিক সম্প্ৰীতি, সহমৰ্মিতা আৰু দুৰ্যোগৰ সময়ত একতাৰ বাৰ্তা কঢ়িয়াই অনাৰ লগতে আন অনুষ্ঠানসমূহকো এনে জনহিতকৰ কামত আগবাঢ়ি আহিবলৈ অনুপ্ৰেৰণা যোগাব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন